ignou
THE PEOPLE'S
UNIVERSITY

Indira Gandhi National Open University
School of Humanities

# BAALA-135
# Modern Indian Language - Assamese



# EXPERT COMMITTEE

**Prof. Satyakam Borthakur**
Professor, Department of Assamese,
Dibrugarh University, Assam

**Prof. Malati Mathur**
Director-School of Humanities,
IGNOU, New Delhi-110068

**Dr. Ratnottama Das**
Associate Professor,
Department of M.I.L. & L.S.
University of Delhi, Delhi - 110007

# COURSE COORDINATOR

**Prof. Malati Mathur**
Director, School of Humanities
IGNOU, New Delhi-110068

# COURSE EDITOR

**Prof. Satyakam Borthakur**
Professor, Department of Assamese,
Dibrugarh University, Assam

**Dr. Ratnottama Das**
Associate Professor,
Department of M.I.L. & L.S.
University of Delhi, Delhi - 110007

# BLOCK PREPARATION

## Block-1

**Unit-II :** Dr. Sangita Saikia
Assistant Professor, Department of Assamese Bhasha-Bhavana,
Visva-Bharati University, Santiniketan

**Unit-III :** Dr. Jyotirekha Hazarika
Associate Professor, Department of Assamese,
J. B. College (Autonomous), Jorhat, Assam

**Unit-IV :** Prof. Bimal Mazumdar
Department of Assamese, Gauhati University, Assam

## Block-2

**Unit-I :** Dr. Arabinda Rajkhowa
Associate Professor, North Lakhimpur College (Autonomous), Assam

**Unit-II :** Prof. Satyakam Borthakur
Department of Assamese, Dibrugarh University

**Unit-III :** Prof. Arpana Konwar
Department of Assamese, Dibrugarh University

**Unit-IV :** Dr. Milan Neog, Assistant Professor, Department of Assamese,
Anandaram Dhekial Phookan College, Nagaon. Assam

**Unit-V :** Dr. Juri Dutta
Assistant Professor, Department of Asssamese, Tezpur University, Assam

**Unit-VI :** Dr. Ratnottama Das
Department of Modern Indian language and Language Studies,
University of Delhi

## Block-3

**Unit-III :** Prof. Anuradha Sharma, Department of MIL, Gauhati University

Some units have been adapted from existing IGNOU material

Cover design: Mr. Tamal Basu, IGNOU panel

Printed and published on behalf of the Indira Gandhi National Open University,
New Delhi by Registrar, MPDD.

# COURSE INTRODUCTION

অসমীয়া হৈছে ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্ভূক্ত এটা ভাষা। এই পাঠ্যক্ৰমত শিকাৰুসকলক ভাষাটোত নৈপুন্য তথা প্ৰাথমিক দক্ষতা আহৰণ কৰা, অসমীয়া ব্যাকৰণৰ প্ৰাথমিক জ্ঞান প্ৰদান কৰা আৰু অসমীয়া ভাষা-সাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ সম্পৰ্কে সম্যক ধাৰণা প্ৰদান কৰাত গুৰুত্ব দিয়া হৈছে। ইয়াত অসমীয়া সাহিত্যৰ ঐতিহাসিক ক্ৰমবিকাশৰ ধাৰণা দিবৰ বাবে উদ্ভৱকালীন স্তৰৰ পৰা আৰম্ভ কৰি আধুনিক যুগলৈকে কেইটামান নিৰ্বাচিত পাঠ অধ্যয়ন কৰিবলৈ দিয়া হৈছে। এই শিকন সামগ্ৰী তিনিটা খণ্ড আৰু তেৰটা গোটত (৪-৫-৬) বিভাজিত কৰা হৈছে।

The Assamese language belongs to the Indo-Aryan family of languages.This course aims to impart basic skills and competencies in the Assamese language, the basics of Assamese Grammar, and introduces the learner to the origin and development of Assamese language and literature. It will provide a historical overview of the development of Assamese literature by including selected pieces of Assamese literature from different genres and from time periods starting from the ancient era, and introduce the student to some of the best literary pieces in Assamese literature.The course material is organised in three blocks and thirteen units (4-6-3)

Indira Gandhi National Open University
School of Humanities

# BAALA-135
## Modern Indian Language-Assamese

# Block 1

## Assamese language and literature: Origin and Development

| | |
|---|---|
| **UNIT-I** | |
| **Origin of Assamese language (A brief introduction)** | **7-20** |
| **UNIT-II** | |
| **Development of Assamese Literature (A general overview)** | **21-37** |
| **UNIT-III** | |
| **Selected piece of early Assamese literature (Charyapada)** | **38-50** |
| **UNIT-IV** | |
| **Selected piece of Assamese folk literature (One ballad)** | **51-68** |

# BLOCK INTRODUCTION

## খণ্ড-১ ঃ (অসমীয়া ভাষা আৰু সাহিত্য ঃ উদ্ভৱ আৰু বিকাশ) ঃ

ইয়াত চাৰিটা খণ্ড আছে। সকলো খণ্ড ক্ৰম অনুসৰি সজোৱা হৈছে। ইয়াত অসমীয়া সাহিত্যৰ পৰিচয় তুলি ধৰিবলৈ যাওঁতে উদ্ভৱকালীন স্তৰৰ এটা পাঠ আৰু অসমীয়া লোক সাহিত্যৰ অন্তৰ্ভূক্ত এটা মালিতা সংযোগ কৰা হৈছে।

**Block 1 (Assamese Language and Literature: Origin and Development)**consists of 4 units. All the units are arranged in a chronological order. While introducing Assamese literature, this Block also attempts to give a glimpse of emerging stage of Assamese literature and Assamese folk literature (oral tradition) with one example from each.

# খণ্ড - ১ গোট - I ঃ অসমীয়া ভাষাৰ উৎপত্তি ঃ এক চমু পৰিচয়
**(Origin of Assamese Language : A Brief Introduction)**



**গাঁথনি**

১.১.১ পাতনি
১.১.১.১ পৰিচয়
১.১.১.২ উদ্দেশ্যাৱলী
১.১.২ অসমীয়া ভাষাৰ উৎপত্তি
১.১.৩ অসমীয়া ভাষাৰ উৎপত্তি
১.১.৪ অসমীয়া ভাষাৰ বিকাশ
১.১.৫ 'অসম' আৰু 'অসমীয়া' শব্দৰ উৎপত্তি
১.১.৬ শব্দ টোকা
১.১.৭ অনুশীলনী
১.১.৭.১ বোধজ্ঞানৰ অনুশীলনী
১.১.৭.২ বৈয়াকৰণিক অনুশীলনী
১.১.৭.৩ পঠন অনুশীলনী
১.১.৭.৪ লিখন অনুশীলনী
১.১.৮ উত্তৰ সংকেত
১.১.৯ অতিৰিক্ত পঠন উপদেশ

## ১.১.১ পাতনি

### ১.১.১.১ পৰিচয়

অসমীয়া ভাষা ভাৰতীয় আৰ্যভাষাৰ সন্ততি। খৃঃ পূঃ পঞ্চদশ শতিকা মানত বিভিন্ন সৰু-বৰ দলেৰে ভাৰতত প্ৰৱেশ কৰা আৰ্যসকলৰ যি ভাষা আছিল সিয়েই ভাৰতীয় আৰ্যভাষা। এই ভাষাটিক প্ৰাচীন স্তৰৰ বেদৰ ভাষা 'বৈদিক' আৰু তাৰ পৰৱৰ্তী উপনিষদ, ব্ৰাহ্মণ, পুৰাণ আদিৰ ভাষা 'সংস্কৃত' ভাষাই প্ৰতিনিধিত্ব কৰে। খৃঃ পূঃ ষষ্ঠ শতাব্দী মানত আৰ্যভাষাই জনসাধাৰণৰ মুখে মুখে বাগৰি ক্ৰম পৰিৱৰ্তন লাভ কৰি সৰল হৈ পৰে। এই সময়ৰ পৰা ভাৰতীয় আৰ্য ভাষাৰ দ্বিতীয় বা মধ্যস্তৰ, ইয়াকে 'মধ্য-ভাৰতীয় আৰ্য-ভাষা' বা 'প্ৰাকৃত ভাষাৰ' স্তৰ বুলিও কোৱা হয়। এই প্ৰাকৃত ভাষাই ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন ধৰণেৰে বিকাশ লাভ কৰিছিল আৰু সেই সময়ৰ ভাৰতৰ বিভিন্ন আঞ্চলিক নামানুসাৰে বিভিন্ন নাম পাইছিল, যেনে— মহাৰাষ্ট্ৰী প্ৰাকৃত, শৌৰসেনী প্ৰাকৃত, মাগধী প্ৰাকৃত আদি। কালক্ৰমত এই প্ৰাকৃত ভাষাবোৰো অধিক সৰল হৈ পৰিছিল আৰু এই সৰলতৰ স্তৰটোকে অপভ্ৰংশ বুলি কোৱা হৈছিল। প্ৰাকৃত ভাষাবোৰৰ অপভ্ৰংশ স্তৰৰপৰাই খৃষ্টীয় নৱম-দশম শতাব্দী মানত ভাৰতৰ বিভিন্ন অঞ্চলে অঞ্চলে আধুনিক আৰ্য ভাষাবোৰৰ উদ্ভৱ হয়। উদাহৰণস্বৰূপে মহাৰাষ্ট্ৰ অঞ্চলত প্ৰচলিত মহাৰাষ্ট্ৰী প্ৰাকৃতৰ পৰা মহাৰাষ্ট্ৰী অপভ্ৰংশ আৰু ইয়াৰপৰাই আধুনিক মাৰাঠী ভাষাৰ উদ্ভৱ হয়। এনেদৰে ভাৰতৰ পূব অঞ্চলৰ প্ৰাচীন মগধক কেন্দ্ৰ কৰি প্ৰচলন হোৱা মাগধী প্ৰাকৃতৰপৰা মাগধী অপভ্ৰংশৰ বিকাশ হয় আৰু ইয়াৰ পৰাই অসমীয়াকে ধৰি পূব-ভাৰতৰ আধুনিক আৰ্য ভাষাকেইটাৰ উদ্ভৱ হয়।

এই আলোচনাত ভাৰতীয় আৰ্যভাষাৰ ক্ৰম-বিকাশৰ দ্বিতীয় স্তৰ মধ্য-ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্গত মাগধী প্ৰাকৃত আৰু ইয়াৰ অপভ্ৰংশৰপৰা বিকশিত হৈ কেনেদৰে অসমীয়া ভাষাৰ উদ্ভৱ হয় তাৰ এটা আভাস দি, ভাষাটোৰ ক্ৰম বিকাশৰ বুৰঞ্জীৰ এটা আভাস দিবলৈ বিচৰা হৈছে। লগতে 'অসম' আৰু 'অসমীয়া' শব্দ দুটাৰো উৎপত্তি সম্পৰ্কে এটা আলোচনা দাঙি ধৰা হৈছে।

### ১.১.১.২ উদ্দেশ্যাৱলী

এই পাঠৰ উদ্দেশ্য হৈছে—

- অসমীয়া ভাষাৰ উৎপত্তিৰ ইতিবৃত্তৰ আভাস দাঙি ধৰা
- 'অসমীয়া' শব্দৰ উৎপত্তি সম্পৰ্কে এটা ধাৰণা দিয়া

## ১.১.২ অসমীয়া ভাষাৰ উৎপত্তি

পূব ভাৰতত প্ৰচলিত আৰ্য ভাষাসমূহৰ ভিতৰত অসমীয়া ভাষা অন্যতম এটা প্ৰধান ভাষা। ভাৰতীয় আৰ্য-ভাষাৰ ক্ৰম বিকাশৰ দ্বিতীয় স্তৰ মধ্য-ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্গত মাগধী প্ৰাকৃতেই পূব-ভাৰতৰ আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ জননী। মাগধী প্ৰাকৃত ভাৰতৰ পূৰ্বাঞ্চলৰ প্ৰাকৃত আছিল আৰু প্ৰাচীন মগধেই ইয়াৰ উৎপত্তিস্থান বুলি ভাষাবিদসকলে স্থিৰ কৰিছে। এই মাগধী প্ৰাকৃতৰ শেষ স্তৰ মাগধী অপভ্ৰংশৰ পৰাই পূব ভাৰতৰ অসমীয়া, বাংলা, উড়িয়া, মৈথিলী, মগহী আৰু ভোজপুৰী এই আধুনিক আৰ্যভাষাকেইটাৰ উদ্ভৱ আৰু বিকাশ হয়।

মাগধী অপভ্ৰংশ তিনিটা ধাৰাৰে বিকাশ লাভ কৰিছিল ঃ (ক) পশ্চিমা মাগধী অপভ্ৰংশ, (খ) মধ্য-মাগধী অপভ্ৰংশ আৰু (গ) প্ৰাচ্য বা পূব-মাগধী অপভ্ৰংশ। পশ্চিম-মাগধী অপভ্ৰংশৰ পৰা ভোজপুৰী, মধ্য-মাগধী অপভ্ৰংশৰ পৰা মৈথিলী আৰু মগহী আৰু প্ৰাচ্য বা পূব মাগধী অপভ্ৰংশেৰ পৰা অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ উৎপত্তি হয়।

প্ৰখ্যাত ভাষাতত্ত্ববিদ জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্ছনে তেওঁৰ বিখ্যাত গ্ৰন্থ *The Linguistic Survey of India* ত মাগধীৰ পৰাই পূব ভাৰতৰ আধুনিক আৰ্য ভাষাসমূহৰ উৎপত্তি হৈছে বুলি যুক্তিসহকাৰে দৃঢ় মত দি গৈছে। তেওঁ কৈ গৈছে যে— উত্তৰ-বঙ্গ আৰু অসমৰ ভাষা মূলতে একেটাই। মাগধী প্ৰাকৃতৰ প্ৰাচ্য বা পূব অপভ্ৰংশৰ মূল ঘাটি আছিল বৰ্তমানৰ মালদহ জিলাৰ গৌড়। ইয়াৰ পৰাই মাগধী প্ৰাকৃত কেউফালে বিস্তাৰিত হ'বলৈ ধৰে। ই দক্ষিণ-পশ্চিমৰ ফালে বিস্তাৰ লাভ কৰি উড়িয়া ভাষাৰ, উত্তৰ পূব ফালে বিস্তাৰ লাভ কৰি উত্তৰবঙ্গৰ ভাষা আৰু অসমীয়া ভাষাৰ, আৰু দুয়োৰে মাজতে বাংলা ভাষাৰ জন্ম দিয়ে। আন এগৰাকী সুপ্ৰসিদ্ধ সৰ্বজন-স্বীকৃত ভাষাবিদ ড° সুনীতি কুমাৰ চট্টোপাধ্যায়েও গ্ৰীয়াৰ্ছনৰ মতৰ ওপৰত ভিত্তি কৰি প্ৰাচ্য-মাগধী অপভ্ৰংশক চাৰিটা ভাগত ভাগ কৰিছে— ৰাঢ়, বাৰেন্দ্ৰ, বঙ্গ আৰু কামৰূপ। ৰাঢ়ৰপৰা পশ্চিম বংগৰ বাংলা ভাষা আৰু ওড়িশাৰ উড়িয়া ভাষাৰ উৎপত্তি হয়। বাৰেন্দ্ৰৰপৰা উত্তৰ-মধ্য বঙ্গৰ ভাষাৰ উৎপত্তি হয়, কামৰূপৰ পৰা উত্তৰ-বঙ্গৰ ভাষা আৰু অসমত অসমীয়া ভাষাৰ উৎপত্তি হয়। ডঃ চট্টোপাধ্যায়েও স্পষ্টভাৱে মত প্ৰকাশ কৰিছে যে উত্তৰ-বঙ্গ আৰু অসমৰ ভাষা মূলতে একেই, আৰু মাগধী অপভ্ৰংশৰ প্ৰাচ্য-শাখাৰ পৰাই-অসমীয়া ভাষাৰ উৎপত্তি হৈছে। গতিকে দেখা যায় অসমীয়া ভাষাৰ মূল মাগধী-প্ৰাকৃত আৰু ইয়াৰ অপভ্ৰংশ; ই ভাৰতীয় আৰ্য ভাষাৰ সন্ততি। অসমীয়া ভাষাৰ উৎপত্তিৰ গতি-চিত্ৰ এনেদৰে দেখুৱাৰ পাৰি—

ভাৰতীয় আৰ্য ভাষা
↓
প্ৰাচীন ভাৰতীয় আৰ্য ভাষা
↓
মধ্য ভাৰতীয় আৰ্য ভাষা
↓
মাগধী প্ৰাকৃত
↓
মাগধী অপভ্ৰংশ
↓

| পশ্চিম শাখা | মধ্যশাখা | প্ৰাচ্য বা পূৰ্বশাখা |
|---|---|---|
| ↓ | ↓ | ↓ |
| ভোজপুৰী | মৈথিলী    মগহী | উড়িয়া    বাংলা    অসমীয়া |

অসমীয়া ভাষাৰ উৎপত্তি সম্বন্ধে আৰু এটা মত হৈছে এয়ে যে এই ভাষা কামৰূপী প্ৰাকৃত নামেৰে প্ৰাচীন কামৰূপ ৰাজ্যত বিকশিত অন্য এক প্ৰাকৃতৰ পৰা উৎপত্তি হয়। বেণীমাধৱ বৰুৱা, ডিম্বেশ্বৰ নেওগ আদি পণ্ডিতে এই মতৰ পৃষ্ঠপোষকতা কৰে। তেওঁলোকৰ মতে প্ৰাচীন কামৰূপ ৰাজ্য বিশাল আছিল আৰু ধন জন গৌৰৱেৰে প্ৰাচীন কালৰেপৰাই ঐশ্বৰ্যমণ্ডিত আছিল। প্ৰাচীন কামৰূপত পঞ্চম শতাব্দীৰপৰা দ্বাদশ শতাব্দীলৈকে ৰাজত্ব কৰা 'হিন্দুধৰ্মী' ৰজাসকলৰ ভূমিদান কৰা তামৰ ফলিবোৰৰ ভাষা সংস্কৃত আছিল যদিও সেইবোৰত ব্যৱহৃত শব্দ সম্ভাৰৰ মাজত এনে কিছুমান ধ্বনিগত বৈশিষ্ট্য দেখিবলৈ, পোৱা যায়, যিবোৰে সেই দূৰ অতীততে আৰ্য ভাষাই যে এটা বিৱৰ্তিত ৰূপ লাভ কৰিছিল তাৰ ইঙ্গিত দিয়ে। আৰ্যভাষাৰ সেই বিৱৰ্তিত ৰূপটোক কামৰূপী প্ৰাকৃত বুলি অভিহিত কৰিব পাৰি আৰু ইয়াৰপৰাই কালক্ৰমত অসমীয়া ভাষাৰ উৎপত্তি হয়। কিন্তু কামৰূপী প্ৰাকৃত বুলি অভিহিত কৰা প্ৰাকৃতত লেখা কোনো পুথি-পাঁজি বৰ্তমানলৈকে আৱিষ্কাৰ নোহোৱাত আৰু প্ৰাচীন বৈয়াকৰণিকসকলেও কামৰূপী প্ৰাকৃতৰ কোনো উল্লেখ নকৰাত, এই প্ৰাকৃতৰ উদ্ভৱ ক'ৰপৰা কেনেদৰে হ'ল আৰু ইয়াৰ বৈশিষ্ট্যনো কি সেই বিষয়ে একো ক'ব পৰা নাযায়। গতিকে কামৰূপী প্ৰাকৃতৰপৰা অসমীয়া ভাষাৰ উৎপত্তি হোৱা মতটো সৰ্বজনস্বীকৃত হোৱা নাই। আনহাতে, মাগধী প্ৰাকৃতৰ বহু বৈশিষ্ট্য অসমীয়া ভাষাত ৰক্ষিত হৈছে আৰু অসমীয়া শব্দ-সম্ভাৰৰ উদ্ভৱৰ ধাৰা মাগধীৰপৰা ভালদৰে দেখুৱাব পাৰি। সেয়েহে অসমীয়া ভাষা মাগধী প্ৰাকৃত-অপভ্ৰংশৰ পৰাই উদ্ভৱ হোৱা বুলি বেছিভাগ পণ্ডিতে মত পোষণ কৰে।

## ১.১.৩ অসমীয়া ভাষাৰ উৎপত্তি

খৃষ্টীয় সপ্তম শতাব্দীমানৰ পৰাই অসম অঞ্চলৰ কথিত ভাষাই উড়িয়া আৰু বাংলা ভাষাৰপৰা স্বতন্ত্ৰ এক সুকীয়া গঢ় ল'বলৈ আৰম্ভ কৰিছিল বুলি ক'ব পাৰি। অসমত আৰ্য সভ্যতাৰ পট্টন কেতিয়ামানৰ পৰা হ'ল আৰু অসমীয়া ভাষাৰ মূল উৎস মাগধী প্ৰাকৃত-অপভ্ৰংশ কেতিয়ামানৰ পৰা বিয়পি পৰিছিল, সেই সম্পৰ্কে নিশ্চিতকৈ জানিবৰ কোনো উপায় নাই যদিও *কালিকা পুৰাণত* পোৱা অনুসৰি নৰকাসুৰে কামৰূপৰ কিৰাট মেছসকলক খেদি আৰ্য সভ্যতা কামৰূপত প্ৰতিষ্ঠা কৰাৰ কথাৰ পৰা আৰু চতুৰ্থ শতাব্দীৰ পৰা দ্বাদশ-শতাব্দীলৈকে প্ৰাচীন কামৰূপত হিন্দু ৰজাসকলে ৰাজত্ব কৰাৰ প্ৰমাণৰ পৰা অনুমান কৰা হয় যে, খৃষ্টীয় শতিকা আৰম্ভ হোৱাৰ পিছৰে পৰাই গংগা উপত্যকাৰপৰা অসমত আৰ্য ভাষা সংস্কৃতি বিয়পি পৰছিল। ৬৪৩ খৃঃ মানত কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন-চাঙে তেওঁৰ ভ্ৰমণ বৃত্তান্তত মন্তব্য কৰছিল যে এই দেশৰ মানুহৰ ভাষা মধ্য-ভাৰতৰ মানুহৰ ভাষাতকৈ অলপ বেলেগ আছিল। হিউৱেনচাঙৰ এই মন্তব্যই প্ৰাচীন কামৰূপত প্ৰচলিত ভাষা সম্পৰ্কে পোৱা প্ৰথম ঐতিহাসিক বিৱৰণ। হিউৱেন-চাং অহাৰ সময়ত অসমত মাগধী প্ৰাকৃত অপভ্ৰংশ নিশ্চয় বিয়পি পৰিছিল আৰু হয়তো অসমৰ প্ৰাচীন অধিবাসী অষ্ট্ৰিক তিব্বতবৰ্মী লোকৰ ভাষাৰ প্ৰভাৱত সেই সময়তে এই অঞ্চলত প্ৰচলিত মাগধী প্ৰাকৃত অপভ্ৰংশত নানাধৰণৰ পৰিৱৰ্তনে দেখা দিছিল। এনেকৈয়ে অসম অঞ্চলত ই লাহে লাহে এক সুকীয়া প্ৰাদেশিক ৰূপ ল'বলৈ আৰম্ভ কৰিছিল। খৃষ্টীয় দশম শতাব্দী মানত নানা স্থানীয় বৈশিষ্ট্যৰে পৰিপূৰ্ণ হৈ অসমীয়া ভাষা স্বতন্ত্ৰ ৰূপত গঢ় লৈ উঠে। আৰ্যসকল অসমলৈ অহাৰ আগৰেপৰা অসমত আৰ্যভিন্ন অষ্ট্ৰিক, তিব্বত-বৰ্মী ফৈদৰ নানা ভাষাৰ প্ৰচলন আছিল, কিন্তু আৰ্যভাষাৰ শক্তিশালী প্ৰভাৱত সেই ভাষাসমূহৰ প্ৰচলন ক্ৰমাৎ কমি আহিছিল আৰু আৰ্য ভাষাই সেই ভাষাসমূহক স্থানান্তৰ কৰি নিজক প্ৰতিষ্ঠিত কৰিছিল। হিউৱেন-চাঙৰ মন্তব্যৰপৰা ধাৰণা কৰিব পাৰিব যে মাগধী প্ৰাকৃতে কামৰূপত খৃষ্টীয় ৭ম শতিকাৰ পৰাই বেলেগ ৰূপ পৰিগ্ৰহ কৰি অসমীয়া ভাষাৰ মূল ভেটিটো গঢ় লোৱাত সহায় কৰিছিল আৰু তাৰে পৰাই দশম শতিকামানত স্বতন্ত্ৰ ৰূপত অসমীয়া ভাষাৰ জন্ম প্ৰক্ৰিয়া সূচনা হয়।

দশম শতিকা মানতে অসমীয়া ভাষাৰ উৎপত্তি হয় যদিও অসমীয়া ভাষাৰ নিজস্ব ৰূপৰ বিকশিত আৰু পৰিপূৰ্ণ পৰিচয় পোৱা হয় চতুৰ্দশ শতিকাৰপৰা। চতুৰ্দশ শতিকাৰ পূৰ্বতে অসমীয়া ভাষাত সাহিত্য চৰ্চা হৈছিল নে নাই সঠিককৈ ক'ব নোৱাৰি। হৈছিল যদিও দেশৰ প্ৰাকৃতিক বিপৰ্যয়, যুদ্ধ-বিগ্ৰহ আদিৰ কাৰণে হয়তো সেইবোৰ লুপ্ত হয়। কিন্তু নৱম- দ্বাদশ শতিকামানৰ ভিতৰত প্ৰাচীন কামৰূপত অসমীয়া ভাষাৰ যি প্ৰত্নৰূপ প্ৰচলিত আছিল, তাৰ প্ৰথম সাহিত্যিক নিদৰ্শন বৌদ্ধ-সিদ্ধসকলৰ চৰ্যাপদৰ মাজত

পোৱা যায়। প্ৰাচীন কামৰূপৰ ৰজাসকলৰ ভূমি-দানৰ তামৰ ফলিৰ শব্দই ধ্বনিতত্ত্বৰ স্বকীয় গতিৰ এটা ক্ষীণতম আভাস দিব পাৰিলেও অসমীয়া ভাষাৰ গঠনৰ আভাস দাঙি ধৰিব নোৱাৰে। কিন্তু বৌদ্ধ ধৰ্ম-সাধনাৰ গীত চৰ্যাপদত ব্যৱহৃত ভাষাই অসমীয়া ভাষাৰ স্বৰূপ দাঙি ধৰে। বাংলা আৰু ওড়িয়া ভাষীসকলেও এই চৰ্যাপদক নিজৰ নিজৰ সাহিত্যৰ প্ৰাচীনতম চানেকি বুলি ক'ব খোজে যদিও, এইবোৰৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু ব্যৱহৃত শব্দ সম্ভাৰৰ বৈশিষ্ট্য লক্ষ্য কৰি এইবোৰ যে অসমীয়া-বাংলা-ওড়িয়াৰ উমৈহতীয়া প্ৰত্নৰূপৰ সৰ্বপ্ৰথম সাহিত্যিক নিদৰ্শন সেই কথা নিশ্চিতভাৱে ক'ব পাৰি। সম্ভৱতঃ তাত্ত্বিক বৌদ্ধসকলৰ অন্যতম পীঠস্থান কামৰূপতে চৰ্যাপদসমূহ ৰচিত হৈছিল কাৰণে অসমীয়া ভাষাৰ প্ৰত্ন ৰূপটো ইয়াত অলপ বেছি স্পষ্টধৰণে প্ৰকট হৈছিল। এই বিষয়ে আপোনালোকে প্ৰথম খণ্ডৰ তৃতীয় গোটত পঢ়িবলৈ পাব।

অন্য এখন প্ৰাচীন পুথি, বড়ু চণ্ডীদাসৰ *শ্ৰীকৃষ্ণকীৰ্তন*তো অসমীয়া ভাষাৰ গঠনৰ বহু লক্ষণ বিদ্যমান।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

(১) অসমীয়া ভাষা অষ্ট্ৰিক, দ্ৰাবিড়ীয় নে আৰ্যমূলীয়?

.....................................................................................................

(২) মাগধী প্ৰাকৃতৰ কেইটা ধাৰা আছিল আৰু সেইবোৰ কি কি?

.....................................................................................................

.....................................................................................................

(৩) গ্ৰীয়াৰ্ছনে কি পুথি ৰচনা কৰিছিল? তেওঁৰ মতে পূৰ্ব ভাৰতীয় ভাষাসমূহৰ উৎপত্তি ক'ৰ পৰা হৈছে?

.....................................................................................................

.....................................................................................................

(৪) কোনে কামৰূপী প্ৰাকৃতৰপৰা অসমীয়া ভাষা ওলোৱা বুলি মত পোষণ কৰিছে?

.....................................................................................................

.....................................................................................................

(৫) আনুমানিক কোন সময়ত অসমত সংস্কৃতৰ প্ৰৱেশ ঘটে?

.....................................................................................................

.....................................................................................................

## ১.১.৪ অসমীয়া ভাষাৰ বিকাশ

অসমীয়া ভাষাৰ বিকাশৰ বিষয়ে ক'বলৈ যাওঁতে ওপৰত কৈ অহা দুটামান কথা পুনৰোক্তি কৰি আপোনালোকক কথাখিনি কোৱা হ'ব। আপোনালোকে ধৰিব পাৰিছে যে, অসমীয়া ভাষা ভাৰতীয় আৰ্য ভাষা গোষ্ঠীৰ অন্যতম এক প্ৰধান ভাষা। ভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিকাশৰ দ্বিতীয় স্তৰ মধ্য ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্গত মাগধী প্ৰাকৃত আৰু অপভ্ৰংশৰ প্ৰাচ্য শাখাৰপৰা খৃষ্টাব্দ দশম শতাব্দীমানত এই ভাষাৰ উদ্ভৱ হয়। কিন্তু অসমীয়া ভাষাৰ নিজস্ব বৈশিষ্ট্যপূৰ্ণ লিখিত সাহিত্যিৰ ধাৰা চতুৰ্দশ শতাব্দীৰপৰাহে প্ৰবাহিত হ'বলৈ ধৰে। দশম শতাব্দীৰপৰা চতুৰ্দশ শতাব্দীৰ ভিতৰৰ সাহিত্যক নিদৰ্শন হিচাপে চৰ্যাপদ আৰু *শ্ৰীকৃষ্ণ কীৰ্তন*ক ধৰিব পাৰি। বৌদ্ধ সিদ্ধসকলৰ ৰচিত গীত 'চৰ্যাপদ'ৰ মাজত আৰু বড়ু চণ্ডীদাসৰ *শ্ৰী কৃষ্ণ কীৰ্তন* নামৰ গ্ৰন্থত এনে কিছুমান ভাষাতাত্ত্বিক বিশেষত্ব আছে যিবোৰৰ দ্বাৰা এই দুখন গ্ৰন্থক প্ৰত্ন অসমীয়াৰ প্ৰথম সাহিত্যিক নিদৰ্শন বুলি ক'ব পৰা যায়। দুয়োখন গ্ৰন্থই অসমীয়া ভাষাৰ উদ্ভৱ আৰু গঠন কালৰ পূৰ্ব ৰূপৰ স্বৰূপ সম্বন্ধে আভাস দিয়ে। চতুৰ্দশ শতাব্দীৰপৰা অসমীয়া ভাষাৰ নিজস্ব ৰূপত সাহিত্য সৃষ্টি হ'বলৈ ধৰে। চতুৰ্দশ শতাব্দীৰপৰা বৰ্তমানলৈকে অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ যি ইতিহাস তাক ভাষাৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি প্ৰাচীন, মধ্য আৰু আধুনিক—এই তিনিটা যুগত ভাগ কৰিব পাৰি। চতুৰ্দশ শতাব্দীৰপৰা ষোড়শ শতাব্দীৰ শেষলৈকে প্ৰাচীন অসমীয়াৰ

যুগ বুলি ধৰা হয়। এই যুগৰ সাহিত্য প্ৰধানতঃ অনুবাদমূলক আৰু ভক্তিধৰ্ম সম্বলিত। ভাষাই এই যুগতে বিকশিত ৰূপ লাভ কৰি সাহিত্যিক ভাবপ্ৰকাশৰ সম্পূৰ্ণ উপযোগী হৈ উঠে। ষোড়শ শতাব্দীৰ শেষৰ ফালে অসমীয়া গদ্যৰো পৰিপূৰ্ণ বিকাশ হয়। সপ্তদশ শতাব্দীৰপৰা ঊনবিংশ শতাব্দীৰ আৰম্ভণিলৈ মধ্য অসমীয়াৰ যুগ। সত্ৰসমূহৰ আশ্ৰয়ত গদ্যত ৰচিত চৰিত সাহিত্য আৰু ৰজাঘৰৰ পৃষ্ঠপোষকতাত কথ্য ভাষাৰ এক পৰিমাৰ্জিত ৰূপত বুৰঞ্জী সাহিত্যৰ উদ্ভৱ হয়। এই স্তৰত অসমীয়া ভাষাই ঐহিক আৰু পৰমাৰ্থিক জগতৰ সকলো প্ৰকাৰ ভাব প্ৰকাশৰ ক্ষমতা অৰ্জন কৰে। ঊনবিংশ শতাব্দীৰ আৰম্ভণিৰপৰা বৰ্তমানলৈকে আধুনিক অসমীয়াৰ যুগ। ঊনবিংশ শতাব্দীৰ মাজভাগত খৃষ্টিয়ান মিছনেৰীসকলে *অৰুনোদই* আলোচনী আৰু বিবিধ গ্ৰন্থ প্ৰকাশ কৰি উলিয়াই আধুনিক অসমীয়া ভাষা সাহিত্যৰ ভেটি নিকপকপীয়াকৈ বান্ধে। এওঁলোকৰ জৰিয়তেই ইংৰাজী শব্দ আৰু বাক্যৰীতি কিছু পৰিমাণে অসমীয়াত সোমাই পৰে আৰু ফলত ভাষাটোৱেও এক নতুন প্ৰকাশৰীতি লাভ কৰে। পৰৱৰ্তী কালত হেমচন্দ্ৰ বৰুৱাকে প্ৰমুখ্য কৰি অনেক বৰেণ্য অসমীয়া লেখকে ভাষাৰ আধুনিক ৰূপটো নিৰ্ধাৰণ কৰি সৰ্বপ্ৰকাৰৰ ভাব প্ৰকাশৰ উপযুক্ত কৰি তোলে।



এইদৰে অসমীয়া ভাষাই প্ৰথমতে ধৰ্মীয় ভাবাপন্ন পদ পুথিৰ ভাষাৰ মাজেদি আৰু পিছত চৰিত পুথি, বুৰঞ্জী সাহিত্য আদি ব্যৱহাৰিক সাহিত্যৰ মাজেদি বিকশিত হৈ শেষত ঊনবিংশ শতাব্দীৰ আৰম্ভণিৰপৰা পাশ্চাত্য সাহিত্যৰ সংস্পৰ্শলৈ আহি নতুন গতি আৰু ৰূপ লাভ কৰে।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

(১) অসমীয়া ভাষাৰ বিকাশৰ ইতিহাসক কি কি যুগত ভাগ কৰিব পাৰি?

......................................................................................................

......................................................................................................

(২) অসমীয়া গদ্যৰ বিকাশ কেতিয়াৰ পৰা হয়?

......................................................................................................

......................................................................................................

(৩) অৰুণোদই যুগত অসমীয়া ভাষাই কেনে পৰিৱৰ্তন লাভ কৰে?

......................................................................................................

......................................................................................................

## ১.১.৫ 'অসম' আৰু 'অসমীয়া' শব্দৰ উৎপত্তি

'অসম' আৰু 'অসমীয়া' এই নাম দুটাৰ উৎপত্তি হোৱা বেছি দিন হোৱা নাই। পূৰ্বতে এই দেশ 'প্ৰাগজ্যোতিষপুৰ' আৰু 'কামৰূপ' নামেৰে খ্যাত আছিল। অসমত আহোমসকলে ৰাজ্য স্থাপন কৰি শাসনৰ বাঘজৰী হাতত লোৱাৰ পিছতহে 'অসম' নামটো লাহে লাহে প্ৰচলিত হয়।

১২২৮ খৃঃত ব্ৰহ্মদেশৰপৰা টাই জাতিৰ কিছু সংখ্যক লোকে এই দেশলৈ আহি ৰাজ্য স্থাপন কৰে। এওঁলোকক পৰৱৰ্তী সময়ত 'আহোম' নামেৰে জনা যায়। স্থানীয় লোকসকলে তেওঁলোকক 'অচম', 'আসম' আদি নামেৰে অভিহিত কৰিছিল। শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাত 'অচম' শব্দটোৰ উল্লেখ পোৱা যায়; ষোড়শ শতাব্দীৰ সূৰ্যখড়ি দৈৱজ্ঞই ৰচনা কৰা *দৰং ৰাজ বংশাৱলী* গ্ৰন্থতো 'অচম' শব্দৰ উল্লেখ কৰিছিল। ৰামচৰণ ঠাকুৰৰ *গুৰু চৰিত*, দৈত্যাৰি ঠাকুৰৰ *শংকৰদেৱ মাধৱদেৱ চৰিত* আদিত 'আসাম', 'আসম', 'অসম' শব্দৰ উল্লেখ পোৱা যায়। *কামৰূপৰ বুৰঞ্জী, অসম বুৰঞ্জীত* এওঁলোকক 'অচম' বুলি উল্লেখ কৰা হৈছে। কিন্তু 'টাই'সকলক কিয় 'অচম', 'আসম' আদি নামেৰে অভিহিত কৰা হৈছিল সেই বিষয়ে ক'তো কোনো বুৰঞ্জীসিদ্ধ তথ্য পোৱা নাযায়। সেয়েহে এই সম্পৰ্কে কেইবাগৰাকী বিশিষ্ট পণ্ডিতে নানাধৰণে বিচাৰ-বিশ্লেষণ কৰি কেইবাটাও অভিমত প্ৰকাশ কৰিছে। বুৰঞ্জীবিদ এডৱাৰ্ড গেইটে টাইসকলক ইয়াৰ স্থানীয় অধিবাসীসকলে তেওঁলোকৰ শৌৰ্য-বীৰ্যৰ প্ৰশংসা স্বৰূপে 'যাৰ সমান নাই' —এই অৰ্থত 'অসম' বুলিছিল বুলি মত প্ৰকাশ কৰিছে। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে কৈছে যে ব্ৰহ্মদেশৰ উজনি অংশৰ টাইসকলক 'ৰ্হাম' (Rham) বোলা হৈছিল; তাৰ পৰাই ক্ৰমাৎ 'আহোম'

আৰু 'অসম' শব্দৰ উৎপত্তি হৈছে। ড° বাণীকান্ত কাকতিয়ে 'অসম' শব্দ 'আছাম' শব্দৰপৰা আহিছে বুলি ব্যাখ্যা কৰিছে। টাই ভাষাত 'ছাম' ধাতুৰ অৰ্থ 'পৰাজিত'; তাৰ আগত অসমীয়া নঞাৰ্থক 'আ' প্ৰত্যয় যোগ কৰিলে হ'ব 'আ-ছাম' অৰ্থাৎ অপৰাজিত। টাইসকলে ক'তো পৰাজয় বৰণ নকৰকৈ এই দেশত ৰাজ্য স্থাপন কৰিছিল বাবেই হয়তো তেওঁলোকক 'আছাম' বোলা হৈছিল; তাৰ পৰাই 'অচম', 'আসাম', 'অসম' শব্দৰ আৰু পিছলৈ 'আহম', 'আহোম' শব্দৰ উৎপত্তি হয়।

বিশিষ্ট টাই ইতিহাসবিদ ড° পদ্মেশ্বৰ গগৈয়ে 'হা-চাম' শব্দৰ পৰা 'অসম' শব্দৰ উৎপত্তি হয় বুলি মত প্ৰকাশ কৰিছে। 'চাম' শব্দই অসমত ৰাজ্য স্থাপন কৰা টাইসকলক বুজাইছিল আৰু 'হা' শব্দৰ অৰ্থ 'মাটি' বা 'পৃথিৱী', 'হা' তিব্বত-বৰ্মী বড়ো পৰিয়ালৰ শব্দ। টাই ফৈদৰ চামসকলে স্থানীয় ফৈদৰ বৰাহী, মৰাণসকলৰ অধিকৃত অঞ্চল দখল কৰিছিল। 'হা-চাম' অৰ্থাৎ 'চামসকলে অধিকাৰ কৰা মাটি'; চামসকলে অধিকাৰ কৰা অঞ্চলকে হয়তো 'হা-চাম' বোলা হৈছিল। পিছলৈ ইয়াৰ পৰাই মানুহখিনিক বুজাবলৈ 'আসাম', 'আসম', 'অচম' আদি শব্দ ব্যৱহাৰ হ'বলৈ ধৰে আৰু শেষত 'অহম', 'আহোম' শব্দৰ উৎপত্তি ঘটে। ইতিহাস পৰ্যবেক্ষণ কৰি এই মতটোৰ যথেষ্ট গুৰুত্ব আছে বুলি ক'ব পৰা যায়। প্ৰথমতে 'আসাম', 'আসম', 'অচম' শব্দই মানুহখিনিক বুজাইছিল যদিও 'আহোম' শব্দৰ বিকাশৰ লগে লগে মানুহখিনিক 'আহোম' বুলি বুজোৱা হ'ল আৰু তেওঁলোকে অধিকাৰ কৰি ৰাজ্য স্থাপন কৰা অঞ্চলক 'আসাম', 'অসম' বুলি বুজোৱা হ'লগৈ। দেশ অৰ্থত 'আসাম' আৰু জাতি অৰ্থত 'অহমিয়া' শব্দৰ ব্যৱহাৰ পোন প্ৰথম অষ্টাদশ শতাব্দীত ৰচিত বুলি অনুমান কৰা কথা 'গুৰু চৰিত' পুথিতে দেখিবলৈ পোৱা যায়। ১৮৭৪ চনত ইংৰাজে যেতিয়া সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা লৈ দেশখন পুনৰ্গঠন কৰিলে তেতিয়া ইংৰাজীত ইয়াৰ নাম কৰা হ'ল Assam। প্ৰথম অৱস্থাত ইংৰাজীৰ অনুসৰণতে 'আসাম' নামটোৰেই প্ৰচলন হৈছিল যদিও পিছত 'অসম' নামটোহে প্ৰতিষ্ঠিত হয়গৈ।

'অসমীয়া' শব্দটো 'অসম' শব্দৰ লগত '-ঈয়া' প্ৰত্যয় যোগ হৈ সাধিত হৈছে। অসমৰ যি ভাষা সিয়ে 'অসমীয়া'। বৰ্তমান এই শব্দই জাতি আৰু ভাষা দুয়োটাকে প্ৰকাশ কৰে।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

(১) অসমত কেতিয়াৰপৰা আহোম ৰাজত্বৰ আৰম্ভণি হয়? তেওঁলোক কোন আৰু ক'ৰপৰা আহিছিল?

......................................................................................................

......................................................................................................

(২) কাকতিৰ মতে 'অসম' শব্দৰ উৎপত্তি ক'ৰ পৰা হয়?

......................................................................................................

......................................................................................................

(৩) 'হা-চাম' শব্দৰ অৰ্থ-কি?

......................................................................................................

......................................................................................................

(৪) 'অসমীয়া' শব্দ কেনেকৈ গঠিত হৈছে?

......................................................................................................

......................................................................................................

## ১.১.৬ শব্দটোকা

**বৈদিক ঃ**

ভাৰতলৈ অহা আৰ্যসকলৰ প্ৰাচীনতম ভাষাৰ নিদৰ্শন পোৱা যায় *ঋক্‌বেদ* নামৰ গ্ৰন্থত। *সাম, যজুঃ,* আৰু *অথৰ্ব* নামেৰে আৰু তিনিখন বেদ আছে। এই তিনিখন বেদৰ ভাষা *ঋক্‌বেদ*ৰ ভাষাতকৈ সামান্য বেলেগ। কাৰণ এই তিনিখন বেদৰ ৰচনা আপেক্ষিকভাৱে পিছৰ কালত হয়। এই বেদৰ ভাষাৰ ৰূপটোক বৈদিক বুলি কোৱা হয়।

**সংস্কৃত ঃ**

আৰ্য সভ্যতা ক্ৰমাগত বিস্তৃত হৈ অহাৰ লগে লগে আৰ্যসকলৰ আদি ভাষা বৈদিকৰো ৰূপান্তৰ হ'বলৈ ধৰে। ধ্বনি আৰু ব্যাকৰণ উভয় স্তৰতে নানা পৰিৱৰ্তন পৰিলক্ষিত হয়। এই পৰিৱৰ্তন বা বিকৃতিৰ পৰা ৰক্ষা কৰিবৰ নিমিত্তে ভাষাটো সংস্কাৰ কৰি নিয়ম শৃংখলাৰ মাজলৈ আনিব লগা হৈছিল। পাণিনি প্ৰমুখ্যে বৈয়াকৰণিকসকলে ইয়াক পৰিমাৰ্জিত ৰূপ দান কৰি শিক্ষিত শিষ্টজনৰ সাহিত্যৰ ভাষা হিচাপে প্ৰতিষ্ঠা কৰে। ইয়াকে সংস্কৃত বুলি জনা যায়।

**প্ৰাচীন ভাৰতীয় আৰ্য ভাষা ঃ**

প্ৰাচীন ভাৰতীয় আৰ্য ভাষা বুলিলে বৈদিক আৰু সংস্কৃত এই দুয়োটা ভাষাকে বুজায়।

**প্ৰাকৃত ঃ**

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ কথ্য ৰূপটো জনসাধাৰণৰ মুখে মুখে বাগৰি সময়ৰ সোঁতত পৰিৱৰ্তন হৈ সৰল হৈ পৰিছিল। এই সৰলীকৃত ৰূপটোকেই প্ৰাকৃত বুলি জনা যায়। চমু কথাত ক'বলৈ হ'লে বৈদিকৰ কথ্য ৰূপৰ পৰিৱৰ্তিত সৰল ৰূপটোৱেই প্ৰাকৃত। পিছৰ কালত প্ৰাকৃত  ভাষাতো নানাধৰণৰ কাব্য আৰু নাটক ৰচিত হৈছে।

পালি সম্ৰাট অশোকে ধৰ্মৰ বাণীসমূহ শিলালেখসমূহত লিপিবদ্ধ কৰিবলৈ প্ৰাকৃতৰ নিচিনা অথচ সামান্য বেলেগ ভাষা এটা ব্যৱহাৰ কৰিছিল। তাকে পালি বুলি জনা যায়।

**মধ্য ভাৰতীয় আৰ্য ভাষা ঃ**

প্ৰাকৃত আৰু পালি দুয়োটাকে বহল অৰ্থত মধ্য ভাৰতীয় আৰ্য ভাষা বুলি উল্লেখ কৰা হয়।

**অপভ্ৰংশ ঃ**

মধ্য ভাৰতীয় আৰ্য ভাষা বা প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশৰ শেষ স্তৰক অপভ্ৰংশ বুলি কোৱা হয়। ই মধ্য ভাৰতীয় আৰ্য ভাষাৰ অধিক সৰলতৰ ৰূপ। অপভ্ৰংশৰ পৰাই আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহৰ উদ্ভৱ হৈছে।

**মহাৰাষ্ট্ৰী প্ৰাকৃত ঃ**

মহাৰাষ্ট্ৰ অঞ্চলত যি প্ৰাকৃত ভাষাই গঢ় লৈ উঠিছিল তাকেই মহাৰাষ্ট্ৰী প্ৰাকৃত বোলা হৈছিল। বিভিন্ন প্ৰাকৃতৰ ভিতৰত মহাৰাষ্ট্ৰী প্ৰাকৃতক শ্ৰেষ্ঠ বুলি বিবেচনা কৰা হৈছিল। প্ৰাকৃত ভাষাৰ সৰ্বশ্ৰেষ্ঠ গীতিকাব্য আৰু মহাকাব্য এই প্ৰাকৃততে ৰচনা কৰা হৈছিল।

**শৌৰসেনী প্ৰাকৃত ঃ**

মথুৰাৰ ওচৰৰ শূৰসেন দেশৰ নামানুযায়ী মধ্যদেশৰ প্ৰাকৃতক শৌৰসেনী প্ৰাকৃত বুলি কোৱা হৈছিল। মহাৰাষ্ট্ৰী প্ৰাকৃতৰ লগত এই প্ৰাকৃতৰ সম্বন্ধ অতি ঘনিষ্ঠ।

**মাগধী প্ৰাকৃত ঃ**

প্ৰাচীন মগধ, বৰ্তমানৰ দক্ষিণ বিহাৰ অঞ্চলক কেন্দ্ৰ কৰি বিকাশ লাভ কৰা প্ৰাকৃতকে মাগধী বোলা হয়। পূব ভাৰতৰ আধুনিক ভাষাবিলাক, যেনে— উড়িয়া, বাংলা, অসমীয়া, মৈথিলী, মগহী আৰু ভোজপুৰীৰ জননী এই প্ৰাকৃততেই।

**হিউৱেন চাং ঃ**

এওঁ চীন দেশৰ এগৰাকী বৌদ্ধধৰ্মী পৰিব্ৰাজক। এওঁ ভাৰতৰ বিভিন্ন প্ৰান্ত পৰিদৰ্শন কৰি এটা সুন্দৰ তথ্যপূৰ্ণ ভ্ৰমণবৃত্তান্ত লিখি থৈ গৈছে। সেই সময়ৰ ভাৰতবৰ্ষৰ ধৰ্ম, ৰাজনীতি, অৰ্থনীতি আৰু সংস্কৃতিৰ বিষয়ে জানিবৰ কাৰণে ই এক আপুৰুগীয়া সম্পদ। কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালত ৬৪৩ খৃঃ মানত হিউৱেন চাং প্ৰাচীন কামৰূপলৈ আহিছিল। এই দেশৰ ভাষা আৰু মানুহৰ বিষয়ে তেওঁৰ উপলব্ধি ভ্ৰমণ বৃত্তান্তত লিপিবদ্ধ কৰি থৈ গৈছে।

**তিব্বত-বৰ্মী ঃ**

পৃথিবীৰ প্ৰধান ভাষাগোষ্ঠীসমূহৰ ভিতৰত অন্যতম উল্লেখযোগ্য গোষ্ঠী হ'ল চীন তিব্বতীয়। ইয়াৰে এটা প্ৰধান শাখা হ'ল তিব্বত-বৰ্মী। কোনো কোনোৱে ইয়াক ভোট বৰ্মী বুলিও উল্লেখ কৰে। এই শাখাৰ ভাষাসমূহ তিব্বতৰ পৰা ব্ৰহ্মদেশ পৰ্যন্ত এই বিশাল অঞ্চলটোত বিয়পি আছে। তিব্বতবৰ্মীৰ ভিতৰুৱা বহুতো ভাষা অসম, নাগালেণ্ড, অৰুণাচল, মণিপুৰ, ত্ৰিপুৰা, মিজোৰাম আদিত প্ৰচলিত আছে। বড়ো, ডিমাচা, কাৰ্বি, মিচিং আদি এই শাখাৰ কেইটামান প্ৰধান ভাষা।

**অষ্ট্ৰিক ঃ**

ই পৃথিৱীৰ আন এটা প্ৰধান ভাষাগোষ্ঠী। এই গোষ্ঠীৰ ভাষাসমূহ ভাৰত, ব্ৰহ্মদেশ, মালয়, ইন্দোনেছীয়াকে ধৰি ফিজি, হাৱাই, তাহিতী প্ৰভৃতি প্ৰশান্ত সাগৰীয় দ্বীপপুঞ্জলৈকে বিয়পি আছে। ভাৰতৰ মধ্য অঞ্চলত প্ৰচলিত চাওতালী, মুণ্ডাৰী, ভূমিজ, হো আদি ভাষা আৰু মেঘালয় ৰাজ্যৰ খাছী আৰু ছিনটেং ভাষা অষ্ট্ৰিক গোষ্ঠীৰ অন্তৰ্গত।

**বড়ো ঃ**

তিব্বত-বৰ্মীৰ অন্তৰ্গত এটা ভাষাপৰিয়াল। তিব্বত-বৰ্মীৰ অন্তৰ্গত যিটো শাখাই ভাৰতবৰ্ষৰ উত্তৰ আৰু উত্তৰ-পূব পথেদি বিশেষকৈ ব্ৰহ্মপুত্ৰ জলপথেদি বিয়পি পৰি বৰ্তমান গোৱালপাৰা, কোকৰাঝাৰ, নলবাৰী, কামৰূপ আৰু দৰং জিলাৰ উত্তৰাঞ্চলত বসতি স্থাপন কৰেহি, তেওঁলোকেই বড়ো। এই বৃহৎ বড়ো পৰিয়ালৰ বিভিন্ন ভগ্নী ভাষাসমূহ হ'ল— বড়ো, ডিমাছা, ৰাভা, কোচ, গাৰো, টিৱা, হাজং, মেছ, টিপৰা, চুতীয়া, মৰাণ আদি। এই ভাষাসমূহ ব্ৰহ্মপুত্ৰ উপত্যকাকে ধৰি গাৰোপাহাৰ, কাছাৰ, ত্ৰিপুৰা, উত্তৰ বংগ আৰু বাংলাদেশ পৰ্যন্ত বিয়পি আছে।

**চৰ্যাপদ ঃ**

চৰ্যাপদ বৌদ্ধ ধৰ্ম-সাধনাৰ গীত। এইবোৰ বৌদ্ধ দোহা নামেৰেও প্ৰসিদ্ধ। সম্ভৱতঃ তান্ত্ৰিক বৌদ্ধসকলৰ অন্যতম মহাপীঠ প্ৰাচীন কামৰূপতে এইবিলাক ৰচনা কৰা হৈছিল। চৰ্যাপদসমূহ ৰচনাৰ সময় দশম-দ্বাদশ শতাব্দীৰ ভিতৰত বুলি অনুমান কৰা যায়। অসমীয়া, বাংলা, ওড়িয়া, মৈথিলী আদি ভাষাই আধুনিক ৰূপ পৰিগ্ৰহ কৰাৰ আগতে এই ভাষাসমূহৰ যি সাধাৰণ প্ৰত্নৰূপ আছিল চৰ্যাপদে তাৰেই প্ৰতিনিধিত্ব কৰে।

**চৰিত সাহিত্য ঃ**

বৈষ্ণৱ ধৰ্ম গুৰুসকলৰ জীৱনৰ বিভিন্ন আলেখ্য আৰু ঘটনাৰ বৰ্ণনা গদ্য আৰু পদ্য উভয়তে বিধৃত কৰা মধ্যযুগৰ এটা বিশেষ পৰম্পৰা আছিল। শ্ৰীমন্ত শংকৰদেৱৰ মৃত্যুৰ পাছত তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱে গুৰুজনাৰ গুণানুকীৰ্তন কৰি চৰিত পাঠ কৰাৰ ৰীতি প্ৰৱৰ্তন কৰে। পিছলৈ মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদি অন্যান্য বৈষ্ণৱ গুৰুসকলৰ চৰিত ৰচনা কৰি পাঠ কৰাৰ নিয়ম প্ৰৱৰ্তিত হয়। কোনো কোনো চৰিত পুথিয়ে একাধিক গুৰুৰ জীৱন চৰিত বৰ্ণনা কৰাৰ লগতে সেই সময়ৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ বহল পৰিচয়ো দাঙি ধৰে। প্ৰথম অৱস্থাত চৰিত পুথিসমূহ কাব্য আকাৰে অৰ্থাৎ পদ্যত ৰচনা কৰা হৈছিল। পিছৰ ফালেহে গদ্যত চৰিত পুথি ৰচনাৰ পৰম্পৰা প্ৰতিষ্ঠিত হয়।

## ১.১.৭ অনুশীলনী

### ১.১.৭.১ বোধজ্ঞানৰ অনুশীলনী

১। ওপৰত দিয়া পাঠটোৰ ভিত্তিত তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক। প্ৰতিটো প্ৰশ্নৰ উত্তৰৰ বাবে তিনিটাকৈ বিকল্প দিয়া আছে। শুদ্ধটো বাচি লৈ ✓ চিন দিয়ক।

(ক) অসমীয়া ভাষা উদ্ভৱ হৈছে

১। বাংলা ভাষাৰ পৰা

২। মহাৰাষ্ট্ৰী প্ৰাকৃতৰ পৰা

৩। মাগধী প্ৰাকৃতৰ পৰা

(খ) অসমীয়া ভাষাৰ উদ্ভৱৰ সময়

১। আনুমানিক দশম শতিকা

২। আনুমানিক সপ্তম শতিকা

৩। আনুমানিক চতুৰ্দশ শতিকা

(গ) অসমীয়া সাহিত্যৰ বিশুদ্ধ ৰূপৰ নিদৰ্শন পোৱা যায়

১। দশম শতিকাৰ পৰা

২। চতুৰ্দশ শতিকাৰ পৰা

৩। যোড়শ শতিকাৰ পৰা

(ঘ) অসমীয়া সাহিত্যৰ আধুনিক যুগটো সূচনা হয়

১। সপ্তদশ শতিকাৰ আৰম্ভণিৰ পৰা

২। ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰা

৩। চতুৰ্দশ শতিকাৰ আৰম্ভণিৰ পৰা

(ঙ) অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট্যৰে সাহিত্যিক ৰূপ লাভ কৰে

১। বৈষ্ণৱ যুগৰ কবিসকলৰ যোগেদি

২। প্ৰাক্ বৈষ্ণৱ যুগৰ কবিসকলৰ যোগেদি

৩। চৰ্যাপদৰ ৰচকসকলৰ যোগেদি

(চ) অপভ্ৰংশ মানে

১। প্ৰাকৃতৰ সৰলতৰ ৰূপ

২। বৈদিকৰ সৰলতৰ ৰূপ

৩। সংস্কৃতৰ সৰলতৰ ৰূপ

(ছ) অসমৰ প্ৰাচীনতম নাম আছিল

১। কামৰূপ

২। প্ৰাগজ্যোতিষপুৰ

৩। আসাম

২। ওপৰৰ পাঠৰ ভিত্তিত তলৰ মন্তব্যবোৰ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

(ক) প্ৰাচীন মগধেই আছিল মাগধী প্ৰাকৃতৰ কেন্দ্ৰভূমি।

(খ) মাগধী প্ৰাকৃতৰ প্ৰাচ্য অপভ্ৰংশৰ মূল ঘাটি আছিল প্ৰাচীন কামৰূপ।

(গ) অসমীয়া ভাষাৰ উদ্ভৱ খৃষ্টীয় চতুৰ্দশ শতাব্দীত হয় বুলি অনুমান কৰা হৈছে।

(ঘ) প্ৰাচীন কামৰূপৰ ৰজাসকলৰ ভূমিদান তামৰ ফলিবোৰৰ ভাষা আছিল অসমীয়া।

(ঙ) চৰ্যাপদৰ ভাষাতাত্ত্বিক বিশেষত্বই অসমীয়া ভাষাৰ গঠনৰ পূৰ্ব ৰূপৰ কোনো আভাস দাঙি ধৰিব নোৱাৰে।

(চ) বুৰঞ্জী আৰু চৰিত পুথিৰ উদ্ভৱ আৰু বিকাশৰ যুগটোকে অসমীয়া ভাষাৰ আধুনিক যুগ বুলি অভিহিত কৰিব পাৰি।

৩। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ একেটা বাক্যতে দিয়ক ঃ

(ক) অসমীয়া ভাষাৰ উদ্ভৱ ক'ৰ পৰা কেনেকৈ হয়?

উত্তৰ ঃ ..........................................................................................

..........................................................................................

(খ) ভাৰতীয় আৰ্য ভাষা বুলিলে কি বুজায়?

উত্তৰ ঃ ..........................................................................................

..........................................................................................

(গ) ভাৰতীয় আৰ্য ভাষাৰ প্ৰাচীন স্তৰক কি কি ভাষাই প্ৰতিনিধিত্ব কৰে?

উত্তৰ ঃ ..........................................................................................

..........................................................................................

(ঘ) মাগধী প্ৰাকৃতৰ প্ৰাচ্য অপভ্ৰংশক ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ে কেইটা ভাগত ভাগ কৰিছে আৰু সেইকেইটা কি কি?

উত্তৰ ঃ ..........................................................................................

..........................................................................................

(ঙ) কামৰূপী প্ৰাকৃত বুলিলে কি বুজা যায় আৰু এই প্ৰাকৃতত ৰচিত পুথি-পাঁজি কিবা আৱিষ্কাৰ হৈছেনে?

উত্তৰঃ ...............................................................................................

...............................................................................................

(চ) চৰ্যাপদ কি আৰু ইয়াৰ ৰচক কোন?

উত্তৰঃ ...............................................................................................

...............................................................................................

(ছ) অসমীয়া ভাষাৰ আধুনিক যুগ কেতিয়াৰ পৰা আৰম্ভ হয়?

উত্তৰঃ ...............................................................................................

...............................................................................................

## ১.১.৭.২ বৈয়াকৰণিক অনুশীলনী

১। অসমীয়া ভাষাত বিভিন্ন সম্বন্ধ বুজাবলৈ বিভিন্নসম্বন্ধ বাচক বিশেষ্য পদ ব্যৱহাৰ কৰা হয়। বয়স আৰু সন্মানভেদে বেলেগ বেলেগ পদ ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে— ককাই-ভাই, বাই-ভনী ইত্যাদি। ই অসমীয়া ভাষাৰ এটা নিজস্ব বৈশিষ্ট্য। ইংৰাজী, হিন্দী আদি ভাষাত এই বৈশিষ্ট্য নাই। ইংৰাজীত Brother শব্দই ককাইদেউ আৰু সৰু ভাই দুয়োটাকে বুজায়। সৰু বা ডাঙৰৰ ভেদ বুজাই ক'ব লাগিলে শব্দটোৰ আগত younger বা elder শব্দ যোগ কৰিব লাগে। কিন্তু অসমীয়াত 'ককাই' বুলিলে নিজতকৈ ডাঙৰ ভাই আৰু 'ভাই' বুলিলে নিজতকৈ সৰু ভাই অৰ্থ আপোনা আপুনি ওলাই পৰে। অসমীয়াত এনেদৰে বয়সত সৰু বা ডাঙৰ সম্বন্ধ বুজাবলৈ বেলেগ বেলেগ শব্দৰ যোৰ ব্যৱহাৰ কৰা হয়।

তলত এনেধৰণে ব্যৱহাৰ হোৱা শব্দৰ যোৰ কিছুমানৰ এটা দিয়া হৈছে। আপোনালোকে লগৰ আনটো সম্বন্ধবাচক শব্দ বিচাৰি উলিয়াওক।

(ক) মহা

(খ) খুৰা

(গ) ভিনিহি

(ঘ) বৰজনা

(ঙ) খুলশালি

২। তলত দিয়া শব্দবিলাক ভাঙি দেখুৱাওক। এটা আৰ্হি দেখুওৱা হৈছে।

আৰ্যমূলীয় ঃ আৰ্য + মূল + ঈয়

ক) দন্তমূলীয় ঃ

খ) অসমীয়া ঃ

গ) তিব্বতীয় ঃ

ঘ) অপৰাজিত ঃ

ঙ) ব্ৰহ্মদেশীয় ঃ

চ) মহাৰাষ্ট্ৰী ঃ

ছ) প্ৰতিষ্ঠিত ঃ

জ) প্ৰাকৃতিক ঃ

ঝ) বৰৰাণী ঃ

ঞ) মাহেকীয়া ঃ

৪। তলত দিয়া শব্দবোৰৰ বানান ভুল হৈ আছে। পাঠৰ শব্দৰ লগত মিলাই চাই বানান শুদ্ধ কৰক।

(ক) তত্তগধূৰ

(খ) যোড়য

(গ) পৰবৰ্তী

(ঘ) ধনি

(ঙ) সবজনস্বীকৃত

(চ) পৰিবাজক

(ছ) ইতিহাসিক

(জ) ব্যাকৰণিক

(ঝ) কৃতিমতা

(ঞ) মনোগ্ৰহী



### ১.১.৭.৩ পঠন অনুশীলনী

১। তলৰ পৰিচ্ছেদটো পঢ়ক আৰু শেষত দিয়া প্ৰশ্নবোৰৰ উত্তৰ কৰক।

অসমীয়া ভাষা আৰ্য ভাষাৰ সন্ততি। খৃঃ পূৰ্ব পঞ্চদশ শতিকা মানত বিভিন্ন সৰু-বৰ দলেৰে ভাৰতত প্ৰৱেশ কৰা আৰ্যসকলৰ যি ভাষা আছিল সেয়েই ভাৰতীয় আৰ্য ভাষা। এই ভাষাৰ প্ৰাচীন স্তৰ বৈদিক আৰু তাৰ পৰৱৰ্তী উপনিষদ, ব্ৰাহ্মণ, পুৰাণ আদিৰ ভাষা সংস্কৃত ভাষাই প্ৰতিনিধিত্ব কৰে। খৃঃ পূঃ ষষ্ঠ শতাব্দী মানত আৰ্য ভাষাই জনসাধাৰণৰ মুখে মুখে বাগৰি ক্ৰমে পৰিৱৰ্তন লাভ কৰি সৰল হৈ পৰে। এয়ে ভাৰতীয় আৰ্য ভাষাৰ দ্বিতীয় বা মধ্যস্তৰ। ইয়াকে 'মধ্য ভাৰতীয় আৰ্য ভাষা' বা 'প্ৰাকৃত' ভাষাৰ স্তৰ বুলিও কোৱা হয়। এই 'প্ৰাকৃত' ভাষাই ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন নামেৰে বিকাশ লাভ কৰি ভাৰতৰ বিভিন্ন অঞ্চলত খ্যাতি লাভ কৰিছিল আৰু সেই সময়ৰ ভাৰতৰ বিভিন্ন আঞ্চলিক নামানুসাৰে নাম পাইছিল। যেনে— মহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী প্ৰাকৃত আদি। কালক্ৰমত, এই প্ৰাকৃত ভাষাবোৰো অধিক সৰল হৈ পৰিছিল। পৰৱৰ্তী কালৰ এই সৰলতৰ স্তৰটোকে 'অপভ্ৰংশ' বোলা হৈছিল। প্ৰাকৃত ভাষাবোৰৰ 'অপভ্ৰংশ' স্তৰৰ পৰাই খৃষ্টীয় দশম শতাব্দী মানত ভাৰতৰ বিভিন্ন অঞ্চলত আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহৰ উদ্ভৱ হয়। উদাহৰণ স্বৰূপে মহাৰাষ্ট্ৰী প্ৰাকৃতৰপৰা মহাৰষ্ট্ৰী অপভ্ৰংশ আৰু তাৰে পৰাই পিছত আধুনিক মাৰাঠী ভাষাৰ উদ্ভৱ হয়। এনেদৰে ভাৰতৰ পূব অঞ্চলৰ প্ৰাচীন মগধত প্ৰচলিত মাগধী প্ৰাকৃতৰ পৰা মাগধী অপভ্ৰংশৰ বিকাশ হয় আৰু ইয়াৰ পৰাই অসমীয়াকে ধৰি পূব ভাৰতৰ আধুনিক আৰ্য ভাষাকেইটাৰ উদ্ভৱ হয়। অসমীয়া ভাষা বৰ্তমান অসম প্ৰদেশৰ স্বীকৃত ৰাজ্যভাষা।

ক) তলত দিয়া শব্দ বা খণ্ডবাক্যবোৰৰ সমাৰ্থক শব্দ বা খণ্ডবাক্য লিখক।

শতিকা ঃ

প্ৰাচীন ভাৰতীয় আৰ্য ভাষা ঃ

প্ৰাকৃতৰ পৰৱৰ্তী কালৰ সৰলতৰ ৰূপ ঃ

খ) ওপৰৰ পৰিচ্ছেদটো মুখবন্ধৰ প্ৰথম পৰিচ্ছেদৰ লগত মিলাওক আৰু যি যি বাক্য/বাক্যাংশ মূল মুখবন্ধৰ লগত নিমিলে সেইবিলাকৰ তলত ৰেখাংকিত কৰক।

গ) আধুনিক ভাৰতীয় আৰ্য ভাষা হিচাপে অসমীয়াৰ উদ্ভৱ কেতিয়া হয়?

ঘ) অসমীয়া ভাষা ক'ৰ ৰাজ্যভাষা?

ঙ) মহাৰাষ্ট্ৰী আৰু মাগধী প্ৰাকৃতৰপৰা কি কি আধুনিক ভাৰতীয় আৰ্য ভাষা ওলাইছে?

চ) প্ৰাকৃত ভাষাসমূহ কোন সময়ত উৎপত্তি হয়?

ছ) আধুনিক ভাৰতীয় আৰ্য ভাষাবোৰ প্ৰাকৃতৰ কোন স্তৰৰপৰা উৎপত্তি হৈছে?

### ১.১.৭.৪ লিখন অনুশীলনী

১। মূল পাঠৰ কথাখিনি পঢ়ি লওক আৰু নিজৰ কথাৰে চমুৱাই লিখক।

২। পাঠত সন্নিৱিষ্ট কৰাৰ দৰে অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ যুগকেইটা সময় অনুযায়ী ভাগ কৰি লিখক।

৩। মাগধী প্ৰাকৃত ক'ৰ প্ৰাকৃত আছিল আৰু কোন কোন ফালে বিস্তাৰ লাভ কৰি কি কি ভাষাৰ জন্ম দিয়ে লিখক।

৪। 'প্ৰাকৃত' আৰু 'সংস্কৃত' শব্দ দুটাৰ তাৎপৰ্য ব্যাখ্যা কৰক।

৫। অসমীয়া ভাষাৰ বৈশিষ্ট্য কেইটামান চমুৱাই লিখক।

৬। চৰ্যাপদ কি আৰু ইয়াৰ লগত থকা অসমীয়া ভাষাৰ সাদৃশ্য কেইটামান লিখি উলিয়াওক।

৭। 'আসাম', 'অসম' শব্দই প্ৰথমতে কি বুজাইছিল আৰু বৰ্তমান এই শব্দই কেনেদৰে ৰূপ লৈ কি বুজাইছে আলোচনা কৰক।

৮। ভাৰতীয় আৰ্য ভাষাৰ পৰা অসমীয়া ভাষাৰ উৎপত্তি পৰ্যন্ত ক্ৰমবিকাশৰ বিষয়ে লিখক।

৯। 'অসম' শব্দৰ উৎপত্তি সম্পৰ্কে আপোনাৰ নিজা মত কিবা আছে যদি ভালদৰে ফঁহিয়াই আলোচনা কৰক।

১০। চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্য সম্পৰ্কে দহোটামান বাক্যত লিখক।

১১। তলৰ পৰিচ্ছদটো পঢ়ক। মাজে মাজে খালী ঠাই আছে। সেইবোৰত উপযুক্ত কি শব্দ বহিব পাৰে কল্পনা কৰি লৈ পৰিচ্ছেদটো সম্পূৰ্ণৰূপে লিখক।

"বেণীমাধৱ বৰুৱা, ডিম্বেশ্বৰ নেওগ আদি পণ্ডিতৰ মতে অসমীয়া ভাষা কামৰূপী প্ৰাকৃত নামেৰে প্ৰাচীন ........ ৰাজ্যত বিকশিত অন্য এক ............ পৰা উৎপত্তি হয়। কিন্তু '......... প্ৰাকৃত' বুলি অভিহিত কৰা প্ৰাকৃতত লিখা কোনো ............. বৰ্তমানলৈ আৱিষ্কাৰ নোহোৱাত আৰু প্ৰাচীন ......... সকলেও 'কামৰূপী প্ৰাকৃত'ৰ কোনো উল্লেখ ........... এই প্ৰাকৃতৰ উদ্ভৱ ক'ৰ পৰা কেনেদৰে হ'ল আৰু ইয়াৰ বৈশিষ্ট্যনো কি সেই বিষয়ে ............ ক'ব পৰা নাযায়। গতিকে কামৰূপী প্ৰাকৃতৰ পৰা অসমীয়া ভাষাৰ উৎপত্তি হোৱা মতটো .......... স্বীকৃত হোৱা নাই।"

## ১.১.৮ উত্তৰ সংকেত

### ১.১.৮.১ বোধজ্ঞানৰ অনুশীলনী

১। (ক) ১। বাংলা ভাষাৰ পৰা
২। মহাৰাষ্ট্ৰী প্ৰাকৃতৰ পৰা
৩। মাগধী প্ৰাকৃতৰ পৰা ✓

(খ) ১। আনুমানিক দশম শতিকা ✓
২। আনুমানিক সপ্তম শতিকা
৩। আনুমানিক চতুৰ্দশ শতিকা

(গ) অসমীয়া সাহিত্যৰ বিশুদ্ধ ৰূপৰ নিদৰ্শন পোৱা যায়
১। দশম শতিকাৰ পৰা
২। চতুৰ্দশ শতিকাৰ পৰা ✓
৩। ষোড়শ শতিকাৰ পৰা

(ঘ) ১। সপ্তদশ শতিকাৰ আৰম্ভণিৰ পৰা
২। ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰা ✓
৩। চতুৰ্দশ শতিকাৰ আৰম্ভণিৰ পৰা

(ঙ) অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট্যৰে সাহিত্যিক ৰূপ লাভ কৰে
১। বৈষ্ণৱ যুগৰ কবিসকলৰ যোগেদি
২। প্ৰাক্ বৈষ্ণৱ যুগৰ কবিসকলৰ যোগেদি ✓
৩। চৰ্যাপদৰ ৰচকসকলৰ যোগেদি

(চ) ১। প্ৰাকৃতৰ সৰলতৰ ৰূপ ✓

২। বৈদিকৰ সৰলতৰ ৰূপ

৩। সংস্কৃতৰ সৰলতৰ ৰূপ

(ছ) ১। কামৰূপ

২। প্ৰাগজ্যোতিষপুৰ ✓

৩। আসাম



২। (ক) প্ৰাচীন মগধেই আছিল মাগধী প্ৰাকৃতৰ কেন্দ্ৰভূমি। —শুদ্ধ

(খ) মাগধী প্ৰাকৃতৰ প্ৰাচ্য অপভ্ৰংশৰ মূল কেন্দ্ৰ আছিল প্ৰাচীন কামৰূপ। —শুদ্ধ

(গ) অসমীয়া ভাষাৰ উদ্ভৱ খৃষ্টীয় চতুৰ্দশ শতাব্দীত হয় বুলি অনুমান কৰা হৈছে। —অশুদ্ধ

(ঘ) প্ৰাচীন কামৰূপৰ ৰজাসকলৰ ভূমিদান তামৰ ফলিবোৰৰ ভাষা আছিল অসমীয়া। —অশুদ্ধ

(ঙ) চৰ্য্যাপদৰ ভাষাতাত্ত্বিক বিশেষত্বই অসমীয়া ভাষাৰ গঠনৰ পূৰ্ব ৰূপৰ কোনো আভাস দাঙি ধৰিব নোৱাৰে। —অশুদ্ধ

(চ) বুৰঞ্জী আৰু চৰিত পুথিৰ উদ্ভৱ আৰু বিকাশৰ যুগটোকে অসমীয়া ভাষাৰ আধুনিক যুগ বুলি অভিহিত কৰিব পাৰি। —অশুদ্ধ

৩। (ক) অসমীয়া ভাষাৰ উদ্ভৱ মাগধী প্ৰাকৃত আৰু ইয়াৰ অপভ্ৰংশৰ প্ৰাচ্য শাখাৰ পৰা হয়।

(খ) খৃঃ পূৰ্ব পঞ্চদশ শতাব্দীমানত ভাৰতত প্ৰৱেশ কৰি বসতি স্থাপন কৰা আৰ্যসকলৰ যি ভাষা আছিল সিয়েই ভাৰতীয় আৰ্য ভাষা।

(গ) ভাৰতীয় আৰ্য ভাষাৰ প্ৰাচীন স্তৰক বৈদিক আৰু সংস্কৃত ভাষাই প্ৰতিনিধিত্ব কৰে।

(ঘ) মাগধী প্ৰাকৃতৰ প্ৰাচ্য অপভংশক ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ে চাৰিটা ভাগত ভাগ কৰিছে আৰু সেইকেইটা হ'ল ৰাঢ়, বাৰেন্দ্ৰ, বঙ্গ আৰু কামৰূপ।

(ঙ) প্ৰাচীন কামৰূপত আৰ্য ভাষাৰ বিৱৰ্তিত হৈ যি এটা প্ৰাকৃতৰ উদ্ভৱ হয় বুলি অনুমান কৰা হয়, তাৰ নামেই কামৰূপী প্ৰাকৃত। এই প্ৰাকৃতত ৰচনা কৰা সমল আৱিষ্কাৰ হোৱা নাই।

(চ) চৰ্যাপদ বৌদ্ধধৰ্মৰ ধৰ্ম সাধনাৰ গীত আৰু এইবোৰ বৌদ্ধ সিদ্ধাচাৰ্যসকলে ৰচনা কৰিছিল।

(ছ) অসমীয়া ভাষাৰ আধুনিক যুগটো ঊনবিংশ শতাব্দীৰ আৰম্ভণিৰপৰা আৰম্ভ হয়।

## ১.১.৮.২ বৈয়াকৰণিক অনুশীলনী

১। ক) মহা - জেঠা

খ) খুৰা - বৰদেউতা

গ) ভিনিহি - বৈনাই

ঘ) বৰজনা - দেৰৰ

ঙ) খুলশালি - জেঠেৰী

২। ক) দন্ত + মূল + ঈয়

খ) অসম + ঈয়া

গ) তিব্বত + ঈয়

ঘ) অ + পৰাজিত

ঙ) ব্ৰহ্ম + দেশ + ঈয়

চ) মহাৰষ্ট্ৰ + ঈ

ছ) প্ৰতিষ্ঠা + ইত

জ) প্ৰকৃতি + ষ্ণিক + ইক

ঝ) বৰুৱা + নী

ঞ) মাহ + এক + ঈয়া

৪। ক) তত্ত্বগধুৰ
খ) ষোড়শ
গ) পৰৱৰ্তী
ঘ) ধ্বনি
ঙ) সৰ্বজন-স্বীকৃত
চ) পৰিব্ৰাজক
ছ) ঐতিহাসিক
জ) বৈয়াকৰণিক
ঝ) কৃত্ৰিমতা
ঞ) মনোগ্ৰাহী

## ১.১.৮ অতিৰিক্ত, পঠন উপদেশ

অসমীয়া ভাষাৰ উৎপত্তি, গঠন আদিৰ সম্পৰ্কে ভালদৰে জানিবৰ কাৰণে তলত নাম দিয়া গ্ৰন্থকেইখন পঢ়িব পাৰে।

১। Assamese, Its Formation and Development : By Dr. B. K. Kakati ঃ প্ৰথম ৬৭ পৃষ্ঠা মাত্ৰ।
২। অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব ঃ কালিৰাম মেধি।
৩। অসমীয়া ভাষা আৰু সংস্কৃতি ঃ ড° বিৰিঞ্চি কুমাৰ বৰুৱা
৪। ভাৰতীয় ভাষাৰ পৰিচয় ঃ ড° নগেন ঠাকুৰ
৫। অসমীয়া ভাষাৰ ইতিহাস ঃ ড° ৰমেশ পাঠক
৬। ভাষা-বিজ্ঞান ঃ ড° উপেন্দ্ৰ নাথ গোস্বামী
৭। অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ ড° মহেশ্বৰ নেওগ
৮। অসমীয়া সাহিত্যৰ ইতিবৃত্ত ঃ ড° সত্যেন্দ্ৰ নাথ শৰ্মা

# খণ্ড - ১ গোট - II : অসমীয়া সাহিত্যৰ বিকাশ ঃ এটি অৱলোকন
## (Development of Assamese Literature : A General Overview)

## গাঁথনি


১.২.১ পাতনি

  ১.২.১.১ পৰিচয়

  ১.২.১.২ উদ্দেশ্যাৱলী

১.২.২ অসমীয়া ভাষাৰ উৎপত্তি আৰু সাহিত্যৰ যুগ বিভাগ

১.২.৩ অসমীয়া লোক-সাহিত্য

১.২.৪ অসমীয়া সাহিত্যৰ আদি যুগ

১.২.৫ অসমীয়া সাহিত্যৰ মধ্য যুগ

  ১.২.৫.১ শংকৰদেৱৰ পূৰ্বৱৰ্তী কালৰ সাহিত্য

  ১.২.৫.২ শংকৰদেৱৰ সমকালীন সাহিত্য

  ১.২.৫.৩ শংকৰদেৱৰ পৰৱৰ্তী কালৰ সাহিত্য

১.২.৬ আধুনিক অসমীয়া সাহিত্য

  ১.২.৬.১ মিছনেৰীসকলৰ সাহিত্য আৰু হেমচন্দ্ৰ গুণাভিৰামৰ কাল

  ১.২.৬.২ ৰোমাণ্টিক যুগ

  ১.২.৬.৩ সাম্প্ৰতিক সাহিত্য

১.২.৭ শব্দ টোকা

১.২.৮ অনুশীলনী

  ১.২.৮.১ বোধজ্ঞান অনুশীলনী

  ১.২.৮.২ ব্যাকৰণৰ অনুশীলনী

  ১.২.৮.৩ পঠন অনুশীলনী

  ১.২.৮.৪ লিখন অনুশীলনী

১.২.৯ উত্তৰ সংকেত

১.২.১০ অতিৰিক্ত পঠন উপদেশ


ignou THE PEOPLE'S UNIVERSITY

## ১.২.১ পাতনি

### ১.২.১.১ পৰিচয়

অসমীয়া সাহিত্য অসমীয়া ভাষাৰ ডেৰ হাজাৰ বছৰ বা ততোধিক কালজোৰা পৰিক্ৰমা আৰু উত্থান-পতনৰ ফল। খৃষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰেপৰা অসমত শিলালিপি লিখনৰ প্ৰমাণ পোৱা যায়। এই ভূখণ্ডত ৰাজত্ব কৰা ৰজাসকলৰ পৃষ্ঠপোষকতাত লিখিত লিপিসমূহক সাহিত্য আখ্যা দিব পৰা নাযায় যদিও খৃষ্টীয় ৪ৰ্থ শতিকা বা তাৰো আগৰেপৰাই অসমত লিখন-পঠনৰ পৰম্পৰা আছিল বুলি পুৰাতাত্ত্বিক, ঐতিহাসিক আদি বিবিধ ৰূপৰ প্ৰমাণ পোৱা যায়। অসমীয়া সাহিত্যক ৰূপৰ ফালৰপৰা মৌখিক বা লোক-সাহিত্য আৰু লিখিত সাহিত্য— এই দুটা ভাগতো ভগাব পাৰি। সেইদৰে অসমীয়া সাহিত্যৰ পৰম্পৰাৰ পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য কৰি কেইবাটাও ভাগত ভগাব পাৰি—

১) উদ্ভৱকালৰ সাহিত্য

২) শঙ্কৰদেৱৰ পূৰ্বকালৰ সাহিত্য,

৩) শঙ্কৰদেৱৰ সমকালীন যুগৰ সাহিত্য,

৪) শঙ্কৰদেৱৰ পৰৱৰ্তী কালৰ সাহিত্য,

৫) আধুনিক অসমীয়া সাহিত্য।

অসমীয়া ভাষা আৰ্য্যভাষা সম্ভূত যদিও এই ভাষা উত্তৰ ভাৰতৰপৰা অহা আৰ্য্যভাষা-ভাষীসকলৰ স্বকীয় সৃষ্টি বুলি ক'লেও ভুল নহ'ব। এক কথাত প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষাবিশেষে ক্ৰম পৰিৱৰ্তনৰ মাজেদি আহি খ্ৰীষ্টীয় দশম-একাদশ শতিকামানত অসমীয়া ৰূপ ল'বলৈ আৰম্ভ কৰে। ভাষা বিচাৰৰ দৃষ্টিভংগীৰে চালে এটা কথা ক'ব পাৰি যে বৈদিক যুগত প্ৰচলিত কথিত আৰ্য্য ভাষাই ক্ৰমে পৰিৱৰ্তিত হৈ প্ৰাকৃত ভাষাৰূপে অভিহিত হয়। এই প্ৰাকৃত ভাষাই পাছলৈ অপভ্ৰংশত পৰিণত হয়। পাৰিপাৰ্শ্বিক অৱস্থা আৰু জনসাধাৰণৰ উচ্চাৰণৰ বৈশিষ্ট্য অনুসৰি বিভিন্ন অঞ্চলৰ প্ৰাকৃত ভাষাই বিভিন্নতা লাভ কৰিলে। এই বিষয়ে আপোনালোকে প্ৰথম গোটত নিশ্চয় পঢ়িবলৈ পাইছে। সাহিত্য সৃষ্টিৰ কথা ক'বলৈ গ'লে দৰাচলতে বৃহত্তৰ কামৰূপ-কমতা অঞ্চলেই হৈছে অসমীয়া সাহিত্যৰ মূল ভৌগোলিক পৃষ্ঠভূমি।

### ১.২.১.২ উদ্দেশ্যাৱলী

- অসমীয়া সাহিত্যৰ বিষয়ে পৰিচয়মূলক ধাৰণা দিয়া।
- অসমীয়া সাহিত্যৰ বিকাশৰ বিষয়ে এটি ধাৰণা দিয়া।

## ১.২.২ অসমীয়া ভাষাৰ উৎপত্তি আৰু সাহিত্যৰ যুগ বিভাগ

ইতিমধ্যে কোৱা হৈছে যে, প্ৰাচীন আৰ্য্যভাষাৰপৰা প্ৰাকৃতৰ মাজেদি অসমীয়া ভাষাৰ উৎপত্তি হৈছে। বিভিন্ন পণ্ডিতৰ বিভিন্ন মন্তব্যৰ আধাৰত এটা কথা ক'ব পৰা যায় যে মাগধী প্ৰাকৃতেই হ'ল অসমীয়া ভাষাৰ মূল। অৱশ্যে এইক্ষেত্ৰত দেখা যায় অসমীয়া ভাষাই ক্ৰমবিকাশৰ বিভিন্ন স্তৰত বিভিন্ন আঞ্চলিক, থলুৱা উপাদান গ্ৰহণ কৰিছে। পণ্ডিতসকলে আগবঢ়োৱা মন্তব্য অনুসৰি মগধকেন্দ্ৰিক প্ৰাচ্য উপভাষাই বিশাল জনজাতীয় লোকৰ মাজত বিকাশ লাভ কৰে। এই ভাষাই বিভিন্ন ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক পৰিৱৰ্তনৰে সপ্তম শতিকামানৰপৰা এক সুকীয়া ৰূপ পৰিগ্ৰহণ কৰিছে। সম্ভৱতঃ দশম-একাদশ শতিকামানৰ ভিতৰত মাগধী প্ৰাকৃতৰ পূৰ্ব মাগধী অপভ্ৰংশৰপৰা নানা স্থানগত বৈশিষ্ট্যৰে অসমীয়া ভাষাই স্বতন্ত্ৰ ৰূপত আত্মপ্ৰকাশ কৰে।

অসমীয়া ভাষাৰ ইতিহাসক ড° বাণীকান্ত কাকতিয়ে তিনিটা প্ৰধান ভাগত ভাগ কৰিছে—

১) প্ৰাচীন অসমীয়া
২) মধ্য অসমীয়া
৩) আধুনিক অসমীয়া

খৃষ্টীয় ৭ম শতিকামানৰপৰা অসমীয়া ভাষাই স্বকীয়তা লাভ কৰি আগবাঢ়ি যায়। ভাষাৰ সৃষ্টিৰ লগে লগে সাধাৰণতে লিখিত সাহিত্যৰ সৃষ্টি নহয়। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ আলোচনাৰ সুবিধাৰ্থে তলত দিয়া ধৰণে যুগ বিভাগ কৰিব পাৰি—

১) আদি যুগ ঃ চৰ্য্যাপদ, শ্ৰীকৃষ্ণ কীৰ্ত্তন, শূন্যপুৰাণ আদি
২) মধ্য যুগ ঃ শংকৰদেৱৰ পূৰ্ব্বৱৰ্তী কালৰ সাহিত্য,
শংকৰদেৱৰ সমকালীন সাহিত্য,
শংকৰদেৱৰ পৰৱৰ্তী কালৰ সাহিত্য।
৩) আধুনিক যুগ ঃ মিছনেৰীসকলৰ সাহিত্য আৰু হেমচন্দ্ৰ গুণাভিৰামৰ কাল
ৰোমাণ্টিক যুগ,
সাম্প্ৰতিক কাল।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১। অসমীয়া ভাষাৰ ইতিহাসক ড° বাণীকান্ত কাকতিয়ে কি কি ভাগত ভাগ কৰিছে?

..........................................................................................................

..........................................................................................................

..........................................................................................................

২। অসমীয়া সাহিত্যক কিদৰে যুগ বিভাজন কৰিব পাৰি?

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................



## ১.২.৩ অসমীয়া লোক-সাহিত্য

লিখিত ভাষা পৰম্পৰা সৃষ্টিৰ আগতেই মানুহৰ মুখে মুখে গীত-মাত, সাধুকথা আদিৰ প্ৰচলন আছিল। এনে ধৰণৰ পুৰুষানুক্ৰমে চলি অহা সাহিত্যকেই মৌখিক সাহিত্য বুলি ক'ব পাৰি। লোক-সাহিত্যৰ ভিতৰত প্ৰধানকৈ এইকেইবিধ পৰে—

১) লোকগীত,

২) ফকৰা-যোজনা, প্ৰবাদ-প্ৰৱচন, ডাকৰ বচন, সাঁথৰ আদি

৩) লোককথা

৪) মন্ত্ৰ সাহিত্য

লোকগীতবোৰক প্ৰধানকৈ তিনিটা শ্ৰেণীত ভগাব পাৰি—

১) অনুষ্ঠানমূলক (যেনে ঃ বিহুগীত, আইনাম, বিয়ানাম আদি),

২) আখ্যানমূলক গীত বা মালিতা বা বেলাড (মণিকোঁৱৰৰ গীত, শান্তি বাৰমাহীৰ গীত, বৰফুকনৰ গীত আদি),

৩) বিবিধ বিষয়ক (নিচুকনি গীত, গৰখীয়া গীত, নাও খেলোৱা গীত আদি)।

অনুষ্ঠানমূলক লোকগীতবোৰ একোটা অনুষ্ঠানক কেন্দ্ৰ কৰি পৰিবেশন কৰা হয়। অসমীয়া অনুষ্ঠানমূলক লোকগীতবোৰৰ ভিতৰত বিহুৰ সময়ত ঢোল, পেঁপা আদি বাদ্যযন্ত্ৰৰে গোৱা বিহুগীতবোৰ একপ্ৰকাৰ প্ৰেম আৰু উদ্দাম যৌৱনৰ উন্মুক্ত প্ৰকাশ। আইনাম, সুবচনীৰ গীত, অপেশ্বৰা সবাহৰ গীত আদি কেতবোৰ নাৰীকেন্দ্ৰিক ভক্তিমূলক অনুষ্ঠানৰ গীত। সেইদৰে বিবাহ অনুষ্ঠানত আয়তীসকলে গোৱা গীতবোৰ অসমীয়া লোক সাহিত্যৰ মূল্যৱান সম্পদ। আখ্যানমূলক গীতৰ ভিতৰত বৰফুকনৰ গীত, হৰদত্ত-বীৰদত্তৰ গীত, মণিৰাম দেৱানৰ গীত, গৌৰীনাথ সিংহৰ গীত, গান্ধী বন্দনাৰ গীত, কন্যা বাৰমাহী, দুবলা শান্তিৰ গীত, লীলাৱতীৰ গীত, জয়ধন বণিয়াৰ গীত বিশেষভাৱে উল্লেখযোগ্য। বিভিন্ন মাহৰ প্ৰাকৃতিক পৰিৱৰ্তন আৰু সৌন্দৰ্য্যই ঘৰত আবদ্ধ হৈ থকা বিৰহিনী নাৰীৰ অন্তৰত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে তাৰ সুন্দৰ চিত্ৰ বাৰমাহী গীতত পোৱা যায়। দেহবিচাৰৰ গীতসমূহ একপ্ৰকাৰ আধ্যাত্মিক ভাবব্যঞ্জক গীত। মানৱ দেহৰ বিভিন্ন প্ৰসংগসমূহত আধ্যাত্মিক দেহতত্ত্বৰ বিচাৰেৰে এই গীতবোৰত উপস্থাপন কৰা হয়। আনহাতে অসমীয়া সাহিত্য প্ৰবাদ-প্ৰবচন, ফকৰা যোজনা আদি লোকোক্তিসমূহৰ দিশৰ পৰাও অত্যন্ত চহকী। ডাকৰ বচনসমূহ সমাজৰ বিশেষকৈ কৃষিপ্ৰধান সমাজৰ সকলো লাগতিয়াল আৰু ব্যৱহাৰিক জ্ঞানৰ ভাণ্ডাৰ। ইয়াত ধৰ্ম প্ৰকৰণ, নীতি প্ৰকৰণ, ৰাজনীতি প্ৰকৰণ, ৰন্ধন প্ৰকৰণ, গৃহিণী লক্ষণ, কৃষি লক্ষণ, জ্যোতিষ প্ৰকৰণ, স্বাস্থ্য প্ৰকৰণ আদিৰ বিভিন্ন অভিজ্ঞতাপ্ৰসূত উপদেশ পোৱা যায়। এইসমূহৰ মাজত অসমৰ সমাজ, সংস্কৃতি আৰু ইতিহাসৰ নানা সমল বিচাৰি পোৱা যায়। সাঁথৰসমূহ হৈছে লোকজীৱনৰ বুদ্ধিমত্তা আৰু জ্ঞানৰ ভাণ্ডাৰ স্বৰূপ। মন্ত্ৰসমূহৰ ৰচনাকাল সঠিকভাৱে নিৰ্ণয় কৰা টান। তথাপি মৌখিক গীতৰ দৰে ইয়াৰ ভাষাৰ আমূল পৰিৱৰ্তন ঘটা নাই। পদ্য আৰু গদ্য উভয় ৰূপতে মন্ত্ৰ পোৱা যায়। অষ্টম-নৱম শতিকাত শংকৰাচাৰ্য্য কামৰূপলৈ আহোঁতে কামৰূপৰ অভিনৱ আচাৰ্য্যই অভিচাৰ মন্ত্ৰেৰে তেওঁৰ ভগন্দৰ ৰোগ জন্মাইছিল বুলি *শংকৰ দিগ্বিজয়* গ্ৰন্থত উল্লেখ আছে। খৃষ্টীয় দশম-একাদশ শতিকামানৰ পৰাই অসমত মন্ত্ৰৰ ব্যাপক প্ৰচলন হ'বলৈ ধৰে। এনেদৰে বিভিন্ন সমলেৰে অসমীয়া লোক সাহিত্য সমৃদ্ধ হৈ আছে।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১। অসমীয়া লোক সাহিত্যক কি কি ভাগ কৰিব পাৰি?

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

২। অসমীয়া লোকগীতক কিদৰে শ্ৰেণী বিভাজন কৰিব পাৰি?

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

## ১.২.৪ অসমীয়া সাহিত্যৰ আদি যুগ

অসমীয়া সাহিত্যৰ আদিযুগ বুলি কোৱাৰ লগে লগে এনে এক শ্ৰেণীৰ সাহিত্যৰ কথা মনলৈ আহে, যিসমূহ অসমীয়া, বঙলা, ওড়িয়া আদি কেইবাটাও ভাষাই নিজৰ সম্পদ বুলি দাবী কৰে। এনে সাহিত্যৰ ভিতৰত চৰ্যাপদসমূহৰ কথা বিশেষভাৱে উল্লেখযোগ্য। ১৯০৭ চনত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজদৰবাৰ গ্ৰন্থালয়ৰপৰা চৰ্য্যাপদ বা বৌদ্ধগানসমূহ উদ্ধাৰ কৰি *হাজাৰ বৎসৰেৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধগান ও দোহা* নামেৰে ১৯১৬ চনত প্ৰকাশ কৰে। এই বিশেষ গ্ৰন্থখন প্ৰকাশৰ পাছতে ভাষাবিদসকলে অসমীয়া, বাংলা আদি ভাষাৰ উৎপত্তি সম্বন্ধীয় ধাৰণাসমূহ নতুনকৈ পৰ্য্যালোচনা কৰিবলে বাধ্য হয়। দৰাচলতে এইবোৰ সেই সময়ৰ ৰচনা যেতিয়া অসমীয়া, বাংলা, ওড়িয়া আদি ভাষাবোৰে একোটা স্বতন্ত্ৰ ভাষা হিচাপে প্ৰতিষ্ঠা লাভ কৰা নাছিল। এই সকলোবোৰ ভাষাৰে সাধাৰণ আদিৰূপটোৱেই আছিল চৰ্যাপদৰ ভাষা। এই গীতবোৰ মূলতঃ বৌদ্ধ ধৰ্মৰ বিভিন্ন প্ৰসংগ বৰ্ণনা কৰা গীত। এইসমূহৰ বিষয়ে আপোনালোকে তৃতীয় গোটত এটা সাধাৰণ আভাস পাব।

চৰ্যাপদৰ লগতে বড়ু চণ্ডীদাসৰ *শ্ৰীকৃষ্ণ কীৰ্তন* পুথিও অসমীয়া তথা বাংলা উভয় সাহিত্যই নিজৰ বুলি দাবী কৰে। এই কাব্যখনৰ ভাষা লৌকিক আৰু ইয়াৰ সময় চৰ্যাপদৰ কিছু পাছৰ যেন ধাৰণা হয়। একেদৰে *গোপীচন্দ্ৰৰ গান*, ৰামাই পণ্ডিতৰ *শূন্য পুৰাণ* আদিত অসমীয়া, বংলা আদি উভয় ভাষাৰ নিদৰ্শন থকা বাবে এইবোৰক মিশ্ৰ ভাষাৰ সাহিত্য হিচাপে ধৰা হয়।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১। চৰ্যাপদসমূহ প্ৰথমে কোনে উদ্ধাৰ কৰি প্ৰকাশৰ ব্যৱস্থা কৰিছিল?

....................................................................................................

....................................................................................................

....................................................................................................

২। অসমীয়া সাহিত্যৰ আদিযুগৰ তিনিখন গ্ৰন্থৰ নাম লিখক?

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................



## ১.২.৫ অসমীয়া সাহিত্যৰ মধ্য যুগ

অসমীয়া সাহিত্যৰ মধ্য যুগটোক (ক) শংকৰদেৱৰ পূৰ্বৱৰ্তী কালৰ সাহিত্য (খ) শংকৰদেৱৰ সমকালীন সাহিত্য আৰু (গ) শংকৰদেৱৰ পৰৱৰ্তী কালৰ সাহিত্য— এইকেইটা বহল ভাগত ভগাব পাৰি।

### ১.২.৫.১ শংকৰদেৱৰ পূৰ্বৱৰ্তী কালৰ সাহিত্য

শংকৰদেৱৰ পূৰ্বৱৰ্তী কালছোৱাত অসমীয়া সাহিত্যৰ পাঁচগৰাকী কবিৰ সাহিত্য পোৱা যায়। এই কবিকেইগৰাকী হৈছে—১। হেম সৰস্বতী, ২। ৰুদ্ৰ কন্দলী, ৩। হৰিহৰ বিপ্ৰ, ৪। কবিৰত্ন সৰস্বতী আৰু ৫। মাধৱ কন্দলী।

হেম সৰস্বতীয়ে কমতাৰ ৰজা দুৰ্লভ নাৰায়ণৰ পৃষ্ঠপোষকতাত *প্ৰহ্লাদ চৰিত্ৰ* আৰু *হৰগৌৰী সম্বাদ* ৰচনা কৰে। তেওঁ *বামন পুৰাণ*ৰপৰা *প্ৰহ্লাদ চৰিত্ৰ*ৰ ঘটনা লোৱা বুলি উল্লেখ আছে। এইখন এখন সৰু বৰ্ণনাত্মক কাব্য। সেইদৰে *হৰগৌৰী সম্বাদ*ত তাৰকাসুৰৰ অত্যাচাৰ, শিৱৰ তপস্যা আদিৰ বিৱৰণ পোৱা যায়। তেনেকৈ ৰুদ্ৰ কন্দলীয়ে দ্ৰোণপৰ্বৰ অন্তৰ্গত জয়দ্ৰথ নামৰ উপপৰ্বৰ ভিতৰুৱা যুযুধান বা সাত্যকিৰ যুদ্ধযাত্ৰা আৰু বীৰত্বব্যঞ্জক বৰ্ণনা অনুবাদ কৰিছে। হৰিবৰ বিপ্ৰৰ *বভ্ৰুবাহনৰ যুদ্ধ* আৰু *লৱ-কুশৰ যুদ্ধ* নামৰ দুখন পুথি পোৱা যায়। কবিৰত্ন সৰস্বতীয়েও *মহাভাৰত*ৰ দ্ৰোণপৰ্বৰ জয়দ্ৰথ বধৰ 'কৈলাস বৰ্ণন' অংশটো কাব্য আকাৰে বৰ্ণনা কৰিছে। প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবিৰূপে খ্যাত মাধৱ কন্দলিয়ে বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত বাল্মীকিৰ *ৰামায়ণ*খন অসমীয়ালৈ অনুবাদ কৰি নিজ প্ৰতিভাৰ পৰিচয় দি গৈছে। এই ৰামায়ণখন অসমীয়া, বাংলা, ওড়িয়া, হিন্দী আদি নব্য ভাৰতীয় আৰ্য্য ভাষাসমূহৰ ভিতৰত অনূদিত প্ৰথম ৰামায়ণ।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১। শংকৰদেৱৰ পূৰ্বৱৰ্তীকালৰ সাহিত্যিককেইগৰাকীৰ নাম লিখক?

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

২। শংকৰদেৱৰ পূৰ্বৱৰ্তীকালৰ শ্ৰেষ্ঠ সাহিত্যিকগৰাকীৰ বিষয়ে পাঁচটা বাক্য লিখক?

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

### ১.২.৫.২ শংকৰদেৱৰ সমকালীন সাহিত্য

শংকৰদেৱৰ সমকালীন কালছোৱাত অৰ্থাৎ খ্ৰী. পঞ্চদশ-ষোড়শ শতিকাত ৰচিত সাহিত্যসমূহক আমি বহলভাৱে দুটা ভাগত ভগাব পাৰোঁ— (ক) বৈষ্ণৱ সাহিত্য আৰু (খ) পাঁচালী সাহিত্য। তলত এই বিষয়ে এটি চমু পৰিচয় দিয়া হ'ল।

### (ক) বৈষ্ণৱ সাহিত্য ঃ

খৃষ্টীয় পঞ্চদশ শতিকাত সমগ্ৰ ভাৰতবৰ্ষজুৰি নৱবৈষ্ণৱ আন্দোলনে গা কৰি উঠিছিল। খৃষ্টীয় সপ্তম-দশম শতাব্দীত তামিল দেশৰ আলৱাৰ ভক্তসকলে বৈষ্ণৱ ধৰ্মক জনপ্ৰিয় কৰি তোলে। ভক্তিৰ উচ্ছ্বাস প্ৰকাশ কৰা তামিল ভক্তিমূলক গীতবোৰ একপ্ৰকাৰ মূল্যৱান গীতত পৰিণত হৈছে। সেইদৰে চতুৰ্দশ-পঞ্চদশ শতিকাত উত্তৰ ভাৰততো বৈষ্ণৱ আন্দোলনে দেখা দিয়ে। বৌদ্ধধৰ্মৰ পতনৰ পাছত হিন্দুধৰ্মই ভাৰতত একাধিপত্য বিস্তাৰ কৰাত নানা ধৰ্ম-সম্প্ৰদায়ৰ মাজত খেলিমেলি অৱস্থাৰ সৃষ্টি হ'ল। এই অৱস্থাৰ উন্নতি সাধনকল্পেই বৈষ্ণৱ ভক্তিমাৰ্গৰ জৰিয়তে একেশ্বৰবাদৰ আদৰ্শ সন্মুখত দাঙি ধৰা হয়। এই নৱবৈষ্ণৱ সম্প্ৰদায় একেশ্বৰবাদী। বিষ্ণু বা নাৰায়ণ হ'ল উপাস্য দেৱতা। একেশ্বৰবাদ মত প্ৰচাৰৰ ফলতে মানুহৰ মাজত থকা জাতি-ভেদ প্ৰথা নাইকিয়া হৈ এখন একতাৰ সমাজ গঢ়ি উঠে। ভাৰতৰ প্ৰায়বিলাক ভাষাতে এই বৈষ্ণৱ সাহিত্যই গা কৰি উঠে। বঙ্গদেশত চৈতন্যদেৱ, ওড়িশাত বলৰাম দাস আৰু উত্তৰ ভাৰতত নিৰ্গুণপন্থী কবীৰ দাস আৰু সুৰদাসে প্ৰাচীন হিন্দী সাহিত্যক সমৃদ্ধিশালী কৰি গৈছে। সেইদৰে অসমতো শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন কৰি অসমীয়া সমাজ আৰু সাহিত্যৰ ভেটি সুদৃঢ় কৰিলে। তেওঁ জনসাধাৰণৰ শ্ৰৱণ, কীৰ্তন, স্মৰণ আদিৰ সুবিধাৰ বাবে কাব্য, নাট আৰু গীত ৰচনা কৰি গ'ল। এই ৰচনাসমূহৰ বেছিভাগেই অনুবাদমূলক। বৈষ্ণৱ সাহিত্যসমূহক কাব্য, নাট, গীত, চৰিতপুথি আৰু গদ্যত ভাগ কৰিব পাৰি। বিশেষকৈ ভক্তি পৰিৱেশনৰ লগে লগে শাস্ত্ৰৰ তত্ত্ব ব্যাখ্যা আৰু নৈতিক আদৰ্শ দাঙি ধৰাই এই সাহিত্যৰ অন্যতম উদ্দেশ্য।

শংকৰদেৱৰ ৰচিত কাব্যসমূহ হ'ল— *হৰিচন্দ্ৰ উপাখ্যান, অজামিল উপাখ্যান, ৰুক্মিণী হৰণ কাব্য, বলিছলন, অমৃত মথন, কুৰুক্ষেত্ৰ* আদি। ভক্তি তত্ত্ব প্ৰকাশক গ্ৰন্থ হ'ল— *ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ, নিমি নৱসিদ্ধ সংবাদ* আৰু *অনাদি পাতন*। তেওঁ অংকীয়া নাট ছখন সৃষ্টি কৰি অসমীয়া সাহিত্যলৈ বিশেষ অৱদান দি গৈছে। সেইকেইখন হ'ল— *পত্নী প্ৰসাদ, কালিয় দমন, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ আৰু ৰামবিজয়*। ইয়াৰ উপৰি তেওঁ *ভাগৱত*ৰ কেইবাটাও অধ্যায়ৰ অনুবাদ আৰু বৰগীত, ভটিমা, টোটয় আৰু চপয় ৰচনা কৰে। মহাপুৰুষজনাৰ ৰচনাৰ শ্ৰেষ্ঠ কীৰ্তিস্তম্ভ আধ্যাত্মিক দৰ্শনপুষ্ট *কীৰ্তন* পুথিখন অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ।

শংকৰদেৱৰ প্ৰিয় শিষ্যৰূপে মাধৱদেৱেও গুৰুৰ দৰেই সাহিত্য জগতলৈ বিশেষ অৱদান আগবঢ়াই গৈছে। তেওঁ *অৰ্জুন-ভঞ্জন, চোৰধৰা, পিম্পৰা গুচোৱা, ভোজন বেহাৰ, ভূমি লেটোৱা* নাটক ৰচনা কৰে। তেওঁৰ *অৰ্জুন ভঞ্জন*ৰ বাদে বাকীকেইখন নাটকক ঝুমুৰা বুলি কোৱা হয়। তেওঁ *ৰাজসূয় কাব্য* আৰু *জন্ম ৰহস্য* ৰচনা কৰাৰ লগতে *নামঘোষা* ৰচনাৰে সাহিত্য জগতত বিশেষ প্ৰতিভাৰ পৰিচয় দি গৈছে।

এই যুগৰ অনন্ত কন্দলী আৰু ৰামসৰস্বতীয়েও মহাপুৰুষৰ অনুপ্ৰেৰণাত কাব্যচৰ্চা কৰে। অনন্ত কন্দলীৰ *ৰামায়ণ, কুমৰ হৰণ কাব্য, ভাগৱত*ৰ ষষ্ঠ স্কন্ধৰ বৃত্ৰাসুৰ বধ, মধ্য আৰু শেষ দশম, *মহীৰাৱণ বধ কাব্য* আৰু *সীতাৰ পাতাল প্ৰৱেশ* নাট বিশেষভাৱে উল্লেখযোগ্য। ৰামসৰস্বতীৰ ৰচনাৱলীত দুটা ভাগ পোৱা যায়। এটা হ'ল *মহাভাৰত*ৰ পৰ্বসমূহৰ অনুবাদ আৰু মূল *মহাভাৰত*ত থকা আখ্যানৰ অসমীয়া ৰূপান্তৰ। তেওঁ মানুহৰ সাধাৰণ সহজাত প্ৰবৃত্তি ক্ৰোধ, ঈৰ্ষা, প্ৰতিশোধ পৰায়ণতা, ভাতৃপ্ৰেম, পুত্ৰস্নেহ আদিৰ পৰিস্ফুৰণ দেখুৱাবলৈ চেষ্টা কৰিছে। তেওঁ মহাভাৰতৰ চৰিত্ৰক কেন্দ্ৰ কৰি যিবোৰ আখ্যান ৰচনা কৰিলে সেইসমূহ কাব্য বধকাব্যৰূপে পৰিচিত। এই কালছোৱাৰ শেষৰফালে শ্ৰীধৰ কন্দলীয়ে *কাণখোৱা* আৰু *ঘুনুচা কীৰ্তন* নামৰ পুথি দুখন ৰচনাৰে বিষ্ণুৰ অৱতাৰ মাহাত্ম্যৰ কথা বৰ্ণনা কৰে।

### (খ) পাঁচালী সাহিত্য ঃ

পঞ্চদশ শতিকাৰ শেষৰ আৰু যোড়শ শতিকাৰ আদিভাগত বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱ নপৰা বহুকেইজন কবিৰ আৱিৰ্ভাৱ হৈছিল। এওঁলোকৰ ৰচিত সাহিত্যক পাঁচালি সাহিত্য বোলা হয়। এই সাহিত্যৰ দুটা ভাগ— এটা মনসা মাহাত্ম্য প্ৰকাশক আৰু আনটো *ৰামায়ণ, মহাভাৰত, পুৰাণ* আদিৰ কাহিনীসম্বলিত। পাঁচালি কাব্যকেইখন গীত আৰু বৰ্ণনাত্মক পদৰ সমষ্টি। পাঁচালি কাব্যৰ কবিসকলৰ ভিতৰত এতিয়ালৈকে পীতাম্বৰ, দুৰ্গাবৰ, মনকৰ আৰু সুকবি নাৰায়ণদেৱৰ নাম বিশেষভাৱে উল্লেখযোগ্য। পীতাম্বৰ কবিৰ *ঊষাপৰিণয়, ভাগৱত*ৰ দশম স্কন্ধ, *মাৰ্কণ্ডেয় চণ্ডী* আৰু *নল-দময়ন্তী* নামৰ পুথিকেইখনৰ

নাম পোৱা যায়। দুৰ্গাবৰ কায়স্থৰ *গীতি ৰামায়ণ*ৰ লগতে *মনসা গীত*ৰ মাজত তেওঁৰ ৰচনাৰ দক্ষতা দেখা পোৱা যায়। সেইদৰে মনকৰৰ কাব্যত লৌকিক আৰু সামাজিক বৰ্ণনাৰ প্ৰাধান্য দেখা যায়। তেওঁৰ দ্বাৰা ৰচিত *পদ্মা পুৰাণ*ৰ লগত ৰামাই পণ্ডিতৰ *শূন্য পুৰাণ*ৰ যথেষ্ট সাদৃশ্য দেখা যায়। সেইদৰে দুৰ্গাবৰে *পদ্মা পুৰাণ*ৰ বেউলা আখ্যানটো বিশেষভাৱে বৰ্ণনা কৰিছে। ইয়াত কৰুণ ৰসসিক্ত পৰিস্থিতিবোধ চিত্ৰণ কৰাত তেওঁ যথেষ্ট দৃষ্টি দিছে। সুকবি নাৰায়ণদেৱৰ *পদ্মা পুৰাণ* এখন বৃহৎ গ্ৰন্থ। এই *পদ্মা-পুৰাণ*ত পদ্মাৰ উৎপত্তি, চন্দ্ৰধৰ আৰু বেউলা-লখিন্দৰৰ কাহিনীৰ লগত বহুতো প্ৰাসংগিক কথা পোৱা যায়। তেওঁৰ ৰচনাত পুৰণি অসমৰ সামাজিক আচাৰ-ব্যৱহাৰ, বেহা বেপাৰ, শিল্পকৰ্ম আদিৰ আভাস পোৱা যায়।



**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১। শংকৰদেৱৰ ৰচনাসমূহৰ এখন তালিকা প্ৰস্তুত কৰক?

........................................................................................................................

........................................................................................................................

........................................................................................................................

২। মাধৱদেৱৰ ৰচনাসমূহৰ এখন তালিকা প্ৰস্তুত কৰক?

........................................................................................................................

........................................................................................................................

........................................................................................................................

৩। শংকৰদেৱৰ সমকালীন চাৰিগৰাকী প্ৰধান বৈষ্ণৱ কবিৰ নাম লিখক?

........................................................................................................................

........................................................................................................................

........................................................................................................................

৪। পাঁচালি কবিকেইগৰাকীৰ নাম লিখক?

........................................................................................................................

........................................................................................................................

........................................................................................................................

## ১.২.৫.৩ শংকৰদেৱৰ পৰৱৰ্তী কালৰ সাহিত্য

সপ্তদশ শতিকাৰ প্ৰাৰম্ভৰপৰা অসমৰ ৰাজনৈতিক আৰু সামাজিক-অৰ্থনৈতিক জীৱনত ভালেখিনি পৰিৱৰ্তনৰ সূচনা হয়। এই কালছোৱাত চৰিত পুথি আৰু গদ্য সাহিত্যৰ উদ্ভৱ হয়। এই যুগৰ ভট্টদেৱৰ হাততে অসমীয়া গদ্য সাহিত্যই জন্মলাভ কৰিলে। তেওঁ *কথা-গীতা, কথা ভাগৱত, কথা ৰত্নাৱলী* ৰচনা কৰে। অনিৰুদ্ধদেৱৰ অপ্ৰকাশিত *নিজশাস্ত্ৰ*তো অসমীয়া গদ্য সাহিত্যৰ আদি স্তৰৰ নিদৰ্শন লুকাই আছে। সেইদৰে গোপাল আতা কেৱল ধৰ্মপ্ৰচাৰকেই নহয় এগৰাকী কবি আৰু নাট্যকাৰো আছিল। *উদ্ধৱযান, জন্মযাত্ৰা, নন্দোৎসৱ* নামেৰে তেওঁৰ দ্বাৰা ৰচিত তিনিখন নাট পোৱা যায়। এই যুগৰ গোৱিন্দ মিশ্ৰ, কবীন্দ্ৰ পাত্ৰ, গোপীনাথ পাঠক, দামোদৰ দ্বিজ, বিদ্যা পঞ্চানন, ৰাম মিশ্ৰই কাব্য চৰ্চা কৰে।

খৃষ্টীয় অষ্টাদশ শতিকা আৰম্ভ হোৱাৰ লগে লগে অসমীয়া সাহিত্যৰ ইতিহাসৰ কিছু ৰং সলনি হয়। এই যুগত কেইবাশ্ৰেণীৰ সাহিত্যৰ সৃষ্টি হ'ল ঃ (১) আদি ৰসাত্মক পৌৰাণিক অনুবাদ, (২) শাক্ত সাহিত্য, (৩) বুৰঞ্জী সাহিত্য, (৪) ব্যৱহাৰিক জ্ঞানৰ সাহিত্য। সেইদৰে ৰামায়ণী সাহিত্য হ'ল এই যুগৰ আন এক সৃষ্টি। ৰঘুনাথ মহন্তই *কথা ৰামায়ণ, অদ্ভুত ৰামায়ণ* আৰু *শত্ৰুঞ্জয়* নামৰ তিনিখন পুথি ৰচনা কৰি গৈছে। খৃষ্টীয় ১৬-১৭ শতিকাৰ ভিতৰত এক শ্ৰেণীৰ মহাভাৰতীয় সাহিত্য ৰচনা হৈছে। লক্ষ্মীনাথ দ্বিজ, শুভনাথ দ্বিজ, বিদ্যাচন্দ্ৰ কবিশেখৰ, শিষ্ট ভট্টাচাৰ্য্য, পৃথুৰাম দ্বিজ আদি কবিসকলে মহাভাৰতীয় কাব্য এলানি ৰচনা কৰি গৈছে। কবিৰাজ চক্ৰৱৰ্ত্তীয়ে *ব্ৰহ্মবৈৱৰ্ত পুৰাণ, গীত গোবিন্দ, শঙ্খচূড় বধ, শকুন্তলা, ভাস্বতী* আদি ৰচনাৰে নিজা প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে। এই যুগৰ চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্য এক বিশেষ সাহিত্য। চুফীমূলক সাহিত্যও এই যুগৰ বিশেষ অৱদান।



**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১। শংকৰদেৱৰ পৰৱৰ্তী পাঁচগৰাকী সাহিত্যিকৰ নাম আৰু ৰচনাৰ এখন তালিকা প্ৰস্তুত কৰক?

........................................................................................................

........................................................................................................

........................................................................................................

২। ভট্টদেৱৰ ৰচনাসমূহৰ এখন তালিকা প্ৰস্তুত কৰক?

........................................................................................................

........................................................................................................

........................................................................................................

৩। অষ্টাদশ শতিকাৰ পৰৱৰ্তী অসমীয়া সাহিত্যক কি কি ভাগত ভগাব পাৰি?

........................................................................................................

........................................................................................................

........................................................................................................

## ১.২.৬ আধুনিক অসমীয়া সাহিত্য

### ১.২.৬.১ মিছনেৰীসকলৰ সাহিত্য আৰু হেমচন্দ্ৰ গুণাভিৰামৰ কাল

ইংৰাজৰ দ্বাৰা অসম অধিগ্ৰহণৰ পাছত (খৃষ্টীয় ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে) বিয়োগাত্মক-যোগাত্মক নানা দিশেৰে অসমীয়া সাহিত্যৰ জগতখনলৈও বিশেষ পৰিৱৰ্তন আহিল। প্ৰথম অৱস্থাত, বিশেষকৈ ১৮৩৭ চনৰপৰা ১৮৭৩ চনলৈ ৩৬ বছৰকাল ইংৰাজসকলে অসমত অসমীয়াৰ পৰিৱৰ্তে বাংলা ভাষা প্ৰৱৰ্তন কৰাত অসমীয়া ভাষা-সাহিত্য-সমাজত এক বজ্ৰাঘাত পৰিছিল। এনে প্ৰতিকূল পৰিৱেশত অসমীয়া ভাষা-সাহিত্যৰ বন্তিগছি জ্বলাই তুলি ধৰিছিল একাংশ উৎসৰ্গীকৃত অসম আৰু অসমীয়াপ্ৰাণ লেখক আৰু আমেৰিকাৰপৰা অহা এমুঠি খৃষ্টীয়ান মিছনেৰীয়ে। প্ৰথম অসমীয়া আলোচনী *অৰুনোদই* প্ৰকাশৰ (১৮৪৬) পূৰ্বে আত্মাৰাম শৰ্মাৰ বাইবেলৰ অসমীয়া অনুবাদৰ উপৰি কাশীনাথ তামুলী ফুকন, বিশ্বেশ্বৰ বৈদ্যাধিপতি, মণিৰাম দেৱান, যাদুৰাম ডেকা বৰুৱা আদিয়ে নিজা নিজা সৃষ্টিৰে বৰ্তমানৰ অসমীয়া সাহিতৰ পটভূমি ৰচনাত বিশিষ্ট অৱদান আগবঢ়াই গৈছে। আনহাতে, মিছনেৰীসকলে

মূলতঃ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমলৈ আহিছিল যদিও তদানীন্তন অসমীয়া মানুহৰ ভাষা সমস্যা গভীৰভাৱে উপলব্ধি কৰি অসমীয়া ভাষা-সাহিত্যৰ বিকাশৰ বাবে মাহেকীয়া বাৰ্তালোচনী *অৰুনোদই*ৰ প্ৰকাশকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ কাৰ্য সম্পন্ন কৰিছিল।

বৃটিছ শাসনৰ ভুল নীতিৰ ফলত সেই সময়ত লুপ্তপ্ৰায় অসমীয়া ভাষা আৰু সাহিত্যক পুনৰ্জীৱন দিবলৈ মিছনেৰীসকলে অহোপুৰুষাৰ্থ কৰিছিল। তেওঁলোকে ব্যাকৰণ, অভিধান আৰু অন্যান্য পুথি ৰচনা কৰি অসমীয়াক এটা গুৰুত্বপূৰ্ণ ভাষা হিচাপে প্ৰতিষ্ঠা কৰিছিল। এনেবোৰ কামৰ উপৰি অসমীয়া সাহিত্যৰ বৰ্তমান যুগৰ আন এক পটভূমি ৰচনা হয় ১৮৪৬ চনত শিৱসাগৰ মিছনেৰী প্ৰেছৰপৰা মিছনেৰীসকলৰ উদ্যোগত প্ৰকাশিত *অৰুনোদই* মাহেকীয়া সংবাদ-পত্ৰৰ জৰিয়তে। *অৰুনোদই*ৰ জৰিয়তে অসমীয়া সমাজে দেশ-বিদেশৰ বিবিধ জ্ঞানৰ সম্ভেদ পোৱাৰ লগতে এখন বহল জগতৰ লগত পৰিচয় হয়। তদুপৰি পুৰণি পুথি আৰু বুৰঞ্জীসমূহ সংগ্ৰহ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰিছিল মিছনেৰীসকলে। বহু ঠাইত বিভিন্ন শিক্ষানুষ্ঠানো স্থাপন কৰিছিল তেওঁলোকে।

অসমীয়া ভাষা আৰু সাহিত্য ঃ উদ্ভৱ আৰু বিকাশ

মিছনেৰীসকলৰ সবাতোকৈ গুৰুত্বপূৰ্ণ বৰঙণি আছিল *অৰুনোদই* আলোচনীৰ প্ৰকাশ। ১৮৪৬ চনৰ জানুৱাৰী মাহৰপৰা ১৮৮৩ লৈকে ৩৭ বছৰকাল আলোচনীখন প্ৰকাশ পাইছিল। ইয়াৰ প্ৰথম সম্পাদক আছিল— ড° নাথান ব্ৰাউন। জ্ঞান বিদ্যাৰ বিবিধ উপাদানৰ পৰিচয়েৰে *অৰুনোদই*-এ অসমীয়া সমাজক এখন বহল জগতৰ স'তে পৰিচয় কৰাই দিছিল। অসমীয়া সমাজত আধুনিকতাৰ বিবিধ উপাদান আমদানিতো আলোচনীখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। অসমত অসমীয়া ভাষাৰ পুনৰ্প্ৰতিষ্ঠা, স্বাধিকাৰ ৰক্ষা তথা শ্ৰীবৃদ্ধিত আলোচনীখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। *অৰুনোদই*-এ একাংশ অসমীয়া লেখকক নিজৰ প্ৰতিভাৰ প্ৰকাশ-বিকাশ তথা মত প্ৰকাশৰ পূৰ্ণ সুযোগ দান কৰিছিল। *অৰুনোদই*ৰ প্ৰকাশ আৰু অন্যান্য শৈক্ষিক, ভাষিক আৰু সাহিত্যিক উদ্যোগৰ জৰিয়তে মিছনেৰীসকলে সেই সময়ত লুপ্তপ্ৰায় অসমীয়া ভাষাক ৰক্ষা কৰি পুনৰ্জীৱন দিলে বুলি ক'ব পাৰি।

এই কালৰ প্ৰধান খৃষ্টীয়ান লেখকসকল আছিল ড° নাথান ব্ৰাউন, ড° মাইল্‌ছ ব্ৰন্সন, এ কে গাৰ্নী, নিধিৰাম ফাৰ্‌ৱেল আদি। *অৰুনোদই*ৰ অন্যান্য খৃষ্টীয়ান লেখকসকল আছিল— মিছেছ এছ আৰ ৱাৰ্ড, মিছেছ কাট্টাৰ, মিছেছ গাৰ্নি, এ এইচ ডেনফ'ৰ্থ, ডব্লিউ ৱাৰ্ড, ৰেভাৰেণ্ড ক্লাৰ্ক, এ কে গাৰ্নি, ৰেভাৰেণ্ড অ' টি কাট্টাৰ, এছ এম হোৱাইটিং আদি।

এই কালৰ অখ্ৰীষ্টিয়ান লেখকসকলৰ ভিতৰত আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিক প্ৰধান লেখক হিচাপে পোৱা যায়। আনন্দৰাম ঢেকিয়াল ফুকনে *A Few Remarks on the Assamese Language, and on Vernacular Education in Assam, ইংলেণ্ডৰ বিৱৰণ, অসমীয়া ল'ৰাৰ মিত্ৰ* আদি গুৰুত্বপূৰ্ণ গ্ৰন্থ প্ৰণয়নৰ যোগেদি অসমীয়া সাহিত্যলৈ স্থায়ী অৱদান দি যায়। তেনেকৈ অভিধান-ব্যাকৰণেৰে হেমচন্দ্ৰ বৰুৱাই, নাটকেৰে গুণাভিৰাম বৰুৱাই কেৱল অসমীয়া সাহিত্যকে নহয়, অসমীয়া সমাজ জীৱনৰ পুনৰ্গঠনতো দৃঢ় ভূমিকা লয়। হেমচন্দ্ৰ বৰুৱাই *অসমীয়া ব্যাকৰণ, আদিপাঠ, অসমীয়া ল'ৰাৰ ব্যাকৰণ* আৰু *সংক্ষিপ্ত হেমকোষ* প্ৰকাশ কৰে। তেওঁৰ *কানীয়াৰ কীৰ্তন* আৰু *বাহিৰে ৰং-চং ভিতৰে কোৱা ভাতুৰী*— এই পুথি দুখনত সমাজ সংস্কাৰৰ কথা বৰ্ণিত হৈছে। সেইদৰে গুণাভিৰাম বৰুৱায়ো *ৰাম-নৱমী* নাটকেৰে অসমীয়া সমাজত সংস্কাৰৰ মনোভাব বিলাবলৈ সমৰ্থ হৈছিল। এই দুই আৰিয়াধাৰী লেখকে অসমীয়া সাহিত্যত মিছনেৰীসকলৰ বিপৰীতে নিজস্ব দৃষ্টি আৰু দৰ্শনেৰে এটি নতুন যুগৰ সূচনা কৰা বুলিব পাৰি— যি কাব্য, নাট, ভ্ৰমণ কাহিনী আদি বিবিধ বিষয়েৰে সমৃদ্ধ হৈ উঠে। এই কালছোৱাত ইংৰাজী শিক্ষাৰ পোহৰ পোৱা আৰু কেইজনমানৰ প্ৰচেষ্টাত অসমীয়া সাহিত্যই গা কৰি উঠে। ৰমাকান্ত চৌধুৰীয়ে মাইকেল মধুসূদন দত্তই বাংলা ভাষাত প্ৰৱৰ্তন কৰা অমিতাক্ষৰ ছন্দৰ আৰ্হিত ৰচনা কৰে *অভিমন্যু বধ* কাব্য। সেইদৰে ভোলানাথ দাসেও *সীতাহৰণ কাব্য* ৰচনা কৰে। কমলাকান্ত ভট্টাচাৰ্য্যয়ো গদ্য-পদ্য দুয়োবিধ সাহিত্যতে অৱদান দি গৈছে। তেনেকৈ লম্বোদৰ বৰা, ৰত্নেশ্বৰ মহন্ত, বলিনাৰায়ণ বৰা, হৰনাৰায়ণ বৰা, নীলকুমুদ বৰুৱা, বলদেৱ মহন্ত, ৰুদ্ৰৰাম বৰদলৈ আদিৰ নামো উল্লেখযোগ্য। মহিলা লেখক হিচাপে এই কালছোৱাৰ পদ্মাৱতী দেৱী ফুকননীৰ *সুধৰ্মাৰ উপাখ্যান* অসমীয়া সাহিত্যলৈ উল্লেখযোগ্য অৱদান। তেনেকৈ বিষ্ণুপ্ৰিয়া দেৱী, স্বৰ্ণলতা দেৱী আদিৰ নামো উল্লেখযোগ্য।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১। প্ৰধান মিছনেৰী লেখকসকলৰ নাম আৰু ৰচনা উল্লেখ কৰি এখন তালিকা প্ৰস্তুত কৰক।



.....................................................................................................

.....................................................................................................

.....................................................................................................

২। মিছনেৰী যুগৰ অমিছনেৰী লেখকসকলৰ নাম আৰু তেওঁলোকৰ বৰঙণি সম্পৰ্কে এটি পেৰাগ্ৰাফ লিখক।

.....................................................................................................

.....................................................................................................

.....................................................................................................

## ১.২.৬.২ ৰোমাণ্টিক যুগ

আপোনালোকে নিশ্চয় জানে যে, ঊনবিংশ শতিকাত অসমীয়া ছাত্ৰৰ এটা দলে উচ্চ শিক্ষা লাভৰ বাবে তেতিয়াৰ কলিকতাত (বৰ্তমানৰ ক'লকাতা) বাহৰ পাতি আছিল। হেমচন্দ্ৰ-গুণাভিৰামে অসমীয়া সাহিত্যৰ যি ভেটি নিৰ্মাণ কৰিলে তাৰ প্ৰভাৱতে ১৮৭২ চনত কলিকতীয়া অসমীয়া ছাত্ৰই 'অসমীয়া সাহিত্য চ'ৰা' স্থাপন কৰে। পৰৱৰ্তী সময়ত ১৮৮৮ চনত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' নামেৰে ইয়াক গঠন কৰা হয়। যাৰ ফলত ১৮৮৯ চনত *জোনাকী* আলোচনী প্ৰকাশ হয়। এই আলোচনীখনেই ডেকা শিক্ষিতসকলৰ প্ৰচেষ্টাৰ 'বিকিৰণ কেন্দ্ৰ' হৈ পৰে। এই ডেকা চামৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আদিয়ে সাহিত্যলৈ এক নতুন জোৱাৰ কঢ়িয়াই আনিলে। বিশেষকৈ এই *জোনাকী*য়ে প্ৰাচ্য আৰু পাশ্চাত্য ভাবধাৰাৰ মাজত সংযোগ সেঁতু স্থাপন কৰিলে, বিশেষকৈ ইংৰাজী ৰোমাণ্টিক ভাবাদৰ্শক অসমীয়া লেখকসকলে আদৰি ল'লে। সেইদৰে *জোনাকী* আলোচনীত বিবিধ চুটিগল্প, উপন্যাস, ইংৰাজী নাটৰ ট্ৰেজেডী-কমেডীৰ সৃষ্টিয়ে অসমীয়া সাহিত্যক নৰূপ প্ৰদান কৰিলে। *জোনাকী*ৰ সমসাময়িকভাৱে *বিজুলী* প্ৰকাশ হৈছিল যদিও ই দীৰ্ঘজীৱী হৈ নুঠিল। পৰৱৰ্তী আলোচনী *বাঁহী, ঊষা, আলোচনী, আৱাহন* আদি বিবিধ আলোচনীৰ জৰিয়তে অসমীয়া সাহিত্যৰ অগ্ৰগতি অব্যাহত থাকিল।

*জোনাকী* আলোচনী আছিল অসমীয়া ৰমন্যাস আন্দোলনৰ মূল চালিকাশক্তি স্বৰূপ। অসমীয়া সাহিত্যৰ দ্বিতীয়টো যুগ খ্যাত '*জোনাকী* যুগ'ক সমৃদ্ধ কৰা প্ৰধান লেখকসকল আছিল লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞি বৰুৱা, সত্যনাথ বৰা, কনকলাল বৰুৱা আদি।

অসমীয়া ৰোমাণ্টিক সাহিত্যৰ কবিতাসমূহত প্ৰকৃতি বৰ্ণনা, সৌন্দৰ্য্য বৰ্ণনা, প্ৰেম, কল্পনা, অতীন্দ্ৰিয়বাদ আদিয়ে প্ৰাধান্য লাভ কৰে। এই কালছোৱাৰ কবিসকলৰ ভিতৰত চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞি বৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা, মফিজুদ্দিন আহমদ হাজৰিকা, ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, অম্বিকাগিৰী ৰায়চৌধুৰী, নলিনীবালা দেৱী, ৰত্নকান্ত বৰকাকতি, পাৰ্ৱতি প্ৰসাদ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, গণেশ গগৈ আদিৰ দৰে কবিসকলে নিজা নিজা আদৰ্শ-দৰ্শনৰে কাব্য জগতত নিজা আসন দখল কৰিবলৈ সক্ষম হৈছে।

১৮৮৮ চনত চাৰিজন ডেকাই শ্বেইক্সপীয়েৰৰ *কমেডী অব্ এৰ'ৰ্‌ছ* ভাঙনি কৰি *ভ্ৰমৰংগ* নামেৰে প্ৰকাশ কৰে। এইখন প্ৰকাশৰ লগে লগেই অসমীয়া সাহিত্যত 'জোনাকী যুগ'ৰ আৰম্ভ হয়, য'ত বেজবৰুৱাৰ *লিতিকাই*খন খণ্ডখণ্ডকৈ প্ৰকাশ পাইছিল। বিংশ শতাব্দীত পদ্মনাথ গোহাঞি বৰুৱা, বেণুধৰ ৰাজখোৱা, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, চন্দ্ৰধৰ বৰুৱা, দুৰ্গেশ্বৰ শৰ্মা, জ্যোতিপ্ৰসাদ আগৰৱালা,

অতুলচন্দ্ৰ হাজৰিকাই নিজা নিজা দৃষ্টিভঙ্গীৰে নাটক ৰচনা কৰি অসমীয়া সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়ালে। এই ক্ষেত্ৰত নাটকৰ গতানুগতিকতাৰ অৱসাদ আঁতৰাই জ্যোতিপ্ৰসাদ আগৰৱালাই নতুনত্ব কঢ়িয়াই আনিলে।

অসমীয়া ভাষা আৰু সাহিত্য ঃ উদ্ভৱ আৰু বিকাশ

জোনাকী যুগৰপৰা ক্ৰমবৰ্ধমান গতিত উপন্যাস, চুটিগল্প, প্ৰবন্ধ, ৰম্যৰচনা আৰু সমালোচনাই বিশেষভাৱে আগবাঢ়ি গ'ল। পদ্মনাথ গোহাঞি বৰুৱাৰ *ভানুমতী* আৰু *লাহৰী* আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* এই তিনিওখনৰপৰাই আধুনিক যুগৰ প্ৰকৃত উপন্যাসৰ ধাৰা আৰম্ভ হৈছে। ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ দ্বাৰা অসমীয়া উপন্যাসে জনপ্ৰিয় ৰূপত প্ৰতিষ্ঠা লাভ কৰে। তেওঁৰ *মিৰি জীয়ৰী* উপন্যাসখন অসমীয়া সাহিত্যৰ এখন শ্ৰেষ্ঠ উপন্যাস। লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটিগল্পৰ জনক। এই কালছোৱাত শৰৎ চন্দ্ৰ গোস্বামী, নকুল চন্দ্ৰ ভূঞা, লক্ষ্মীনাথ ফুকন, বীণা বৰুৱা, লক্ষ্মীধৰ শৰ্মা, ত্ৰৈলোক্যনাথ গোস্বামীয়ে সামাজিক চিত্ৰ, সমাজৰ গোড়ামি আদি দিশত গল্প ৰচনা কৰি বিশেষ অৱদান আগবঢ়াই গৈছে।

এই কালছোৱাৰ গীত ৰচকৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা আদি সাহিত্যিক কেইজনমানে তেওঁলোকৰ নাট আৰু অন্য ক্ষেত্ৰত ছেগা-চোৰোকাকৈ গীত ৰচনা কৰিছিল যদিও গীতিকাৰৰূপে তেখেতসকলৰ প্ৰধান পৰিচয় নহয়। ১৯২০ চনৰ পাছত কেইবাজনো সংগীতজ্ঞ আৰু কবিয়ে গীত ৰচনা আৰু সংযোজনাত মনোনিৱেশ কৰে। অম্বিকাগিৰী ৰায়চৌধুৰীয়ে স্বদেশপ্ৰেমৰ গীত ৰচনা কৰিছিল। পাৰ্বতিপ্ৰসাদ বৰুৱাই *গুণ্‌গুণনি, লুইতী* আৰু *মায়াপী* গীতৰ সংকলনেৰে গীতিসাহিত্যক এক বিশেষ স্থান দিলে। জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া আধুনিক গীতক এক মৰ্যাদাপূৰ্ণ স্থানত অধিষ্ঠিত কৰায়। এই সময়ৰে বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতত স্বদেশপ্ৰীতিৰ পৰিচয় দেখা যায়। পাছলৈ লক্ষহীৰা দাসে একান্ত ৰোমাণ্টিকধৰ্মী, ব্যক্তিগত প্ৰেম-প্ৰীতিৰে গীত ৰচনা কৰিলে। সেইদৰে ৰুদ্ৰ বৰুৱাৰ গীততো লোকগীতৰ চাপ ধ্বনিত হৈছে। কেশৱ মহন্ত, নিৰ্মলপ্ৰভা বৰদলৈ, লীলা গগৈ, হীৰেন ভট্টাচাৰ্য্যৰ দৰে গীতিকাৰসকলে শোষিত জনগণৰ দৰদ, গ্ৰাম্য সৌন্দৰ্য্যৰ ভাবানুভূতিৰ প্ৰকাশ ঘটালে। আপোনালোকে এনে বহু গীতিকাৰৰ গীত নিশ্চয় শুনিছে।

এই সময়ছোৱাত ভালেমান উল্লেখযোগ্য শিশুসাহিত্য প্ৰণিত হয়। বেজবৰুৱাই *ককাদেউতা আৰু নাতি ল'ৰা, বুঢ়ী আইৰ সাধু, জুনুকা* আদিৰে অসমীয়া শিশু সাহিত্যক চহকী কৰিলে। পদ্মনাথ গোহাঞিবৰুৱা, পাণীন্দ্ৰনাথ গগৈ আদি এই সময়ৰ উল্লেখযোগ্য শিশুসাহিত্যৰ ৰচক। মহেশচন্দ্ৰ কটকী, মিত্ৰদেৱ মহন্ত, হৰেন্দ্ৰনাথ শৰ্মা, ইন্দ্ৰধৰ ৰাজখোৱা, প্ৰফুল্ল বৰুৱা, হৰিনাৰায়ণ দত্তবৰুৱা আদিয়ে বহুতো শিশু সাহিত্য ৰচনা কৰি নিজা প্ৰতিভা দাঙি ধৰিছে। বেণুধৰ শৰ্মাই ইংৰাজী সাহিত্যৰপৰা শিশু উপযোগী ভালেখিনি গ্ৰন্থ অনুবাদ কৰিলে। জ্ঞানদাভিৰাম বৰুৱা, বসন্ত বৰুৱা, হৰেন্দ্ৰনাথ শৰ্মা, মহেন্দ্ৰ বৰা, সুপ্ৰভা গোস্বামী, প্ৰফুল্ল চন্দ্ৰ বৰুৱা, মহেশ্বৰ নেওগ আদি অনেকে বিদেশী গ্ৰন্থ আৰু কাহিনীৰ অসমীয়া ৰূপান্তৰ প্ৰকাশ কৰিলে। এইক্ষেত্ৰত হাৰুণাৰ ৰছিদৰ অৱদানো উল্লেখযোগ্য।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১। প্ৰধান অসমীয়া ৰোমাণ্টিক কবিসকলৰ নাম লিখক।

..................................................................................................

..................................................................................................

..................................................................................................

২। প্ৰধান অসমীয়া ৰোমাণ্টিক গল্পকাৰসকলৰ নাম লিখক।।

..................................................................................................

..................................................................................................

..................................................................................................

### ১.২.৬.৩ সাম্প্ৰতিক সাহিত্য

অসমীয়া সাহিত্যৰ বিকাশ ঃ এটি অৱলোকন

সাম্প্ৰতিক অসীয়া সাহিত্যৰ বীজটো ৰোপিত হয় দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ পৰা। এই সময়ছোৱাৰ প্ৰথমতেই চক্ৰেশ্বৰ ভট্টাচাৰ্য্য, ভবানন্দ দত্ত, অমূল্য বৰুৱা আদিয়ে প্ৰগতিশীল চিন্তাৰে কবিতা লিখিবলৈ আৰম্ভ কৰে। তেওঁলোকৰ পাছতে হেম বৰুৱাৰ নাম উল্লেখনীয়। দেৱকান্ত বৰুৱাই ৰোমাণ্টিক আৰু আধুনিক দুয়োটা ধাৰাৰে মাজত থাকি কবিতা ৰচনা কৰা বাবে তেওঁক যুগসন্ধিৰ কবি বুলি কোৱা হয়। তেওঁলোকৰ পাছত অজিৎ বৰুৱা, নৱকান্ত বৰুৱা, হোমেন বৰগোহাঞি, মহিম বৰা, নীলমনি ফুকন, ভবেন বৰুৱা, হৰি বৰকাকতি, নিৰ্মলপ্ৰভা বৰদলৈ, মহেন্দ্ৰ বৰা, হীৰেন ভট্টাচাৰ্য্য, হীৰেন্দ্ৰ নাথ দত্ত, কেশৱ মহন্ত, ৰবীন্দ্ৰ সৰকাৰ, হৰেকৃষ্ণ ডেকা, ৰবীন্দ্ৰ বৰা আদি ভালেখিনি কবিয়ে আধুনিকতাবাদী কবিতা ৰচনাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰে। এই ক্ষেত্ৰত ‘ৰামধেনু’ আলোচনীখন এই সাহিত্যিকসকলৰ চেতনাৰ কেন্দ্ৰবিন্দু হৈ পৰে।

বিৰিঞ্চি কুমাৰ বৰুৱাই ‘বীণা বৰুৱা’ নামেৰে ৰচনা কৰা *জীৱনৰ বাটত* উপন্যাসখন যুদ্ধোত্তৰ কালৰ অসমীয়া উপন্যাসৰ বাটকটীয়া স্বৰূপ। অসমীয়া সামাজিক উপন্যাসৰ ভিতৰত এই উপন্যাসখন বহুবোৰ দিশেৰে শক্তিমন্ত সৃষ্টি। ৰাস্না বৰুৱাৰ নামেৰে ৰচিত *সেউজী পাতৰ কাহিনী* তেওঁৰ আন এখন উল্লেখনীয় উপন্যাস। কথাশিল্পীৰূপে খ্যাত চৈয়দ আব্দুল মালিকে *ৰথৰ চকৰি ঘূৰে, বনজুই, ছবিঘৰ, মাটিৰ চাকি, সূৰুযমুখীৰ স্বপ্ন, অঘৰী আত্মাৰ কাহিনী, জীয়া জুৰি ঘাট* আদি এলানি উপন্যাস ৰচনা কৰি নিজা দক্ষতাৰ পৰিচয় দি গৈছে। আধুনিক উপন্যাস জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত মহম্মদ পিয়াৰৰ নামো উল্লেখযোগ্য। এই যুগৰ হিতেশ ডেকাই এক আদৰ্শাত্মক মনোভাবেৰে *আজিৰ মানুহ, ভাড়াঘৰ, এয়েতো জীৱন* ৰচনা কৰি উপন্যাস সাহিত্যলৈ বৰঙণি আগবঢ়াই গৈছে। অসমীয়া সাহিত্যৰ প্ৰথমগৰাকী জ্ঞানপীঠ বঁটাপ্ৰাপক লেখক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই *ৰাজপথে ৰিঙিয়ায়, আই, মৃত্যুঞ্জয়, ইয়াৰুইঙ্গম* আদি উপন্যাসৰ যোগেদি অসমীয়া উপন্যাসক ভাৰতীয় সাহিত্যত প্ৰতিষ্ঠা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেইদৰে যোগেশ দাসে *ডাৱৰ আৰু নাই*ত মহাযুদ্ধৰ ঢৌৱে কোবোৱা আদৰ্শভ্ৰষ্ট, নীতি-ভ্ৰষ্টৰ বিপৰীতে আদৰ্শনিষ্ঠ যুৱক এজনৰ মানসিক সংগ্ৰাম বৰ্ণনাৰে এখন কালজয়ী উপন্যাস প্ৰদান কৰি গৈছে। অসমীয়া গদ্যৰ অন্যতম শক্তিমন্ত চালক হোমেন বৰগোহাঞিয়ে *পিতা-পুত্ৰ, মৎস্যগন্ধা, হালধীয়া চৰায়ে বাওধান খায়* আদি উপন্যাসেৰে বিশেষ বৰঙণি আগবঢ়ায়। তেনেকৈ জ্ঞানপীঠ বিজয়ী মামণি ৰয়ছম গোস্বামী, সৰস্বতী বঁটা প্ৰাপক লক্ষ্মীনন্দন বৰা, নিৰুপমা বৰগোহাঞি, অৰূপা পটংগীয়া কলিতা আদিয়েও অসমীয়া উপন্যাসলৈ বিশিষ্ট বৰঙণি যোগাইছে। তেনেকৈ এক বিশেষ শ্ৰেণীৰ উপন্যাস ৰচনাৰে বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছে ৰহস্য সাহিত্যিক ৰঞ্জু হাজৰিকাই।

কবিতা, উপন্যাসকে ধৰি গল্প, নাট, গীত, ৰম্য ৰচনা, অকাহিনী আদি বিভিন্ন শিতানেৰে স্বাৰাজোত্তৰ অসমীয়া সাহিত্যৰ পূৰ্ণ বিকাশ ঘটা বুলিব পাৰি।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১। সাম্প্ৰতিক যুগৰ দহগৰাকী প্ৰধান কবিৰ নাম লিখক।

..................................................................................................

..................................................................................................

..................................................................................................

২। সাম্প্ৰতিক যুগৰ দহগৰাকী প্ৰধান গল্পকাৰ আৰু দহগৰাকী প্ৰধান ঔপন্যাসিকৰ নাম লিখক।

..................................................................................................

..................................................................................................

..................................................................................................

## ১.২.৭ শব্দ টোকা



**ভাৰতীয় আৰ্য্য ভাষা ঃ**

বৈদিক সংস্কৃত হ'ল অসমীয়া, বাংলা, ওড়িয়া, হিন্দী আদি আধুনিক ভাষাসমূহৰ মূল আধাৰ ভাষা। বৈদিক সংস্কৃত ভাষা ভাৰতীয় আৰ্য্যভাষাৰ অন্তৰ্গত। ক্ৰমবিকাশৰ ফলস্বৰূপে বৈদিকৰপৰা পালি, প্ৰাকৃত আৰু অপভ্ৰংশৰ মাজেদি আহি আধুনিক ভাৰতীয় আৰ্য্যভাষাসমূহৰ জন্ম হয়। খৃষ্টাব্দ ৯৫০ মানৰপৰা অসমীয়া আদি আধুনিক ভাষাই নিজস্ব ৰূপ ল'বলৈ আৰম্ভ কৰে।

**শিলালিপি আৰু তাম্ৰলিপি ঃ**

খৃষ্টীয় ৪ৰ্থ-৫ম শতিকাৰেপৰা প্ৰাচীন কামৰূপ তথা প্ৰাগজ্যোতিষপুৰ ভূখণ্ডত ৰজাসকলৰ ভূমিদানৰ বাবে লিখিত শিলালিপি আৰু তাম্ৰলিপি পোৱা গৈছে। এইবোৰৰ ভাষা সংস্কৃত হ'লেও লিপি তথা আখৰ আৰু বহু শব্দ কিন্তু কামৰূপী। শিলালিপি আৰু তাম্ৰলিপিসমূহে অসমীয়া ভাষাৰ প্ৰাচীন লিখিত ঐতিহ্য-পৰম্পৰাৰ প্ৰমাণ বহন কৰিছে।

**লোক-সাহিত্য ঃ**

লিখিত সাহিত্য গঢ় লৈ উঠাৰ পূৰ্বৰে পৰা অৰ্থাৎ বুৰঞ্জীয়ে ঢুকি পোৱাৰ আগৰে পৰা মানুহৰ মুখে মুখে যিবোৰ গীত-পদ, মন্ত্ৰ, সাধুকথা, প্ৰৱচন-যোজনা, সাঁথৰ আদিৰ প্ৰচলন হৈ আহিছে, সেইবোৰকে লোক-সাহিত্য বোলা হয়। মৌখিক সাহিত্য লোক মনৰ ভাব আৰু অভিজ্ঞতাৰ স্বতঃস্ফূৰ্ত প্ৰতিফলন। এইবোৰ অনামী লেখকৰ সৃষ্টি।

**চৰ্য্যাপদ ঃ**

১৯০৭ চনত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজদৰবাৰৰপৰা উদ্ধাৰ কৰি আনি *হাজাৰ বৎসৰেৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধগান ও দোহা* নামেৰে ১৯২৬ চনত প্ৰকাশ কৰা গ্ৰন্থখনিত ২৪জন সিদ্ধাচাৰ্য্যৰ দোহা বা পদ আছে; যিসকলৰ বহুকেইজন প্ৰাচীন কামৰূপৰ লোক। অসমীয়া ভাষাৰ বহু শব্দ আৰু ব্যাকৰণগত বৈশিষ্ট্য চৰ্য্যাপদত দেখা যায় বাবে ইয়াক অসমীয়া ভাষাৰ প্ৰথম স্তৰৰ নিদৰ্শন বোলা হয়।

**নৱবৈষ্ণৱ ভক্তি আন্দোলন ঃ**

শ্ৰীমন্ত শংকৰদেৱৰ সমসাময়িক অসমীয়া সমাজখন ধৰ্মীয় আৰু ৰাজনৈতিক দিশৰপৰা অস্থিৰ আছিল। ধৰ্মৰ নামত তন্ত্ৰসাধনা, অনাচাৰ, নৰবলি পৰ্য্যন্ত চলিছিল। আহোম, কছাৰী, কোচ ৰজাসকলৰ লগতে সৰু সৰু ৰাজ্যবোৰতো সঘনাই যুদ্ধ-বিদ্ৰোহ আদি হৈছিল। যুদ্ধ-বিদ্ৰোহত জৰ্জৰিত জনসাধাৰণৰ বাবে আধ্যাত্মিক শান্তিও খৰচী প্ৰক্ৰিয়া আছিল। শংকৰদেৱে বহু দেৱতাৰ ঠাইত মাত্ৰ এক দেৱতা বিষ্ণুক, তপ-জপ, হোম-যজ্ঞ, বলি-বিধানৰ পৰিৱৰ্তে কেৱল নামধৰ্মৰ মাজেদিয়েই ধনী-দুখীয়া, উচ্চ-নীচ নিৰ্বিশেষে সকলোৱে উপলব্ধি কৰিব পৰাকৈ নৱ-বৈষ্ণৱ ধৰ্মৰ সূচনা কৰিলে। এই ধাৰামতে অন্তৰৰ ভক্তিৰেহে ভগৱানক উপলব্ধি কৰিব পাৰি। কাব্য, গীত-পদ, নাট লিখন, বাদ্য, অভিনয়, চিত্ৰাংকন, পুথি লিখন শৈলী উদ্ভাৱন, সত্ৰ-নামঘৰ প্ৰতিষ্ঠা, সামাজিক বৈষম্য-অস্পৃশ্যতা বিলোপ আদিৰে সকলোকে আকৰ্ষণ কৰিলে।

**চৰিত পুথি ঃ**

চৰিত পুথি শংকৰোত্তৰ কালৰ সৃষ্টি। ই মূলতঃ ভকতীয়া পদ্যৰ নিদৰ্শন। সত্ৰ-নামঘৰত মহাপুৰুষসকলৰ চৰিত-কীৰ্তন নৈমিত্তিক প্ৰসংগত অন্তৰ্ভুক্ত হৈ পৰে। শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আদিৰ তিৰোধানৰ পাছত অৱতাৰী পুৰুষৰূপে গণ্য কৰি তেওঁলোকৰ গুণ-গৰিমা শ্ৰৱণ-কীৰ্তন কৰা ধৰ্মকাৰ্য্যৰূপে পৰিগণিত হোৱা চৰিত পুথিৰ যোগেদি ভকতীয়া গদ্যৰো বিকাশ হয়।

**বুৰঞ্জী সাহিত্য ঃ**

বুৰঞ্জী সাহিত্য আহোমসকলৰ অৱদান আৰু ইয়াৰ সৃষ্টি হয় সপ্তদশ শতিকাৰ মাজভাগত। এতিয়ালৈকে ডেৰশৰো অধিক বুৰঞ্জী উদ্ধাৰ হৈছে। বুৰঞ্জীসমূহ কথিত ভাষাত ৰচিত। বুৰঞ্জীসমূহত গুৰুত্বপূৰ্ণ ৰাজনৈতিক ঘটনাৰ উল্লেখ, চুবুৰীয়া ৰাজ্যৰ সৈতে সম্পৰ্ক, সমসাময়িক সমাজৰ জীৱনধাৰা সাহিত্যিক গদ্যৰ মাজেৰে প্ৰতিফলিত হৈছে।

**ব্যৱহাৰিক জ্ঞানৰ পুথি ঃ**

সুকুমাৰ বৰকাথৰ সচিত্ৰ *হস্তীবিদ্যাৰ্ণৱ* (১৭৩৪ খৃঃ), *ঘোঁৰা নিদান* (১৭৪০ খৃঃ), কবিৰাজ চক্ৰৱৰ্তীৰ জ্যোতিষ চৰ্চাৰ গ্ৰন্থ *ভাস্বতী, অংকৰ আৰ্য্যা*, সুচান্দ ওজাৰ *শ্ৰীহস্ত মুক্তাৱলীৰ* অনুবাদ, মধুমিশ্ৰ বাগীশৰ *নীতি লতাংকুৰ* আদি অসমীয়ালৈ অনূদিত ব্যৱহাৰিক জ্ঞানৰ পুথি।



## ১.২.৮ অনুশীলনী

### ১.২.৮.১ বোধজ্ঞান অনুশীলনী

(১) পাঠটিৰ ভিত্তিত তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়ক। প্ৰতিটো প্ৰশ্নৰ বাবে তিনিটাকৈ বিকল্প দিয়া আছে; শুদ্ধ উত্তৰ বাছি লৈ ✔ চিন দিয়ক ঃ

(ক) অসমত আৱিষ্কৃত কোন শতিকাৰ শিলালিপিৰপৰা অসমীয়া ভাষাৰ লিখন পৰম্পৰাৰ প্ৰাচীনত্ব নিৰ্ণয় কৰিব পাৰি?

১) ১০ম শতিকা
২) ১৩শ শতিকা
৩) ৪ৰ্থ শতিকা

(খ) অসমীয়া ভাষাৰ মূল—

১) দ্ৰাবিড় ভাষা
২) অষ্ট্ৰিক ভাষা
৩) ভাৰতীয় আৰ্য্য ভাষা

(গ) বিহুগীতসমূহ কোন শ্ৰেণীৰ সাহিত্য—

১) লিখিত সাহিত্য
২) মৌখিক লোক সাহিত্য
৩) বৈষ্ণৱ সাহিত্য

(ঘ) অসমীয়া সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন—

১) মন্ত্ৰ সাহিত্য
২) ডাকৰ বচন
৩) চৰ্য্যাপদ

(ঙ) *সপ্তকাণ্ড ৰামায়ণৰ* অসমীয়া অনুবাদক

১) হেম সৰস্বতী
২) ৰুদ্ৰ কন্দলী
৩) মাধৱ কন্দলী

(চ) *গীতি ৰামায়ণৰ* ৰচক

১) ৰাম সৰস্বতী
২) মনকৰ
৩) দুৰ্গাবৰ

(ছ) *শ্ৰীকৃষ্ণ কীৰ্তনৰ* ৰচক

১) গোপাল আতা
২) বড়ু চণ্ডীদাস
৩) সিদ্ধ মীননাথ

(জ) অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰতিষ্ঠাতা

১) মাধৱ কন্দলী
২) মাধৱদেৱ
৩) শংকৰদেৱ

(ঝ) অসমৰ একশৰণ নামধৰ্মৰ গুৰুসকলৰ জীৱন, মাহাত্ম্য, গুণ চৰ্চা হয়

১) মন্ত্র পুথিত

২) চৰিত পুথিত

৩) বুৰঞ্জী পুথিত



(ঞ) প্ৰথম অসমীয়া সংবাদপত্ৰ-আলোচনী

১) জোনাকী

২) বাঁহী

৩) অৰুনোদই

(২) তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ একেটা বাক্যত লিখক ঃ

(ক) অসমীয়া আৰু বাংলা ভাষাই প্ৰথম লিখিত সাহিত্যিক নিদৰ্শনৰূপে দাবী কৰা সাহিত্যকৰ্মসমূহ কি নামেৰে জনা যায়?

(খ) *গুণ্‌গুণনি, লুইতী* আৰু *মায়াপী* গীতি সংকলনৰ প্ৰণেতা কোন?

(গ) *অসমীয়া ল'ৰাৰ মিত্ৰ* কাৰ ৰচনা?

(ঘ) কৃষিপ্ৰধান চহা মানুহৰ ধৰ্ম, নীতি, ৰন্ধন, কৃষি, জ্যোতিষ, স্বাস্থ্য, বতৰ, ৰাজনীতি, গৃহনিৰ্মাণ আদিৰ অভিজ্ঞতা সঞ্চিত হৈ থকা বচনবোৰক কি নামেৰে জনা যায়?

(ঙ) লোক-সাহিত্যৰ ভিতৰত কি কি সামৰি ল'ব পাৰিব?

(চ) বৰগীতৰ ৰচক কোন?

(ছ) *প্ৰহ্লাদ চৰিত্ৰ* পুথিৰ লেখক কোন?

(জ) প্ৰথম অসমীয়া আধুনিক নাটকখনৰ নাম কি?

(ঝ) *মিৰি জীয়ৰী* উপন্যাসৰ ৰচক কোন?

(ঞ) প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবিজন কোন?

(৩) তলৰ শাৰীবোৰ পাঠটোৰপৰা তুলি দিয়া হৈছে। তাৰ মাজৰ দুই-এটা শব্দ উঠাই দিয়া হৈছে। পাঠটোৰপৰা বিচাৰি সেই শব্দৰে খালী ঠাই সম্পূৰ্ণ কৰক।

(ক) খৃষ্টীয় ৪ৰ্থ শতিকা বা তাৰো আগৰেপৰা অসমত ........ পৰম্পৰা আছিল বুলি প্ৰমাণিত হয়।

(খ) হেম সৰস্বতীয়ে দুৰ্লভ নাৰায়ণৰ পৃষ্ঠপোষকতাত ........ আৰু ........ ৰচনা কৰে।

(গ) অসমীয়া ভাষাৰ ইতিহাসক ড° বাণীকান্ত কাকতিয়ে ........ প্ৰধান ভাগত ভাগ কৰিছে।

(ঘ) অসমীয়া আলোচনী আৰু সংবাদ-পত্ৰ ........ ৰপৰা আৰম্ভ হয়।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া ........ জনক।

(চ) ৰঘুনাথ মহন্তই *কথা ৰামায়ণ, অদ্ভুত ৰামায়ণ* আৰু ........ নামৰ তিনিখন পুথি ৰচনা কৰি গৈছে।

(ছ) শ্ৰীমন্ত শংকৰদেৱে ........ ধৰ্ম প্ৰৱৰ্তন কৰি অসমীয়া সমাজ আৰু সাহিত্যৰ ভেটি সুদৃঢ় কৰিলে।

(জ) সাহিত্য বুলিলে গদ্য আৰু ........ উভয়কে বুজায়।

## ১.২.৮.২ ব্যাকৰণৰ অনুশীলনী

১) অৰ্থ লিখি বাক্য ৰচনা কৰক

শিলালিপি, সাহিত্য আন্দোলন, যুদ্ধোত্তৰ, গীতি কবিতা, ভকতীয়া গদ্য

২) তলৰ শব্দবোৰৰ বিপৰীত অৰ্থ লিখি বাক্যত ব্যৱহাৰ কৰক।

গদ্য, মিছনেৰী, কাব্য, পূৰ্বৱৰ্তী

(৩) ওপৰৰ আলোচনাৰ মাজৰ পৰা উপসৰ্গ ব্যৱহাৰ কৰা দহটা শব্দ চিনাক্ত কৰি উপসৰ্গসমূহ চিনাক্ত কৰক।

## ১.২.৮.৩ পঠন অনুশীলনী

১) সমগ্ৰ পাঠটো পঢ়ক আৰু ইয়াৰ কোনটো অংশ ভাল লাগিল বিচাৰি চাওক।

২) ভাল লগা অংশটো পুনৰ পঢ়ক। অংশটো কিয় বেছি ভাল লাগিল বিচাৰি উলিয়াওক।

৩) পাঠত পোৱা নতুন শব্দবোৰ মনত ৰাখক।

৪) নতুন শব্দবোৰৰ বানান আৰু অৰ্থ মনত ৰাখক।

৫) বৰ্তমান অপ্ৰচলিত হৈ পৰা কি কি শব্দ পাঠটিত পাইছে বিচাৰ কৰক।

৬) অসমীয়া ভাষাৰ মূল উৎস কি বিচাৰ কৰক।

৭) অসমীয়া ভাষা-সাহিত্যৰ প্ৰথম লিখিত সমল কি আৰু কেতিয়াৰ বুলি আপুনি বিচাৰি পাইছে?

৮) অসমীয়া সাহিত্যৰ ক্ৰমবিকাশৰ ধাৰাটো আপুনি আয়ত্ত কৰিব পাৰিছেনে? বিচাৰ কৰি চাওক।

৯) অসমীয়া সাহিত্যক প্ৰতিষ্ঠা কৰাত কোন কেইগৰাকী লেখকৰ বৰঙণি অধিক বুলি আপুনি ভাবিছে। তেখেতসকলৰ নামবোৰ মনত ৰাখক।

১০) পাঠটোত অসমীয়া সাহিত্যৰ ক্ৰমবিকাশৰ কোনবোৰ দিশ ৰৈ গৈছে বিচাৰ কৰক।



### ১.২.৮.৪ লিখন অনুশীলনী

১) অসমীয়া সাহিত্যৰ সংজ্ঞা দিয়ক।

২) অসমীয়া সাহিত্যৰ পটভূমি বৰ্ণনা কৰক।

৩) অসমীয়া ভাষা-সাহিত্যৰ উদ্ভৱ সম্পৰ্কে লিখক।

৪) অসমীয়া সাহিত্যৰ যুগ বিভাগ বিশ্লেষণ কৰি চমুকৈ লিখক।

৫) অসমীয়া মৌখিক সাহিত্য বা লোক-সাহিত্য সম্পৰ্কে বৰ্ণনা কৰক।

৬) আদি যুগৰ অসমীয়া সাহিত্য সম্পৰ্কে লিখক।

৭) অসমীয়া সাহিত্যৰ মধ্য যুগ কি কি সাহিত্যৰে সমৃদ্ধ বৰ্ণনা কৰক।

৮) অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান সম্পৰ্কে বিশ্লেষণ কৰক।

৯) অসমীয়া সাহিত্যৰ ৰোমাণ্টিক বা ৰমন্যাসিক যুগৰ বিশেষত্ব আৰু অৱদান কি কি বৰ্ণনা কৰক।

১০) অসমীয়া সাহিত্যৰ আধুনিক যুগ সম্পৰ্কে নিজে লিখক।

## ১.২.৯ উত্তৰ সংকেত

বোধজ্ঞান অনুশীলনীবোৰ তলত দিয়া উত্তৰৰ লগত মিলাই চাই আপোনালোকে কৰা ভুলসমূহ শুধৰাই লওক।

(১) (ক) ১) ১০ম শতিকা
২) ১৩শ শতিকা
৩) ৪ৰ্থ শতিকা ✔

(খ) ১) দ্ৰাবিড় ভাষা
২) অষ্ট্ৰিক ভাষা
৩) ভাৰতীয় আৰ্য্য ভাষা ✔

(গ) ১) লিখিত সাহিত্য
২) লোক সাহিত্য ✔
৩) বৈষ্ণৱ সাহিত্য

(ঘ) ১) মন্ত্ৰ সাহিত্য
২) ডাকৰ বচন
৩) চৰ্য্যাপদ ✔

(ঙ) ১) হেম সৰস্বতী
২) ৰুদ্ৰ কন্দলী
৩) মাধৱ কন্দলী ✔

(চ) ১) ৰাম সৰস্বতী
২) মনকৰ
৩) দুৰ্গাবৰ ✔

(ছ) ১) গোপাল আতা
২) বড়ু চণ্ডীদাস ✔
৩) সিদ্ধ মীননাথ
(জ) ১) মাধৱ কন্দলি
২) মাধৱদেৱ
৩) শংকৰদেৱ ✔
(ঝ) ১) মন্ত্র পুথিত
২) চৰিত পুথিত ✔
৩) বুৰঞ্জী পুথিত
(ঞ) ১) জোনাকী
২) বাঁহী
৩) অৰুনোদই ✔



২) (ক) অসমীয়া আৰু বাংলা ভাষাই প্ৰথম লিখিত সাহিত্যিক নিদৰ্শনৰূপে দাবী কৰা সাহিত্যকৰ্মসমূহ *চৰ্য্যাপদ* নামেৰে জনা যায়।
(খ) *গুণ্‌গুণনি, লুইতী* আৰু *মায়াপী* গীতি সংকলনৰ প্ৰণেতা হ'ল পাৰ্বতি প্ৰসাদ বৰুৱা।
(গ) *অসমীয়া ল'ৰাৰ মিত্ৰ* আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনা।
(ঘ) কৃষিপ্ৰধান চহা মানুহৰ ধৰ্ম, নীতি, ৰন্ধন, কৃষি, জ্যোতিষ, স্বাস্থ্য, বতৰ, ৰাজনীতি, গৃহনিৰ্মাণ আদিৰ অভিজ্ঞতা সঞ্চিত হৈ থকা বচনবোৰক ডাকৰ বচন নামেৰে জনা যায়।
(ঙ) লোক-সাহিত্যৰ ভিতৰত লোকগীত, সাধুকথা আৰু ফকৰা যোজনা প্ৰৱচনক সামৰি ল'ব পাৰি।
(চ) বৰগীতৰ ৰচক শংকৰদেৱ আৰু মাধৱদেৱ।
(ছ) *প্ৰহ্লাদ চৰিত্ৰ* পুথিৰ লেখক হেম সৰস্বতী।
(জ)প্ৰথম অসমীয়া আধুনিক নাটকখনৰ নাম *ৰাম-নৱমী*।
(ঝ) *মিৰি জীয়ৰী* উপন্যাসৰ ৰচক ৰজনীকান্ত বৰদলৈ।
(ঞ)প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলি।

## ১.২.১০ অতিৰিক্ত পঠন উপদেশ

অসমীয়া সাহিত্যৰ উদ্ভৱ, সমৃদ্ধি আৰু ক্ৰমবিকাশ সম্পৰ্কে বহলাই জানিবলৈ হ'লে তলৰ কিতাপকেইখন পঢ়িব—

১) *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* ঃ ড° সত্যেন্দ্ৰনাথ শৰ্মা
২) *অসমীয়া সাহিত্যৰ ৰূপৰেখা* ঃ ড° মহেশ্বৰ নেওগ
৩) *অসমীয়া সাহিত্যৰ বুৰঞ্জী* ঃ আনন্দৰাম বৰুৱা ভাষা কলা সংস্কৃতি কেন্দ্ৰৰ দ্বাৰা প্ৰকাশিত
৪) *অসমীয়া সাহিত্যত দৃষ্টিপাতঃ* হেমন্তকুমাৰ শৰ্মা

# খণ্ড-১ গোট-III ঃ আদি স্তৰৰ অসমীয়া সাহিত্যৰ নিৰ্বাচিত পাঠ (চৰ্যাপদ ঃ ‘কা আ তৰুবৰ পঞ্চৱি ডাল) Select piece of early Assamese literature (Charyapada : ‘Ka a Tarubara Pancha bi dal)

গাঁথনি

১.৩.১ পাতনি
  ১.৩.১.১ পৰিচয়
  ১.৩.১.২ উদ্দেশ্য
১.৩.২ চৰ্যাপদ ঃ এটি পৰিচয়
  ১.৩.২.১ চৰ্যাপদৰ উৎস আৰু ৰচনাকাল
  ১.৩.২.২ চৰ্যাপদৰ বিষয়বস্তু
  ১.৩.২.৩ চৰ্যাপদৰ ৰচকসকল
  ১.৩.২.৪ চৰ্যাপদৰ ভাষা
১.৩.৩ নিৰ্বাচিত চৰ্যাটিৰ আলোচনা
  ১.৩.৩.১ গীতিকাৰগৰাকীৰ পৰিচয়
  ১.৩.৩.২ মূল পাঠ
  ১.৩.৩.৩ ভাবানুবাদ
  ১.৩.৩.৪ কাব্যিক তাৎপৰ্য
১.৩.৪ শব্দটোকা
১.৩.৫ অনুশীলনী
  ১.৩.৫.১ বোধজ্ঞানৰ অনুশীলনী
  ১.৩.৫.২ বৈয়াকৰণিক অনুশীলনী
  ১.৩.৫.৩ পঠন অনুশীলনী
  ১.৩.৫.৪ লিখন অনুশীলনী
১.৩.৬ উত্তৰ সংকেত
১.৩.৭ অতিৰিক্ত পঠন উপদেশ

## ১.৩.১ পাতনি

### ১.৩.১.১ পৰিচয়

অসমীয়া কবিতাৰ এক স্বকীয় ধাৰা আছে। লোক-কবিতাৰ বৰ্ণাঢ্য পৰিক্ৰমাৰ লগতে লিখিত ৰূপত আনুমানিক খ্ৰীষ্ট্ৰীয় অষ্টম শতিকাৰপৰা অসমীয়া কাব্য-সাহিত্যই গতি লাভ কৰে আৰু এই কাব্যযাত্ৰাত চৰ্যাগীতসমূহে প্ৰথমটো মাইলৰ খুঁটি পোতে। ক্ৰমশঃ বড়ু চণ্ডীদাসৰ ‘শ্ৰীকৃষ্ণকীৰ্ত্তন’, ৰামাই পণ্ডিতৰ ‘শূন্যপুৰাণ’ৰ মাজেদি আহি আহি চতুৰ্দশ শতিকাত প্ৰাক শংকৰ যুগ, শংকৰ যুগ, শংকৰোত্তৰ যুগ, আধুনিক যুগ তথা আজিৰ সময়লৈকে অসমীয়া কাব্যসাহিত্যই সণ্চালনি গতিৰে যাত্ৰা কৰি অসমীয়া কাব্যসাহিত্যক বিশেষ মাত্ৰা দিবলৈ সক্ষম হৈছে। এই বিষয়ে আপোনালোকে নিশ্চয় দ্বিতীয় গোটটোত এক সামগ্ৰিক আভাস লাভ কৰিছে। এই আলোচনাত প্ৰথমটি চৰ্যাগীত ‘কাআ তৰুবৰ পঞ্চৱি ডাল’ৰ ব্যাখ্যাৰ জৰিয়তে অসমীয়া লিখিত সাহিত্য তথা কাব্যসাহিত্যৰ প্ৰথমটো ঢাপ চৰ্যাপদৰ বিষয়ে আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

### ১.৩.১.২ উদ্দেশ্য

ক) প্ৰত্ন অসমীয়া ভাষা-সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন হিচাপে চৰ্যাপদৰ বিষয়ে আভাস দিয়া।

খ) চৰ্যাগীতৰ মূল উৎস, ৰচক আৰু ৰচনাকাল, ৰাগ আদিৰ বিষয়ে অৱগত কৰা।

গ ) চৰ্যাগীতৰ ভাষাৰ স'তে অসমীয়া ভাষাৰ প্ৰত্যক্ষ মিল সম্পৰ্কে এটি ধাৰণা তুলি ধৰা।

ঘ) প্ৰথমটি চৰ্যাগীতৰ ৰচকৰ বিষয়ে পৰিচয় কৰি দিয়া।

ঙ) প্ৰথমটি চৰ্যাৰ গূঢ়াৰ্থ সম্পৰ্কে ধাৰণা দিয়া



## ১.৩.২ চৰ্যাপদ ঃ এটি পৰিচয়

### ১.৩.২.১ চৰ্যাপদৰ উৎস আৰু ৰচনাকাল

চৰ্যাগীত বা চৰ্যাপদ মূলতঃ বৌদ্ধ ধৰ্মাৱলম্বী বজ্ৰযান পন্থাৰ একাংশ সিদ্ধপুৰুষে লিখা ধৰ্মসাধনাৰ গীত। কোনো নিৰ্দিষ্ট সংজ্ঞাত আবদ্ধ নোহোৱা এই গীতসমূহ মূলতঃ বজ্ৰযান পন্থাৰ সাধন প্ৰণালীৰ শিক্ষা দিয়াৰ উদ্দেশ্য আগত ৰাখি ৰচনা কৰা হৈছিল। আনুমানিক খ্ৰীষ্টীয় অষ্টম-দ্বাদশ শতিকাৰ ভিতৰত লিখিত চৰ্যাপদসমূহৰ উদ্ধাৰকাৰ্য বেছিদিনীয়া নহয়। বিংশ শতিকাৰ প্ৰথম দশকত, ১৯০৭ খ্ৰীষ্টাব্দত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজ দৰবাৰৰ গ্ৰন্থাগাৰৰপৰা *চৰ্যাচৰ্যবিনিশ্চয়* শীৰ্ষক পুথিখন সংগ্ৰহ কৰি আনে। ইয়াৰ লগতে সৰোজবজ্ৰৰ *দোহাকোষ*, কৃষ্ণাচাৰ্য্যৰ *দোহাকোষ* আৰু অজ্ঞাত লেখকৰ *ডাকাৰ্ণৱ* নামেৰে তিনিখন পুথি একত্ৰিত কৰি শাস্ত্ৰীয়ে সম্পাদিত ৰূপত *হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধ গান ও দোহা* নাম দি 'বঙ্গীয় সাহিত্য পৰিষৎ', কলিকতাৰপৰা ১৯১৬ খ্ৰীষ্টাব্দত প্ৰকাশ কৰি উলিয়ায়। চৰ্যাগীতৰ বিষয়ে ইয়াৰ প্ৰথম সংস্কৃত ভাষ্যকাৰ মুনিদত্ত তথা বিশিষ্ট পণ্ডিত ৰাহুল সাংকৃত্যায়ন, সুকুমাৰ সেন আদিয়ে ইতিমধ্যে গৱেষণাধৰ্মী আলোচনা আগবঢ়াইছে। উল্লেখযোগ্য যে, হৰপ্ৰসাদ শাস্ত্ৰীৰ লগতে সুনীতি কুমাৰ চট্টোপাধ্যায়, প্ৰবোধ চন্দ্ৰ বাগচী, ৰাহুল সাংকৃত্যায়ন, সুকুমাৰ সেন আদি ব্যক্তিয়ে চৰ্যাগীতসমূহ সংকলিত কৰাৰ লগতে পাঠোদ্ধাৰো কৰিবলৈ সক্ষম হৈছে। মুনিদত্তৰ সংস্কৃত ভাষ্য *চৰ্যাগীতকোষ*, ৰাহুল সাংকৃত্যায়নৰ *দোহাকোশ*, প্ৰবোধ চন্দ্ৰ বাগচী আৰু শান্তি ভিক্ষু বিশ্বভাৰতীৰ *চৰ্যাগীতি কোষ*, সৌমেন্দ্ৰ নাথ সৰকাৰৰ *চৰ্যাগীতি কোষ*, মণীন্দ্ৰ মোহন বসুৰ *চৰ্যাপদ*, সুকুমাৰ সেনৰ *চৰ্যাগীতি-পদাৱলী* আদিবোৰ হৈছে চৰ্যাপদৰ সংকলিত ৰূপ।

অসমীয়া ভাষাত পৰীক্ষিত হাজৰিকা (*চৰ্য্যাপদ*, ১৯৮৭), বিশ্বেশ্বৰ হাজৰিকা (*চৰ্যাগীতিকোষ*, ২০১২), ড° প্ৰণৱজ্যোতি ডেকা (*চৰ্যাগীত আৰু বৌদ্ধ-তন্ত্ৰ*, ২০০১) প্ৰমুখ্যে কেইবাগৰাকী লেখকে চৰ্যাগীতৰ বিষয়ে গ্ৰন্থাকাৰে আলোচনা কৰিছে। উল্লেখযোগ্য যে, অসমীয়া, বাংলা, ওড়িয়া আদি নব্য ভাৰতীয় আৰ্যভাষাই নিজ নিজ ভাষাৰ প্ৰত্ন বা প্ৰাচীন নিদৰ্শন বুলি চৰ্যাগীতক সামৰি লৈছে। দৰাচলতে এই সকলোকেইটি ভাষাৰে প্ৰত্নৰূপৰ ই উমৈহতীয়া সমল।

**আত্ম মূল্যায়ন**

১। চৰ্যাপদসমূহ কি উদ্দেশ্য আগত ৰাখি ৰচনা কৰা হৈছিল?

.................................................................................................

.................................................................................................

২। অসমীয়া ভাষাত প্ৰথম চৰ্যাপদসমূহ কোনে সংকলিত কৰি প্ৰকাশ কৰিছিল?

.................................................................................................

.................................................................................................

৩। কোন কোন ভাষাই প্ৰাচীন নিদৰ্শনৰূপে চৰ্যাপদসমূহক দাবী কৰে?

.................................................................................................

.................................................................................................

৪। চৰ্যাপদৰ প্ৰথম সংস্কৃত ভাষ্যকাৰজন কোন?

.................................................................................................

.................................................................................................

### ১.৩.২.২ চৰ্যাপদৰ বিষয়বস্তু

আদি স্তৰৰ অসমীয়া সাহিত্যৰ নিৰ্বাচিত পাঠ (চৰ্যাপদ ঃ 'কা আ তৰুবৰ পঞ্চৱি ডাল)

ঘাইকৈ শূন্য, বিজ্ঞান আৰু মহাসুখবাদক মোক্ষ লাভৰ মূল বিষয়ৰূপে লৈ বজ্ৰাচাৰ্য সিদ্ধসকলৰ দ্বাৰা ৰচিত চৰ্যাপদসমূহ কেতিয়াবা সহজ আৰু কেতিয়াবা দ্ব্যৰ্থক অৰ্থাৎ ইয়াৰ অৰ্থ দুই প্ৰকাৰৰ— বাহ্যিক আৰু আভ্যন্তৰীণ। পোনপটীয়াকৈ ইয়াৰ ব্যাখ্যা কৰাটো এক দুৰূহ কৰ্ম। মহাসুখবাদত বিশ্বাসী সিদ্ধপুৰুষসকলে সাঁথৰধৰ্মী তথা সঘন বক্ৰোক্তিৰ সহায়ত, সাংকেতিক ভাষাৰে লিখা তত্ত্বগধুৰ গীতসমূহৰ তাৎপৰ্য জানিবলৈ গুৰুৰ আশ্ৰয় যে ল'বই লাগিব— এই কথা বহু চৰ্যাত উল্লেখ কৰা হৈছে। ড° প্ৰণৱজ্যোতি ডেকাই *চৰ্যাগীত আৰু বৌদ্ধ-তন্ত্ৰ* শীৰ্ষক গ্ৰন্থত বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰি চৰ্যাগীতসমূহক তলত দিয়াৰ দৰে শ্ৰেণী বিভাজন কৰিছে—

(১) সাধাৰণ, অভিক্ষু, বৌদ্ধ ধৰ্ম্মাৱলম্বী ব্যক্তিক দিয়া উপদেশ— চৰ্যা নং ২।

(২) তন্ত্ৰধাৰা নিৰপেক্ষভাৱে সকলো বৌদ্ধ তান্ত্ৰিকক দিয়া উপদেশ— চৰ্যা নং ২৬, ২২, ২৩, ২৬, ৪০, ৪১, ৪২, ৪৩, ৪৪, ৪৫, ৪৬।

(৩) মধ্যমিকা দৰ্শনৰ পৰা উদ্ভুত ক্ৰিয়া তন্ত্ৰৰ প্ৰাণায়ামভিত্তিক সাধনা পথৰ অনুগামীসকলক উপদেশ দিয়া চৰ্যাগীত— চৰ্যা নং ১, ২৯।

(৪) প্ৰাণায়াম আৰু ধ্যানৰ কাৰিকৰী দিশ বৰ্ণনা কৰি গুৰুৱে শিষ্যক দিয়া উপদেশমূলক চৰ্যা— চৰ্যা নং ৩, ৪. ৫, ৯, ১০, ১১, ১২, ১২, ১৩, ১৪, ১৬, ১৭, ১৮, ১৯, ২১, ২৭, ৩০, ৩৪, ৩৬, ৩৮, ৪৭।

(৫) নিজৰ তন্ত্ৰপথেই মাত্ৰ শুদ্ধ, আন পথ নিষ্ফল বা ব্যাঘাতপূৰ্ণ চৰ্যা— নং ৭, ৮, ১০, ১৫, ২০, ৩১, ৩২, ৩৩, ৩৫, ৩৭, ৩৯, ৪৯।

(৬) আন তন্ত্ৰ পথক ব্যঙ্গ কৰি লিখা গীত, যি পৰিহাসমূলক অনুকৰণ— যাক বাস্তৱতে চৰ্যাগীত বোলাটো অনুচিত, কিন্তু বৰ্ত্তমান সংগ্ৰহত ঠাই পাইছে— চৰ্যা নং ২৮ আৰু ৫০।

চৰ্যাপদৰ নিৰ্দিষ্ট ৰাগ আছে আৰু বৰগীতৰ দৰে প্ৰতিটো গীতৰ শেষত ৰচকৰ নামত ভণিতা পোৱা গৈছে। ধ্ৰুং বা ধ্ৰুৱ আৰু পদ— এই দুই অংশত গীতসমূহ বিভক্ত। মাত্ৰাবৃত্ত ছন্দত ৰচিত প্ৰতিটো গীতৰ ছান্দিক বিন্যাসত অন্ত্যানুপ্ৰাস অৰ্থাৎ শেষৰ ধ্বনিৰ মিল দেখা যায়। চৰ্যা নং ১০, ২১, ২৩, ২৮, ৪৩, ৫০ -অৰ বাহিৰে সকলো চৰ্যাৰে মুঠ পদসংখ্যা ১০।

**আত্ম মূল্যায়ন**

১। মোক্ষ লাভৰ মূল বিষয় কি?

..............................................................................................................

..............................................................................................................

২। ড° প্ৰণৱজ্যোতি ডেকাৰ চৰ্যাগীতবিষয়ক গ্ৰন্থখনৰ নাম কি?

..............................................................................................................

..............................................................................................................

৩। এই গ্ৰন্থখনৰ মতে তেখেতে চৰ্যাপদৰ বিষয়বস্তুক কেইটা ভাগত ভগাইছে?

..............................................................................................................

..............................................................................................................

৪। লুইপাদে লিখা ১ নং চৰ্যাগীতৰ বিষয়বস্তু কি?

..............................................................................................................

..............................................................................................................

### ১.৩.২.৩ চৰ্যাপদৰ ৰচকসকল

বৌদ্ধ ধৰ্মাৱলম্বী বজ্ৰযান শাখাৰ ৮৪ গৰাকী সিদ্ধপুৰুষে ধৰ্মসাধনাৰ্থে চৰ্যাপদসমূহ ৰচনা কৰা বুলি জনা যায়। এই সিদ্ধপুৰুষসকলৰ মাজৰে ২৪ গৰাকী ৰচকৰ নামত চৰ্যাপদসমূহ পোৱা গৈছে।

চৰ্যাপদৰ ক্ৰম আৰু ৰাগ অনুসৰি তেখেতসকলে ৰচনা কৰা গীতিসম্পদসমূহ তলত দাঙি ধৰা হ'ল—

লুইপাদ (চৰ্যা—১, ৰাগ ঃ পটমঞ্জৰী),
কুক্কুৰীপাদ (চৰ্যা—২, ৰাগ ঃ গৱড়া),
বিৰুৱাপাদ (চৰ্যা—৩, ৰাগ ঃ গৱড়া),
গুণ্ডৰীপাদ (চৰ্যা—৪, ৰাগ ঃ অৰু),
চাটিল্লপাদ (চৰ্যা—৫, ৰাগ ঃ গুঞ্জৰী),
ভুসুকপাদ (চৰ্যা—৬, ৰাগ ঃ পটমঞ্জৰী),
কাহ্নপাদ (চৰ্যা—৭, ৰাগ ঃ পটমঞ্জৰী),
কম্বলাম্বৰপাদ (চৰ্যা—৮, ৰাগ ঃ দেৱক্ৰী),
কাহ্নপাদ (চৰ্যা—৯, ৰাগ ঃ পটমঞ্জৰী)
কহ্নুপাদ (চৰ্যা—১০, ৰাগ ঃ দেশাখ),
কৃষ্ণাচাৰ্য্যপাদ (চৰ্যা—১১, ৰাগ ঃ পটমঞ্জৰী),
কৃষ্ণাপাদ (চৰ্যা—১২, ৰাগ ঃ ভৈৰৰী),
কৃষ্ণাচাৰ্য্যপাদ (চৰ্যা—১৩, ৰাগ ঃ কামোদ),
ডোম্বীপাদ (চৰ্যা—১৪, ৰাগ ঃ ধনসী),
শান্তিপাদ (চৰ্যা—১৫, ৰাগ ঃ ৰামক্ৰী),
মহীধৰপাদ (চৰ্যা—১৬, ৰাগ ঃ ভৈৰৰী),
বীণাপাদ (চৰ্যা—১৭, ৰাগ ঃ পটমঞ্জৰী),
কৃষ্ণবজ্ৰপাদ (চৰ্যা—১৮, ৰাগ ঃ গউড়া),
কৃষ্ণপাদ (চৰ্যা—১৯, ৰাগ ঃ ভৈৰৰী),
কুক্কুৰীপাদ (চৰ্যা—২০, ৰাগ ঃ পটমঞ্জৰী),
ভুসুকপাদ (চৰ্যা—২১, ৰাগ ঃ বৰাড়ী),
সৰহপাদ (চৰ্যা—২২, ৰাগ ঃ গুঞ্জৰী),
ভুসুকপাদ (চৰ্যা—২৩, ৰাগ ঃ বৰাড়ী),
শান্তিপাদ (চৰ্যা—২৬, ৰাগ ঃ শীবৰী),
ভুসুকপাদ (চৰ্যা—২৭, ৰাগ ঃ কামোদ),
শৱৰপাদ (চৰ্যা—২৮, ৰাগ ঃ বলাডিডঃ),
লুইপাদ (চৰ্যা—২৯, ৰাগ ঃ পটমঞ্জৰী),
ভুসুকপাদ (চৰ্যা—৩০, ৰাগ ঃ মল্লাৰী),
আৰ্য্যদেৱপাদ (চৰ্যা—৩১, ৰাগ ঃ পটমঞ্জৰী),
সৰহপাদ (চৰ্যা—৩২, ৰাগ ঃ দ্বেশাখ),
ঢেণ্ঢণপাদ (চৰ্যা—৩৩, ৰাগ ঃ পটমঞ্জৰী),
দাৰিকপাদ (চৰ্যা—৩৪, ৰাগ ঃ বৰাড়ী),
ভাদেপাদ (চৰ্যা—৩৫, ৰাগ ঃ মল্লাৰী),
কৃষ্ণাচাৰ্যপাদ (চৰ্যা—৩৬, ৰাগ ঃ পটমঞ্জৰী),
তাড়কপাদ (চৰ্যা—৩৭, ৰাগ ঃ কামোদ),
সৰহপাদ (চৰ্যা—৩৮, ৰাগ ঃ ভৈৰৰী),
সৰহপাদ (চৰ্যা—৩৯, ৰাগ ঃ মালশী),
কাহ্নুপাদ (চৰ্যা—৪০, ৰাগ ঃ মালসী গবুড়া),
ভুসুকুপাদ (চৰ্যা—৪১, ৰাগ ঃ কহু গুংজৰী),
কাহ্নুপাদ (চৰ্যা—৪২, ৰাগ ঃ কামোদ),
ভুসুকুপাদ (চৰ্যা—৪৩, ৰাগ ঃ বঙ্গাল),
কঙ্কণপাদ (চৰ্যা—৪৪, ৰাগ ঃ মল্লাৰী),
কাহ্নুপাদ (চৰ্যা—৪৫, ৰাগ ঃ মল্লাৰী),



ignou THE PEOPLE'S UNIVERSITY

জয়নন্দীপাদ (চৰ্যা—৪৬, ৰাগ ঃ শৰৰী),
ধামপাদ (চৰ্যা—৪৭, ৰাগ ঃ গুঞ্জৰী),
ভুসুকুপাদ (চৰ্যা—৪৯, ৰাগ ঃ মল্লাৰী),
শৰৰপাদ (চৰ্যা—৫০, ৰাগ ঃ ৰামক্ৰী)



উল্লিখিত তালিকাৰপৰা দেখা গৈছে যে, একেগৰাকী চৰ্যাৰচকে ভিন ভিন ৰাগত কেইবাটাও চৰ্যাগীত ৰচনা কৰিছে। এইক্ষেত্ৰত ভুসুকপাদৰ চৰ্যাৰ সংখ্যাই অধিক। এইগৰাকী সিদ্ধাচাৰ্যই মুঠ আঠোটা গীত ৰচনা কৰিছে। আপোনালোকে চৰ্য্যাপদ সম্পৰ্কে এটা ধাৰণা কৰিবৰ বাবেহে এই গীতিকাৰসকলৰ বিষয়ে দিয়া হৈছে। মনত ৰাখিব যে, আমি মূল পাঠ 'কা আ তৰুবৰ' চৰ্য্যাটিৰ বিষয়ে আলোচনাৰ পূৰ্বাভাস হিচাপেহে এই কথাখিনি অৱগত কৰিছোঁ।

### আত্ম মূল্যায়ন

১। মুঠ সিদ্ধপুৰুষ কেইজন?

..............................................................................................................................

..............................................................................................................................

২। মুঠ কিমানজন সিদ্ধপুৰুষৰ নামত সংকলিত চৰ্যাপদসমূহ পোৱা গৈছে?

..............................................................................................................................

..............................................................................................................................

৩। কোনগৰাকী সিদ্ধাচাৰ্যই বেছি চৰ্যাপদ ৰচনা কৰিছে?

..............................................................................................................................

..............................................................................................................................

### ১.৩.২.৪ চৰ্যাপদৰ ভাষা

চৰ্যাপদৰ ভাষাই প্ৰাকৃত স্তৰৰ শেষ পৰ্যায়ৰ নিদৰ্শনৰ প্ৰতিনিধিত্ব কৰে। মুনি দত্তকে প্ৰমুখ্য কৰি চৰ্যাপদৰ বহু ব্যাখ্যাকাৰে সংকলয়িতাই চৰ্যাগীতৰ ভাষাক 'সন্ধ্যা ভাষা'ৰূপে মন্তব্য দিছে। চৰ্যাপদৰ আৱিষ্কাৰক মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীৰ মতে, "সন্ধ্যা ভাষা মানে আলো আঁধাৰি ভাষা, কতক আলো কতক অন্ধকাৰ, খানিক বুঝা যায়, খানিক বুঝা যায় না।" ঠিক এনেদৰে বহুকেইজন চৰ্যাগীতৰ সংকলকে দিয়া এই অভিমত ড° প্ৰণৱজ্যোতি ডেকাই খণ্ডন কৰি সন্ধ্যা ভাষাৰ সলনি 'সন্ধি ভাষা' হোৱাটোহে যুগুত বুলি যুক্তি আগবঢ়াইছে। চৰ্যাপদৰ ভাষাত সংস্কৃত শব্দৰ সংখ্যাই অধিক। তাৰ লগতে প্ৰাকৃত, প্ৰাচীন কামৰূপৰ ভাষা, বাংলা, ওড়িয়া ভাষাকো ই প্ৰতিনিধিত্ব কৰে। সুকুমাৰ সেনে চৰ্যাপদসমূহক 'বোবা গুৰুৱে কলা শিষ্য'ক দিয়া নিগূঢ় জ্ঞানৰ সৈতে ৰিজনি দিছে। চৰ্যাপদত বিশেষতঃ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দচয়নৰ ক্ষেত্ৰত প্ৰাচীন অসমীয়া আৰু আধুনিক অসমীয়া ভাষাৰ বহু মিল ৰক্ষিত হৈছে। তলত চৰ্যাপদৰ ভাষাতাত্ত্বিক দিশৰ কিছু বিশিষ্টতা আপোনালোকক জানিবৰ বাবে সৰলভাৱে তুলি ধৰা হ'ল।

**ধ্বনিতাত্ত্বিক বিশিষ্টতা ঃ**

ধ্বনিতাত্ত্বিক দিশত চৰ্যাপদৰ বৈশিষ্ট্য বিচাৰ কৰিলে দেখা যায় যে স্বৰ সমীভৱনৰ নিয়ম অনুসৰি সচৰাচৰ শব্দত ওচৰা-উচৰিকৈ থকা দুটা 'আ' ধ্বনিৰ প্ৰথমটো 'অ' ধ্বনিলৈ পৰিৱৰ্তিত হয়। অসমীয়া ভাষাত এই বৈশিষ্ট্য ৰক্ষিত হয়। যেনে—

| চৰ্যা | মান্য অসমীয়া | কামৰূপী উপভাষা |
|---|---|---|
| চকা | চকা | চাকা |
| বপা | — | বাপা |

দুটা স্বৰৰ মধ্যৱৰ্তী একক মহাপ্ৰাণ ধ্বনি সাধাৰণতে চৰ্যাগীতত 'হ' ধ্বনিলৈ ৰূপান্তৰিত হয়। যেনে ঃ মহাসুখ— মহাসুহ; কথন— কহন।

'য'-ৰ সলনি 'জ'-ৰ ব্যৱহাৰ। যেনে ঃ 'জে জে আইলা'(চৰ্যা ঃ ৭), 'জো ৰথে চড়িলা' (চৰ্যা ঃ ১৪), 'জাইবে', 'জই', 'জো' ইত্যাদি।

চৰ্যাপদত শ, ষ, স— এই তিনিটা ধ্বনিৰ প্ৰয়োগ একে নিয়মত হোৱা নাই। যেনে ঃ শবৰ, সবৰ, শবৰালি। এই বিশেষত্ব প্ৰাচীন অসমীয়া ভাষাত বিদ্যমান।

চৰ্যাপদৰ আন এটা ধ্বনিতাত্ত্বিক বিশেষত্ব হ'ল ঃ সমাপিকা ক্রিয়াৰ 'য়' ধ্বনিৰ সলনি 'ই'ৰ ব্যৱহাৰ। যেনে ঃ নজাই (নাযায়), কৰই (কৰয়) ইত্যাদি।

স্বৰ মধ্যৱৰ্তী ব্যঞ্জন চৰ্য্যাত লুপ্ত হৈছে। যেনে ঃ 'সঅল' (সকল), জোইনী (যোগিনী), গোঅৰ (গোচৰ) ইত্যাদি।

ধ্বনি পৰিৱৰ্তনৰ নিয়মানুসৰি স্বৰভক্তিৰ জৰিয়তে চৰ্যাগীতত যুক্ত বৰ্ণসমূহ ভাঙি সৰল কৰা হৈছে। যেনে ঃ গ্ৰাহক— গৰাহক; পদ্ম—পদম; দ্বাৰ—দুআৰ; প্ৰাণ— পৰাণ আদি।



## ৰূপতাত্ত্বিক বিশিষ্টতা ঃ

অসমীয়া ভাষাৰ সৰহভাগ ৰূপতাত্ত্বিক বিশেষত্ব চৰ্যাৰ স'তে মিলে। বিভক্তিৰ ক্ষেত্ৰত এই সামঞ্জস্য হুবহু পৰিলক্ষিত হয়। অসমীয়া ভাষাৰ দৰে চৰ্যাৰ ভাষাতো প্ৰথমা বিভক্তি '-এ' আৰু ষষ্ঠী বিভক্তিৰ '-ৰ'ৰ প্ৰয়োগ দেখা যায়। যেনে ঃ '**ৰুখেৰ** (-ৰ) তেন্তলি **কুম্ভীৰে** (-এ) খাঅ' (চৰ্যা ঃ ২)', '**হৰিণিৰ** নিলঅ', '**হৰিণাৰ** খুৰ' (চৰ্যা ঃ ৬)। দ্বিতীয়া বিভক্তি '-ক', '-অক'-ৰ প্ৰয়োগ ঃ 'ঠাকুৰক পৰিনিৰিত্তা' (চৰ্যা ঃ ১২); চতুৰ্থী বিভক্তি '-লৈ'ৰ প্ৰয়োগ— 'মেৰু শিখৰ লই' (চৰ্যা-৪৭)

সপ্তমী বিভক্তিৰ '-ত' চৰ্য্যাপদত অপৰিৱৰ্তিত ৰূপত বহিছে। যেনে ঃ 'হাড়ীত ভাত নাহিঁ নিতি আৱেশী' (চৰ্যা ঃ ৫); 'সাঙ্কমত চড়িলে দাহিণ বাম মা হোহী' (চৰ্যা ঃ ৫)

নঞাৰ্থক '-ন' চৰ্যাপদত শব্দৰ আদিত ব্যৱহাৰ হোৱাটো এক উল্লেখযোগ্য বৈশিষ্ট্য। যেনে ঃ 'ন দীসঅ' (চৰ্যা ঃ ৬), ণজাই (চৰ্যা ঃ ১৪); নো হোই (চৰ্যা ঃ ১৫); ন ৰাহঅ (চৰ্যা - ৩৬); ণ পেখই ((চৰ্যা - ৪২) ইত্যাদি। অসমীয়া ভাষাতো এই নিষেধাৰ্থক '-ন' প্ৰত্যয় শব্দৰ আদিত বহে। যেনে ঃ নহয়, নেদেখে, নাযায় ইত্যাদি। বাংলা ভাষাত এই নিয়ম ৰক্ষিত নহয়।

## শব্দগত বিশেষত্ব ঃ

চৰ্য্যাপদত সংস্কৃত ভাষাৰ বহু শব্দ হুবহু ৰক্ষিত হৈছে। উদাহৰণস্বৰূপে, তৰু, চঞ্চল, কাল, দিৱস, কুম্ভীৰ, কমল, তৰু, বৈৰী, ৰাত্ৰি, নিৰাস, ভুজঙ্গ, সদগুৰু, নলিনী, ৰৱি, শশি (শশী), কুণ্ডল, তৰঙ্গ, গন্ধ, কৰুণা, ৰাম, নৱযৌৱন ইত্যাদি।

চৰ্যাপদত বহু সংস্কৃত শব্দ অৰ্ধ তৎসম ৰূপত পোৱা যায়। যেনে ঃ

সং ঃ বৃক্ষেৰ— চৰ্যা ঃ ৰুখেৰ (**ৰুখেৰ** তেন্তলি কুম্ভীৰে খাঅ)
সং ঃ কামৰূপ— চৰ্যা ঃ কামৰু (ৰাতি ভইলে **কামৰু** যাঅ)
সং ঃ ৰাত্ৰি— চৰ্যা ঃ ৰাতি (ৰাতি ভইলে **কামৰু** যাঅ)
সং ঃ মধ্যে— চৰ্যা ঃ মঝেঁ (কোড়ি **মঝেঁ** এক হিআহিঁ সমাইউ)
সং ঃ অৰ্দ্ধৰাত্ৰি— চৰ্যা ঃ অধৰাতী (কানেট চৌৰি নিল **অধৰাতী**)
সং ঃ পিষ্ট— চৰ্যা ঃ পিটা (দুলি দুহি **পিটা** ধৰণ নজাই)
সং ঃ দৃঢ়— চৰ্যা ঃ দিঠ (**দিঢ়** কৰিঅ মহাসুহ পৰিমাণ)
সং ঃ গগন— চৰ্যা ঃ গঅণ (উইত্তা **গঅণ** মাঝেঁ অদভুআ)
সং ঃ দুৰ্জ্জন— চৰ্যা ঃ দুজ্জন (**দুজ্জন** সাঙ্গে অৱসৰি জাই)
সং ঃ বসতি— চৰ্যা ঃ বসই (উঞ্চা পাবত তঁহি **বসই** সৱৰী বালী)
সং ঃ গ্ৰাহক— চৰ্যা ঃ গৰাহক (আইল **গৰাহক** অপণে বহিআ), ইত্যাদি।

চৰ্যাপদত পোৱা তদ্ভৱ শব্দৰ উদাহৰণ এনেধৰণৰ ঃ ঘৰ; হাড়ীত; কাজ; উঠি; কহন; সঅল; ঘৰিণী ইত্যাদি।

চৰ্যাপদৰ মাজত বহু প্ৰবাদ-প্ৰবচন পোৱা যায়— যিবোৰ আধুনিক অসমীয়া ভাষাতো প্ৰয়োগ হৈ আহিছে। উদাহৰণস্বৰূপে—

(ক) অপণা মাংসেঁ হৰিণা বৈৰী (চৰ্যাপদ-৬)
হৰিণাৰ মাংসই বৈৰী (আধুনিক অসমীয়া)

(খ) ৰুখেৰ তেন্তলি কুম্ভীৰে খাঅ (চৰ্যাপদ)
গছৰ তেঁতেলি ঘৰিয়ালে খায় (অসমীয়া)

মুঠতে চৰ্যাপদৰ ভাষা বিশ্লেষণ কৰি অনায়াসে ক'ব পাৰি— চৰ্যাপদে অসমীয়া ভাষাৰ মূল ভেটি সুদৃঢ় কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

**আত্ম মূল্যায়ন**

১। চৰ্যাপদৰ ভাষাক 'সন্ধ্যাভাষা' বুলি কোনে কিদৰে অভিমত দিছে?

..............................................................................................................

..............................................................................................................

২। অসমীয়া ভাষাৰ স'তে সম্পৰ্কিত চৰ্যাপদৰ তিনিটা ধ্বনিতাত্ত্বিক বৈশিষ্ট্য লিখক।

..............................................................................................................

..............................................................................................................

৩। চৰ্যাপদত থকা কেইটামান সংস্কৃত শব্দ উল্লেখ কৰক।

..............................................................................................................

..............................................................................................................



## ১.৩.৩ নিৰ্বাচিত চৰ্য্যাটিৰ আলোচনা

### ১.৩.৩.১ গীতিকাৰগৰাকীৰ পৰিচয়

**লুইপাদ ঃ** বৌদ্ধ ধৰ্মাৱলম্বী সিদ্ধপুৰুষসকলৰ মাজৰে কেইবাগৰাকীমান লোক প্ৰাচীন কামৰূপৰ বুলি পণ্ডিতসকলে মতপোষণ কৰিছে। চৰ্যাপদৰ ৰচকসকলৰ ভিতৰত লুইপাদ (পাঠান্তৰে লুইপা, লুয়ীপাদ) কামৰূপৰ লোক বুলি বহু পণ্ডিতে মত পোষণ কৰিছে। লুইপাদ বা লুইপা বৌদ্ধ মন্ত্ৰযান শাখাৰ প্ৰথমগৰাকী সিদ্ধাচাৰ্য। তিব্বতৰ *পাগ্-চম্-জোন্-জন* গ্ৰন্থৰ মতে এইগৰাকী সিদ্ধাচাৰ্য কৈৱৰ্ত সম্প্ৰদায়ৰ লোক। তিব্বতী ঐতিহ্য অনুসৰি মীননাথৰেই আন নাম লুইপাদ। মুনিদত্তই সংকলিত কৰি টীকা লিখা চৰ্যাৰচকসকলৰ ক্ৰম অনুসৰি লুইপাদক ২১ নম্বৰত ৰাখিছে। লুইপাদে ৰচনা কৰা গ্ৰন্থসমূহ হ'ল ঃ *ভগৱন্-অভিসময়, বজ্ৰসত্ত্ব-সাধন, তত্ত্ব-স্বভাৱ-দোহাকোষ-গীতিকা-দৃষ্টি নাম, লুইপাদ-গীতিকা* আৰু *বুদ্ধোদয়*। লৌহিত্যপাদ নামেৰেও পৰিচিত লুইপাদ বিৰচিত চৰ্যাগীত দুটা ঃ চৰ্যা -১ আৰু চৰ্যা-২৯। দুয়োটা গীতৰে ৰাগ একেটাই— পটমঞ্জৰী।

### ১.৩.৩.২ মূল পাঠ

**ৰাগ ঃ পটমঞ্জৰী**

**ৰচক ঃ লুইপাদ**

কাআ তৰুবৰ পঞ্চ বি ডাল।
চঞ্চল চীএ পইঠো কাল।।
দিঢ় কৰিঅ মহাসুহ পৰিমাণ।
লুই ভণই গুৰু পুচ্ছিঅ জাণ।।
সঅল সমাহিঅ কাহি কৰিঅই।
সুখ-দুখেতেঁ নিচিত মৰিআই।।
এড়িএউ ছান্দক বান্ধ কৰণক পাটেৰ আস।
সুন্নপাখ ভিড়ি লাহুৰে পাস।।
ভণই লুই আমহে ঝাণে দিঠা।
ধমণ চমণ বেণি পাণ্ডি বইঠা।।

**পাঠান্তৰ ঃ** (বিভিন্ন পাঠত এই শব্দবোৰ সামান্য ইফাল-সিফাল পোৱা যায়।) পইঠো, পইঠা; দিঢ়, দিঠ, দিট; পুচ্ছিঅ, পুছিঅ; সঅল, সকল; সমহিঅ, সহিঅ; মৰিআই, মৰিঅই; কৰণক, কৰুণক; পাটেৰ. কপটেৰ; সুন্নপাখ, সুনুপাখ; ভিড়ি, ডিড়ি; লাহু, লেহু; ঝাণে, সাণে; পাণ্ডি, পিণ্ডি; বইঠা, বইণ।

### ১.৩.৩.৩ ভাবানুবাদ

মানৰ দেহ পাঁচোটা ডালবিশিষ্ট এজোপা বিশাল বৃক্ষসদৃশ। চঞ্চল চিত্তত সহজে কালে প্ৰৱেশ কৰে। মহাসুখ সম্বন্ধে জ্ঞান দৃঢ় কৰা। লুইয়ে কৈছে ঃ সমাধি অৱস্থা প্ৰাপ্তি কিদৰে হয়— গুৰুক সুধি জ্ঞান লাভ কৰাঁ। সুখ-দুখৰ চেতনা নিশ্চিতভাৱে ধ্বংস কৰাঁ। বাসনাযুক্ত কৰ্ম-চাতুৰিৰ আশা পৰিত্যাগ

কৰাঁ। শূন্যক আৱৰণস্বৰূপে আঁকোৱালি লোৱাঁ। লুইয়ে কৈছে ঃ মই দৃঢ়ভাৱে জানো— শ্বাস-প্ৰশ্বাস দুয়ো নাভিচক্ৰসদৃশ পাক খাই থাকে।

### ১.৩.৩.৪ কাব্যিক তাৎপৰ্য



'কাআ তৰুবৰ পঞ্চবি ডাল' চৰ্য্যাটি অতি তাৎপৰ্যপূৰ্ণ। মানৱ শৰীৰটোক এজোপা বৃক্ষৰ লগত তুলনা কৰাটো মন কৰিবলগীয়া। অতি সৰল ভাষাৰে মানৱৰূপী দেহবৃক্ষৰ পঞ্চ কৰ্মেন্দ্ৰিয় তথা পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ কথা লুইপাদে চৰ্য্যাটিৰ জৰিয়তে লোকমানসলৈ আনিছে। কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য্য— এই ছটা আসুৰিক প্ৰবৃত্তিয়ে অহৰহ বেৰি ৰখা এই মানৱদেহক চকু, কাণ, নাক, জিভা, ছাল এই পঞ্চ জ্ঞানেন্দ্ৰিয় আৰু বাক, পাণি, পাদ, পায়ু আৰু উপস্থ— এই পঞ্চ কৰ্মেন্দ্ৰিয়ই সঠিক পথ নিৰ্দেশ নকৰিলেই জীৱন দুৰ্বিষহ হৈ পৰিব। সেয়ে, 'কাআ তৰুবৰ পঞ্চবি ডাল' এই নামকৰণে মানৱ মন বৃক্ষৰ দৰেই স্থিতপ্ৰজ্ঞ হ'বলৈ নিৰ্দেশ দিছে।

শূন্যৰপৰাই সকলোৰে আৰম্ভণি আৰু শূন্যতেই সকলোৰে সমাপ্তি। এই শূন্যবাদক মূল ভিত্তি কৰি লুইপাদে ১ নং চৰ্যাটি ৰচনা কৰিছিল। 'কাআ তৰুবৰ পঞ্চ বি ডাল' শীৰ্ষক প্ৰথমটি চৰ্যাগীতত তেওঁ মানৱ দেহৰ অন্তঃসাৰশূন্যতাৰ কথা ৰূপক, সাঁথৰধৰ্মী আৰু প্ৰতীকী অভিব্যঞ্জনাৰে ব্যাখ্যা কৰিছে। প্ৰাণায়াম অথবা যোগাভ্যাসৰ জৰিয়তে মানৱ মনক সততে দমন কৰিব খোজা ছয় ৰিপুক নিয়ন্ত্ৰণ কৰি সঠিক দিশ নিৰ্দেশ কৰাত লুইপাদে বিশেষ গুৰুত্ব আৰোপ কৰিছে। ব্যক্তি বিশেষে চঞ্চল চিত্ত বা মনক নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে সময়ে সহজে তেনে ব্যক্তিক বাট এৰি অবাটে নিব পাৰে (চঞ্চল চীএ পইঠো কাল)। চিত্তৰ চঞ্চলতা আঁতৰোৱাৰ একমাত্ৰ উপায় হ'ল সাধনা, তপস্যা, প্ৰাণায়াম, যোগসাধনা (ধমণ চমণ বেণি পাত্তি বইণ)। শ্বাস-প্ৰশ্বাসক নিয়ন্ত্ৰণত ৰাখি সাধনাত বহিলে শূন্যতাৰ কেন্দ্ৰত উপনীত হোৱাটো সম্ভৱ। সাধনাৰ বাটত আউল লাগিলে গুৰুক সুধি জ্ঞান লভিবলৈকো লুইপাদে উপদেশ দিছে।

**আত্ম মূল্যায়ন**

১। দেহবৃক্ষত কি কি থাকে বুলি লুই পাদে কৈছে?

.......................................................................................................

.......................................................................................................

২। চৰ্য্যাটিত কি নিৰ্দেশ দিছে?

.......................................................................................................

.......................................................................................................

৩। লুইপাদে চৰ্য্যাটিত কি কথাত গুৰুত্ব দিছে?

.......................................................................................................

.......................................................................................................

## ১.৩.৪ শব্দটোকা

| | | |
|---|---|---|
| কাআ | ঃ | কায়া, শৰীৰ, দেহ |
| তৰুবৰ | ঃ | ডাঙৰ গছ |
| পঞ্চ | ঃ | পাঁচ |
| বি | ঃ | বিশেষণ |
| ডাল | ঃ | শাখা, ডাল |
| (পঞ্চ শাখা | ঃ | চকু, কাণ, নাক, জিভা; ছাল।) |
| চঞ্চল | ঃ | চঞ্চল, অস্থিৰ, স্থিৰতাহীন |
| চীএ | ঃ | চিত্তত, মনত, ভাবনাত |
| পইঠো | ঃ | প্ৰৱেশ কৰে, সোমায় |

| | | |
|---|---|---|
| কাল | ঃ | সময়, কাল, মৃত্যু |
| দিঢ় | ঃ | দৃঢ়, স্থিৰ |
| কৰিঅ | ঃ | কৰিবা, কৰা |
| মহাসুহ | ঃ | মহাসুখ, পৰম সুখ |
| পৰিমাণ | ঃ | প্ৰমাণ কৰা, নিৰ্ণয় কৰা |
| লুই ভণই | ঃ | লুইয়ে কয় |
| পুচ্ছিঅ | ঃ | সোধা, জিজ্ঞাস কৰা |
| জান | ঃ | জ্ঞাত হোৱা |
| সঅল | ঃ | সকল |
| সমাহিঅ | ঃ | সমাধিযুক্ত অৱস্থা, প্ৰাণায়ামৰত |
| কাহি | ঃ | কেনেকৈ |
| কৰিঅই | ঃ | কৰে |
| সুখ দুখেতে | ঃ | সুখ-দুখ অনুভৱ |
| নিচিত | ঃ | নিশ্চিতভাৱে, সম্পূৰ্ণভাৱে |
| মৰিআই | ঃ | মাৰি পেলোৱা, নিলগাই পেলোৱা |
| এড়িএউ | ঃ | ত্যাগ কৰা |
| ছান্দক | ঃ | কামনাযুক্ত আঁচনি |
| বান্ধ | ঃ | বন্ধন |
| কৰণক | ঃ | যোগ সাধনা |
| পাটেৰ | ঃ | পটুতাৰ, যোগ্যতাৰ |
| আস | ঃ | আশা |
| সুন্নপাখ | ঃ | শূন্যতাৰ অৱলম্বন |
| ভিড়ি | ঃ | ভিত্তি, মূল |
| লাহু ৰে | ঃ | লোৱা |
| পাস | ঃ | কাষলৈ, ওচৰলৈ |
| ভণই লুই | ঃ | লুইয়ে কয় বা কৈছে |
| আমহে | ঃ | মই |
| ঝাণে | ঃ | জানো |
| দিঠ | ঃ | দৃঢ়ভাৱে |
| ধমণ | ঃ | শ্বাস, উশাহ |
| চমণ | ঃ | প্ৰশ্বাস, নিশাহ |
| বেনি | ঃ | দুটা |
| পিণ্ডি | ঃ | চকাৰ মাজ |
| বইণ | ঃ | ভনী |

## ১.৩.৫ অনুশীলনী

### ১.৩.৫.১ বোধজ্ঞানৰ অনুশীলনী

১। তলত দিয়া উত্তৰবোৰৰ মাজত শুদ্ধ উত্তৰটো বাছি উলিয়াওক।

(ক) চৰ্যাপদসমূহ বৌদ্ধধৰ্মাৱলম্বী

১। তন্ত্ৰযান পন্থৰ ধৰ্মসাধনাৰ গীত।

২। বজ্ৰযান পন্থৰ ধৰ্মসাধনাৰ গীত।

৩। হীনযানপন্থৰ ধৰ্মসাধনাৰ গীত।

(খ) চৰ্যাপদসমূহৰ ৰচনাকাল আনুমানিক

১। ৮-১২ শতিকা

২। ৭-১১ শতিকা

৩। ১০-১২ শতিকা



(গ) চৰ্যাপদৰ প্ৰথমগৰাকী ৰচক হ'ল—

১। সৰহপাদ

২। ভুসুকুপাদ

৩। লুইপাদ

(ঘ) হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজ দৰবাৰৰ গ্ৰন্থাগাৰৰপৰা উদ্ধাৰ কৰি অনা গ্ৰন্থখনৰ নাম

১। চৰ্য্যা গীতিকোষ

২। দোহাকোষ

৩। চৰ্যাচৰ্যবিনিশ্চয়

(ঙ) লুইপাদে ৰচনা কৰা প্ৰথম চৰ্যাটিৰ ৰাগ

১। বৰাড়ী

২। পটমঞ্জৰী

৩। মল্লাৰী

২। তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়ক ঃ

(ক) চৰ্য্যাপদ কোন সময়ৰ ৰচনা? এই গীতৰাশি কোন ধৰ্ম সম্প্ৰদায়ৰ?

.............................................................................................................

.............................................................................................................

(খ) নেপালৰ ৰাজ দৰবাৰৰ গ্ৰন্থাগাৰৰপৰা কোনে কেতিয়া চৰ্যাগীতসমূহ উদ্ধাৰ কৰিছিল?

.............................................................................................................

.............................................................................................................

(গ) কোন চনত চৰ্য্যাপদসমূহ সংকলিত হয়? প্ৰকাশকৰ নাম লিখক।

.............................................................................................................

.............................................................................................................

(ঘ) চৰ্যাৰ ক্ৰম অনুসৰি প্ৰথম চাৰিগৰাকী চৰ্যাৰচকৰ নাম লিখক।

.............................................................................................................

.............................................................................................................

(ঙ) 'কাআ তৰুবৰ পঞ্চবি ডাল' চৰ্যাগীতটিৰ শিৰোনামৰ তাৎপৰ্য লিখক।

.............................................................................................................

.............................................................................................................

(চ) লুইপাদে ৰচনা কৰা চৰ্যাগীত দুটিৰ ক্ৰম আৰু ৰাগ কি?

.............................................................................................................

.............................................................................................................

(ছ) অৰ্থ লিখক ঃ মহাসুহ, সঅল।

.............................................................................................................

.............................................................................................................

৩। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ একেটা বাক্যতে লিখক ঃ

(ক) লুইপাদ ক'ৰ সিদ্ধাচাৰ্য বুলি জনা যায়?

.............................................................................................................

.............................................................................................................

(খ) লুইপাদক আন কি নামেৰে জনা যায়?

....................................................................................................

....................................................................................................

(গ) লুইপাদে কেইটা চৰ্যাগীত ৰচনা কৰিছিল?

....................................................................................................

....................................................................................................

(ঘ) ‘কাআ’, ‘তৰুবৰ’ শব্দৰ অৰ্থ কি?

....................................................................................................

....................................................................................................

(ঙ) ‘পঞ্চবি ডাল’ শব্দটিৰ প্ৰতীকী অৰ্থ কি?

....................................................................................................

....................................................................................................

(চ) সমাধি অৱস্থা কিদৰে পাব পাৰি জানিবলৈ লুইপাদে কাক সুধিবলৈ কৈছে?

....................................................................................................

....................................................................................................

(ছ) ড° প্ৰণৱজ্যোতি ডেকাই লিখা চৰ্যাগীত বিষয়ক পুথিখনৰ নাম কি?

....................................................................................................

....................................................................................................

### ১.৩.৫.২ বৈয়াকৰণিক অনুশীলনী

১। চৰ্যাগীতত প্ৰয়োগ হোৱা বহুবচনৰ প্ৰত্যয় এটা লিখক।

....................................................................................................

২। স্বৰ সমীভৱনৰ নিয়ম অনুসৰি চৰ্যাপদত শব্দত ওচৰা-উচৰিকৈ থকা দুটা ‘আ’ ধ্বনিৰ প্ৰথমটো ‘অ’ ধ্বনিলৈ পৰিৱৰ্তিত হোৱাৰ এটি উদাহৰণ দিয়ক।

....................................................................................................

৩। সংস্কৃত ‘গগন’ শব্দটিয়ে চৰ্যাপদত কি ৰূপ লৈছে?

....................................................................................................

৪। চৰ্যাগীতৰ মাজত পোৱা এটি প্ৰবাদ-প্ৰবচন লিখক।

....................................................................................................

### ১.৩.৫.৩ পঠন অনুশীলনী

১। ‘কাআ তৰুবৰ পঞ্চবি ডাল’ চৰ্যাগীতটি পাঠ বুজিবলৈ চেষ্টা কৰক।

....................................................................................................

২। নিৰ্বাচিত চৰ্য্যাটিৰ তাৎপৰ্য্য ওপৰত দিয়া ব্যাখ্যাৰ আধাৰত পঢ়ক।

....................................................................................................

৩। চৰ্য্যাটিৰ কোনকেইটা কথা গুৰুত্বপূৰ্ণ চিনাক্ত কৰক।

....................................................................................................

### ১.৩.৫.৪ লিখন অনুশীলনী

১। চৰ্যাপদ কি নিজৰ ভাষাৰে চমুকৈ লিখক।

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

২। চৰ্য্যাপদৰ ভাষা সম্পৰ্কে চমুকৈ লিখক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

৩। নিৰ্বাচিত চৰ্য্যাপদটিৰ ৰচকৰ চমু পৰিচয় আগবঢ়াওক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

৪। নিৰ্বাচিত চৰ্য্যাপদটিৰ নামকৰণৰ তাৎপৰ্য সম্পৰ্কে চমুকৈ লিখক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

৫। নিৰ্বাচিত চৰ্য্যাপদটিৰ ভাবানুবাদ কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

৬। নিৰ্বাচিত চৰ্য্যাপদৰ নামকৰণৰ তাৎপৰ্য সম্পৰ্কে চমুকৈ লিখক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ১.৩.৬ উত্তৰ সংকেত

### ১.৩.৬.১ বোধজ্ঞানৰ অনুশীলনী

(১) ক (২)
খ (১)
গ (৩)
ঘ (৩)
ঙ (২)

(২) (ক) চৰ্যাগীত ৮ম-১২ শ শতিকাৰ ৰচনা। এই গীতৰাশি বৌদ্ধ ধৰ্মাৱলম্বী বজ্ৰযান পন্থাৰ ধৰ্মসাধনাৰ গীত।

(খ) নেপালৰ ৰাজ দৰবাৰৰ গ্ৰন্থাগাৰৰপৰা হৰপ্ৰসাদ শাস্ত্ৰীয়ে ১৯০৭ চনত চৰ্যাগীতসমূহ উদ্ধাৰ কৰিছিল।

(গ) হৰপ্ৰসাদ শাস্ত্ৰীয়ে সম্পাদিত ৰূপত ‘হাজাৰ বছরের পুরাণ বাঙ্গালা ভাষায় বৌদ্ধ গান ও দোহা’ নাম দি ‘বঙ্গীয় সাহিত্য পৰিষৎ’, কলিকতাৰপৰা ১৯১৬ খ্ৰীষ্টাব্দত চৰ্যাগীতসমূহ প্ৰকাশ কৰি উলিয়ায়।

(ঘ) চৰ্যাৰ ক্ৰম অনুসৰি চাৰিগৰাকী চৰ্যা ৰচক হ’ল লুইপাদ, কুক্কুৰীপাদ, বিৰুৱাপাদ আৰু গুণ্ডৰীপাদ।

(ঙ) ‘কাআ তৰুবৰ পঞ্চবি ডাল’ চৰ্যাগীতটিৰ শিৰোনামৰ অৰ্থ হ’ল— এই মানৱ শৰীৰটো পাঁচটা ডালবিশিষ্ট এজোপা বিশাল বৃক্ষৰ দৰে।

(চ) লুইপাদে ৰচনা কৰা চৰ্যাগীত দুটিৰ ক্ৰম ১, ২৯ ; ৰাগ ঃ পটমঞ্জৰী।

(ছ) মহাসুহ— মহাসুখ,
সঅল— সকল।

(৩) (ক) লুইপাদ প্ৰাচীন কামৰূপৰ সিদ্ধাচাৰ্য বুলি জনা যায়।

(খ) লুইপাদক লুইপা আৰু লুয়ীপাদ নামেৰে জনা যায়।

(গ) লুইপাদে মুঠ দুটা চৰ্যাগীত ৰচনা কৰিছিল।

(ঘ) ‘কাআ’, ‘তৰুবৰ’ শব্দৰ অৰ্থ হ’ল— কায়া, বিশাল বৃক্ষ

(ঙ) ‘পঞ্চবি ডাল’ শব্দটিৰ প্ৰতীকী অৰ্থ হ’ল পঞ্চ জ্ঞানেন্দ্ৰিয় বা পঞ্চ কৰ্মেন্দ্ৰিয়।

(চ) সমাধি অৱস্থা কিদৰে পাব পাৰি জানিবলৈ লুইপাদে গুৰুক সুধিবলৈ কৈছে।

(ছ) ড° প্ৰণৱজ্যোতি ডেকাই লিখা চৰ্যাগীত বিষয়ক পুথিখনৰ নাম ‘চৰ্যাগীত আৰু বৌদ্ধ-তন্ত্ৰ’।

(২) ১। চৰ্যাগীতত প্ৰয়োগ হোৱা বহুবচনৰ প্ৰত্যয় এটা হ’ল ঃ সঅল।

২। স্বৰ সমীভৱনৰ নিয়ম অনুসৰি চৰ্যাপদত শব্দত ওচৰা-উচৰিকৈ থকা দুটা ‘আ’ ধ্বনিৰ প্ৰথমটো ‘অ’ ধ্বনিলৈ পৰিৱৰ্তিত হোৱাৰ এটি উদাহৰণ হ’ল ঃ ‘চকা’।

৩। সংস্কৃত ‘গগন’ শব্দটিয়ে চৰ্যাপদত ‘গঅণ’ ৰূপ লৈছে।

৪। চৰ্যাগীতৰ মাজত পোৱা এটি প্ৰবাদ-প্ৰবচন হ’ল ঃ ‘অপণা মাংসেঁ হৰিণা বৈৰী’ (চৰ্যাগীত-৬)।

## ১.৩.৭ অতিৰিক্ত পঠন উপদেশ

ডেকা, প্ৰণৱজ্যোতি ঃ *চৰ্যাগীত আৰু বৌদ্ধ-তন্ত্ৰ*
সেন, সুকুমাৰ ঃ *চৰ্যাগীতি-পদাৱলী*
হাজৰিকা, পৰীক্ষিত ঃ *চৰ্য্যাপদ*
হাজৰিকা, বিশ্বেশ্বৰ ঃ *চৰ্যাগীতিকোষ*

# খণ্ড-১ গোট-IV ঃ নাহৰৰ গীত
# [Selected piece of Assamese folk literature (One ballad)]

গাঁথনি


১.৪.১ পাতনি
  ১.৪.১.১ পৰিচয়
  ১.৪.১.২ উদ্দেশ্য
১.৪.২ মূল পাঠ আৰু বিশ্লেষণ
  ১.৪.২.১ মূল পাঠ
  ১.৪.২.২ মূলভাব
  ১.৪.২.৩ ‘নাহৰৰ গীত’ৰ পটভূমি আৰু অন্তর্নিহিত বিষয়বস্তু
  ১.৪.১.৪ নাহৰৰ গীতৰ কাব্যিক সৌন্দর্য
  ১.৪.১.৫ সাৰাংশ
১.৪.৩ শব্দটোকা
১.৪.৪ অনুশীলনী
  ১.৪.৪.১ বোধজ্ঞান অনুশীলনী
  ১.৪.৪.২ বৈয়াকৰণিক অনুশীলন
  ১.৪.৪.৩ পঠন অনুশীলন
  ১.৪.৪.৪ লিখন অনুশীলনী
১.৪.৫ উত্তৰ সংকেত
  ১.৪.৫.১ বোধজ্ঞান অনুশীলন শুদ্ধ উত্তৰ
  ১.৪.৫.২ বৈয়াকৰণিক অনুশীলনৰ শুদ্ধ উত্তৰ
১.৪.৬ অতিৰিক্ত পঠন উপদেশ


## ১.৪.১ পাতনি

### ১.৪.১.১ পৰিচয়

বেলাড বা আখ্যান গীতসমূহ লোকসাহিত্যৰ এটি অবিচ্ছেদ্য অঙ্গ। ইংৰাজী বেলাড (ballad)ক বুজাবলৈ অসমীয়াত প্ৰধানকৈ কাহিনীগীত, আখ্যানগীত আৰু মালিতা— এই তিনিটা শব্দৰ প্ৰচলন আছে। মৌখিক সাহিত্যৰ পৰম্পৰাত পুৰুষানুক্ৰমে প্ৰচলিত গীত মাতকে লোকগীত আখ্যা দিয়া হয়। সাহিত্যৰ দৃষ্টিভংগীৰ বিচাৰত লোকগীতবোৰ অতি মূল্যৱান।

আদিম যুগৰেপৰা মানুহে জাক পাতি বসবাস কৰি আহিছে। মানুহে অতি প্ৰাচীন কালৰে পৰাই ভাগৰ জিৰণিৰ গান গাব জানিছিল। আদিম চিকাৰজীৱী মানুহে দিনত চিকাৰ কৰি আহি নাইবা তাৰ পাছৰ স্তৰত পথাৰত খেতিৰ কামত দিনৰ দিনটো পৰিশ্ৰম কৰি আহি বা গোট পাতি বসবাস কৰিবলৈ লোৱাৰ পাছত হোৱা ইদল-সিদলৰ মাজৰ হোৱা সংঘৰ্ষ— এইবোৰকেই আজৰি সময়ত নিজৰ দলৰ মানুহৰ আগত মনোগ্ৰাহীকৈ উপস্থাপন কৰিবলৈ কৰা চেষ্টাৰ পৰিণতিতে বেলাডবোৰৰ জন্ম হয়। এই গীতত আছিল চিকাৰ কৰোঁতে পোৱা বীৰত্বপূৰ্ণ অভিজ্ঞতা, খেতি পথাৰৰ শ্ৰমৰ আনন্দ অথবা নিজৰ দলৰ কোনোৱে সাহসিকতাৰে প্ৰাণ বিসৰ্জন দিয়া বা শত্ৰুক পৰাজয় বৰণ কৰোৱা গৌৰৱপূৰ্ণ বৰ্ণনা। স্বাভাৱিকতে এনে বৰ্ণনাবোৰ ৰচিত হৈছিল গীত বা ছন্দত। বেলাড বা মালিতাৰ জন্ম হৈছিল এনেকৈয়ে।

লোকগীতক তিনিটা বহল ভাগত ভগাব পাৰি— অনুষ্ঠানমূলক, কৰ্ম বিষয়ক আৰু আখ্যানমূলক। আমাৰ আলোচ্য আখ্যানমূলক গীত লোকগীতৰে প্ৰধান তিনিটা ভাগৰ ভিতৰত এটা। এই শ্ৰেণীৰ গীতৰ মাজেৰে একোটি আখ্যান বা কাহিনী বৰ্ণনা কৰা হয়। সেইবাবে ইয়াক আখ্যানমূলক বা

কাহিনীমূলক লোকগীত বুলি কোৱা হয়। ইংৰাজীত ইয়াক বেলাড (ballad) বোলে। এই গীতক অসমীয়াৰ মালিতা বুলিও কোৱা হয়। ইংৰাজীত 'বেলাড' শব্দটোৱে নৃত্যৰ পৰিপূৰকভাৱে গোৱা গীতক বুজায়। 'হেমকোষ' অভিধানৰ মতে মালিতা মানে লেথাৰিকৈ বৰ্ণোৱা পদ বা গীত। অসমীয়া মালিতা শব্দটো 'মালা' শব্দৰপৰা সৃষ্টি হৈছে। ফুলৰ মালাৰ দৰে ধাৰাবাহিকভাৱে গাঁথি থোৱা গীতব্যঞ্জক কাহিনীয়েই হ'ল মালিতা। মালিতাত দেশৰ অতীত কাহিনী, কিংবদন্তীমূলক বা কাল্পনিক আখ্যান, আদি ৰসাত্মক কাহিনী আৰু দুঃসাহসিক বা অতিপ্ৰাকৃতিক ঘটনাৰ সমাৱেশ দেখা যায়। ফেণ্টাচিধৰ্মী বৰ্ণনা এনে গীতৰ লক্ষ্যণীয় বৈশিষ্ট্য। মালিতাৰ ৰচনাৰীতি সৰল, পোনপটীয়া আৰু কেতিয়াবা নাটকীয় ঠাঁচৰ। মুঠতে যিবোৰ গীতত একোটিকৈ কাহিনী বা আখ্যান থাকে তাকে মালিতা বুলি কোৱা হয়।

পৃথিৱীৰ বিভিন্ন ভাষাৰ সমাজত নিজৰ নিজৰ আখ্যান গীত বা বেলাডৰ প্ৰচলন আছে। কিন্তু এই গীতসমূহত ৰচয়িতাসকলনো কোন সেই কথা কোনেও ক'তোৱেই নিৰ্ণয় কৰিব পৰা নাই। এইবোৰ ব্যক্তি আৰু কালনিৰপেক্ষ। লোকগীতৰ স্বাভাৱিক লক্ষণ অব্যাহত ৰাখি এই গীতবোৰে নৈৰ্ব্যক্তিক চৰিত্ৰ বহন কৰে।

বিষয়বস্তুৰ আধাৰত অসমীয়া আখ্যানগীত বা মালিতাসমূহক শ্ৰেণী বিভাজন কৰিবলৈ যত্ন কৰা হৈছে। সূৰ্যকুমাৰ ভূঞাই মালিতাসমূহক (১) কিংবদন্তীমূলক আৰু কাল্পনিক কথা থকা গীত আৰু (২) বুৰঞ্জীমূলক আৰু সত্য ঘটনামূলক গীত— এই দুই শ্ৰেণীত ভাগ কৰিছে। সত্যেন্দ্ৰনাথ শৰ্মাই এই গীতবোৰক তিনিটা ভাগত ভাগ কৰিছে— (১) বুৰঞ্জীমূলক (২) কিংবদন্তীমূলক বা জনশ্ৰুতিমূলক আৰু (৩) কাল্পনিক। প্ৰফুল্লদত্ত গোস্বামীয়ে মালিতাসমূহক তলত দিয়া ধৰণে চাৰিটা ভাগত ভাগ কৰিছে।

**(১) ঐতিহাসিক মালিতা (Historical ballads) ঃ**

বুৰঞ্জী প্ৰসিদ্ধ ঘটনা, চৰিত্ৰ বা পৰিস্থিতিক লৈ ৰচনা কৰা মালিতাসমূহক ঐতিহাসিক বা বুৰঞ্জীমূলক মালিতা বুলি কোৱা হয়। নাহৰৰ গীত, বৰফুকনৰ গীত, জয়মতী কুঁৱৰীৰ গীত, মণিৰাম দেৱানৰ গীত, বাখৰ বৰাৰ গীত, পদ্ম কুমাৰীৰ গীত বা হৰদত্ত-বীৰদত্তৰ গীত আদি এই শ্ৰেণীত পৰে।

**(২) অলৌকিক মালিতা (Ballads of Magic) ঃ**

অতিলৌকিক, অস্বাভাবিক, যাদু-মন্ত্ৰ আদিৰ আধাৰত ৰচনা কৰা মলিতাসমূহক অলৌকিক মালিতা বুলি কোৱা হৈছে। মণিকোঁৱৰ আৰু ফুলকোঁৱৰৰ গীত, জনা গাভৰুৰ গীত, ৰাধিকা শান্তিৰ গীত এই শ্ৰেণীৰ ভিতৰুৱা।

**(৩) বাস্তৱধৰ্মী মালিতা (Rialistic Ballads) ঃ**

প্ৰেম-প্ৰীতি, অসূয়া-হিংসা, জীৱন আৰু জীৱিকা আদি বাস্তৱ জীৱনৰ ঘটনাক লৈ ৰচনা কৰা মালিতাসমূহক বাস্তৱধৰ্মী মালিতা বুলি কোৱা হয়। দুবলা শান্তিৰ গীত, সেন্দূৰী পামিলাৰ গীত, পগলা-পাৰ্বতীত গীত, সাউদৰ গীত, কালিকাৰ গীত আদিক বাস্তৱধৰ্মী মালিতাৰ শ্ৰেণীত থ'ব পাৰি।

**(৪) ব্যঙ্গাত্মক মালিতা (Satirical Ballads) ঃ**

গাঁৱৰ একশ্ৰেণীৰ বহুৱাধৰণৰ লোকে এইবোৰ গীত ৰচনা কৰে। এওঁলোকক নামনি অসমত 'ভাউৰা' আৰু উজনি অসমত 'বহুৱা' বোলা হয়। এইবোৰ মালিতাত সমাজৰ কিছুমান দোষ-ত্ৰুটি বা বদ্ অভ্যাস আঙুলিয়াই দি ব্যঙ্গ কৰি দেখুওৱা হয়। এই গীতবোৰ একপ্ৰকাৰ সমাজ সমালোচনামূলক। ভূঁইকপৰ গীত, মালুৱাৰ গীত, ভাউৰাৰ গীত, নাহৰৰ জুনা আদিক ব্যঙ্গাত্মক মালিতা বুলি কোৱা হয়।

প্ৰফুল্লদত্ত গোস্বামীয়ে তেওঁৰ *Ballads and Tales of Assam* নামৰ গ্ৰন্থত এই চাৰি প্ৰকাৰৰ বেলাডৰ উপৰিও পৌৰাণিক মালিতা (mythical Ballads) নামৰ আৰু এবিধ বেলাডৰ নাম উল্লেখ কৰিছে। এইবিধ গীতত বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিতত্ত্বৰ কথা, দেৱ-দেৱীৰ উৎপত্তিৰ কথা, গছ-গছনি, চৰাই-চিৰিকটি, জীৱ-জন্তু, পানী-মাটি আদিৰ উৎপত্তি বা জন্ম-বিষয়ক বৰ্ণনা থাকে। অৱশ্যে এনে ধৰণৰ গীতৰ সংখ্যা নাই বুলিলেও হয়। কেৱল জনা গাভৰুৰ গীতত উক্ত লক্ষণ সামান্য পৰিমাণে হ'লেও পোৱা

যায়। উজনি অসমৰ সোনোৱাল কছাৰীসকলৰ 'হাইদাং গীত' আৰু নামনি অসমৰ ৰাভাসকলৰ মাজত প্ৰচলিত 'সৃষ্টি-পাতনিগীত'ক এই শ্ৰেণীত ধৰিব পাৰি।

হেমন্ত কুমাৰ শৰ্মাই তেওঁৰ 'লোকগীতি সঞ্চয়ন' নামৰ গ্ৰন্থত আখ্যানমূলক গীতক তিনিটা শ্ৰেণীত ভাগ কৰি দেখুৱাইছে। সেই তিনিটা ভাগ হ'ল — বুৰঞ্জীমূলক, কিংবদন্তী বা জনশ্ৰুতিমূলক আৰু বাৰমাহী বা বিলাপ গীত। শৰ্মাৰ দৃষ্টিত নাহৰৰ গীত এটা বুৰঞ্জীমূলক মালিতা।



### ১.৪.১.২ উদ্দেশ্য

- লোক সাহিত্যৰ অঙ্গ হিচাপে বেলাড বা মালিতাৰ স্বৰূপ সম্পৰ্ক এটা ধাৰণা দিয়া।
- বুৰঞ্জীমূলক বেলাড হিচাপে 'নাহৰৰ গীত'ৰ বিষয়বস্তু অৱগত কৰা।
- 'নাহৰৰ গীত'ৰ মূলভাৱ, তাৎপৰ্য আৰু কাব্যিক সৌন্দৰ্যৰ বিষয়ে অৱগত কৰা।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

১। বেলাডক অসমীয়া ভাষাত আৰু কি কি নামেৰে জনা যায়?

..................................................................................................

..................................................................................................

..................................................................................................

২। বেলাডক কি কি শ্ৰেণীত ভাগ কৰিব পাৰি?

..................................................................................................

..................................................................................................

..................................................................................................

৩। নাহৰৰ গীত কোন শ্ৰেণীৰ বেলাড।

..................................................................................................

..................................................................................................

..................................................................................................

## ১.৪.২ মূল পাঠ আৰু বিশ্লেষণ

### ১.৪.২.১ মূল পাঠ

(১)

ৰাঙলী মদাৰৰ পাত
এইনো মাজনিশা আহিলি নাহৰ ঐ
খালি কি নেখালি ভাত।

আইনে আই বুলি নাহৰে মাতিলে
বুঢ়ীমাকৰ মুখলৈ চাই,
কেলেই মাতিলি নাহৰ চেনামুৰা
চৰুতো পঁইতা নাই।

আয়ে নেৰাখিলে বায়ে নেৰাখিলে
নেৰাখিলে মূৰৰে চুলি
দেৰা কৰ্কৰা যাচোঁতা নাইকিয়া
ফুলতে মাউৰা বুলি।

ভাতে ৰান্ধি দিয়ে    খাওঁ মই বুঢ়ী আই
পানী আনি দিয়া খাওঁ,
লগৰ সমনীয়া যায়    মহং বেহাবলৈ
ময়ো বেহাবলৈ যাওঁ।
ইয়াতে আছিলে    নাহৰ চেনামুৰা
চৰুৱে পঁইতা খাই,
কোনোবা দেশলৈ    গ'ল মোৰ নাহৰ ঐ
বাতৰি পাবলৈ নাই।

নাহৰ চেনামুৰা    ওলায় ৰাতিপুৱা
ছকুৰি কুকুৰাৰ ভাৰ,
দিহিং নৈৰে পানী    কৰে তাল বলে
ঘাটৈয়া নকৰে পাৰ।

উলিকৈ তামোলৰ পুলি
বৰদুৱাৰৰ মুখতে    নাহৰক কাটিলে
ওলমি পৰিলে চুলি।

**(২)**

খাবলৈ নাইকিয়া    পিন্ধিবলৈ নাইকিয়া
ঘঁহিবলৈ নাইকিয়া তেল,
বাপেৰৰ দিনৰ    ছকুৰি ধৰুৱা
নিতৌ পদুলিমূৰত মেল।

আজি কি গোটালে    কালি কি গোটালে
ছকুৰি কুকুৰাৰ ভাৰ,
ছকুৰি কুকুৰা লৈ    নাহৰ চেনামুৰা
মহং বেহালৈ যায়।

আজি মঙলবাৰে    লফা-পাত কাটিলে
তিনি মঙলবাৰ হ'ল,
আজি যাওঁ কালি যাওঁ    নাহৰ চেনামুৰা
লফা-পাত লেৰেলি গ'ল।

গৈ গৈ পাৰিব গৈ    ভিতৰ নামচাং
বুঢ়ীমাৰলৈ পাহৰি যাবি,
ভিতৰ নামচাঙত    আছে চাপনী
তাইকে পাই পাহৰি যাবি।

**(৩)**

হেৰ বুঢ়ী পাখৰী    মৰাণৰ জীয়ৰী
নাহৰক কটালে কোনে?
জালি কোমোৰা যেন    নাহৰ চেনামুৰা
কি জগৰত মৰালে প্ৰাণে?

বুকুত জুই লাগতী ৰজাৰ বৰকুঁৱৰী
পুৰুষক কৰিলি আঁৰ,
তাই ঐ শাখিনী জহীন মৰতী
নাহৰৰ তেজ খালে গাৰ।
কাউৰীয়ে কৰিলে কোৰা,
বৰগোঁহাই দেউতাই নাহৰক কটাই
হোৰা ভাতক কৰিলে চুৰা।

শিয়ালে কৰিলে হোৰা
স্বৰ্গদেউ ঈশ্বৰে নাহৰক মৰালে
ঘৰত লাগিলে হুৰাদুৰা।

বাৰতী বাহে ল'লে কোদো,
ৰাতিৰ এপৰ বেলি বৰগোহাঁইক মাতালে
নাহৰক কি কৰে সোধোঁ।

নাও বগাবৰ চাং
ৰাতি এপৰ বেলি দুয়োৰে আলচি
নাহৰক পঠালে নামচাং।

সৰিয়হ ববৰে বতৰ,
বৰদুৱাৰৰ মুখতে নাহৰক কটালে
কাৰেনো লগালে জগৰ।

কিনো নহ'বৰ হ'ল
উজনীমুখীয়া নাহৰ আলিবন্ধাই
ৰজা সৰগলৈ গ'ল।

কোৰাই কেলকেলাবৰ ঘৰত,
এডেও দোডেও কৰি স্বৰ্গদেউ ওলালে
বেৰৰ জলঙাই দেখে নাহৰক।

**(৪)**

কৰে টাঙে টিঙে কৰে টাঙে টিঙে
হেনো কমাৰৰে লো,
সৰু মেচলৌ ডাঙৰ মেচলৌৰ
নাহৰ তোলনীয়া পো।

ছাঁ পাই বগলী চৰে সৰু কুঁৱৰী
পানী পাই বগলী চৰে,
বাপেৰ সৰু কুঁৱৰী কৈ পঠিয়ালে
মৈদামত কেঁচা সোণ আছে।

ধাননি ধাননি নেযাবি কাঞ্চনী
ধানৰ পাতে কাটিব গা,
মোৰ বিলাই যি হয় হওক মোৰ কাঞ্চনী
ঘৰলৈ উভতি যা।
কাউৰী কাউৰী অজাতি কাউৰী
কি খাই বোলালি ঠোঁট?
বৰ দুৱাৰৰ মুখতে নাহৰক কাটিলে
তাকে খাই বোলালোঁ ঠোঁট।

**(৫)**

ভাতে ৰান্ধি দিয়া খাওঁ মই বুঢ়ী আই
পানী আনি দিয়া খাওঁ
গাঁথিতে বান্ধি দিয়া এটকা ছমহা
মহং বেহাবলৈ যাওঁ।

ঢোললৈ বুলি কাটো ঢোলৰ মাৰি
তাতো ফেচু চৰাই ৰয়,
ৰৈ যা ৰৈ যা বঙালৰ কটকী
ধনে কি কথা কয়।

এজনী আছিলে নাহৰৰ ঘৈণীয়েক
তাইৰ নাম আছিল চুটি,
উধানৰ মূৰতে বহি লৈ আছিলে
গ'ল পানীবানত উটি।

এজনী আছিলে নাহৰৰ ঘৈনীয়েক
তাই বৈ আছিলে তাঁত,
মেৰুৱা মেথুৱা চাউলখন চোবালে
হুলাং মাৰি যেন দাঁত।

কচুৰ পেঁপা যেন বাঢ়িলি নাহৰ ঐ
চাৰিবেলা চাৰি সাজ খাই,
এতিয়া নাহৰ ঐ বিপদত পৰিলি
এসাজি খাবলৈ নাই।

### ১.৪.২.২ মূলভাব

'নাহৰৰ গীত' এটি বুৰঞ্জীমূলক বা ঐতিহাসিক মালিতা। গীতটি সৰু সৰু পাঁচটা খণ্ডত ৰচিত। এই গীতটিৰ পটভূমি আহোম ৰাজ্য আৰু স্বৰ্গদেউ খোৰা ৰজাৰ কাহিনীও ইয়াত জড়িত হৈ আছে। সেই বাবে ক'ব পাৰি খোৰা ৰজাৰ দিনৰ (১৬৬২-১৬০৩ খ্ৰীষ্টাব্দ) পটভূমিত এই গীতটি ৰচিত হৈছে। এতিয়ালৈকে উদ্ধাৰ হোৱা বুৰঞ্জীমূলক মালিতাবোৰৰ ভিতৰত নাহৰৰ মালিতাটো প্ৰাচীন বুলি একাংশ আলোচকে মন্তব্য কৰে। নাহৰৰ কাহিনী হৰকান্ত সদৰামিন বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ বুৰঞ্জীত লিপিবদ্ধ আছে।

মালিতাটোৰ কেন্দ্ৰীয় চৰিত্ৰ হৈছে নাহৰ। এই চৰিত্ৰটোক কেন্দ্ৰ কৰিয়েই কাহিনীভাগৰ সৃষ্টি হৈছে। নাহৰ মাউৰা আছিল। মাক-বাপেক নোহোৱাত বুঢ়ী মাকে অৰ্থাৎ আইতাকে ডাঙৰ-দীঘল

কৰিছিল। কোনোবা দুখুনী বুঢ়ীআইৰ নাতি নাহৰ দিনক দিনে কচুৰ পেঁপাৰ দৰে বাঢ়ি যাবলৈ ধৰিলে। লগৰ সমনীয়াৰ লগত জীৱিকা নিৰ্বাহৰ বাবে সিও লোণৰ বেপাৰ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। মাক-বাপেক নোহোৱা ল'ৰাটোক বুঢ়ীমাকে আলফুলকৈ তুলিছে-তালিছে। মহং বেহাবলৈ যাওঁতে কিজানি কিবা অথন্তৰ ঘটে, বিপদ-বিঘিনিৰ সন্মুখীন হ'বলগীয়া হয় তাৰ বাবে বুঢ়ীমাকৰ মনত অনেক দুশ্চিন্তা। বাঁৰী দুখুনীৰ পোক কোনোবাই ক'ৰবাত কঁড়িয়াই মাৰিব পাৰে, ক'ৰবাত পৰ্বত খহি মৰিব পাৰে সেইবাবে বুঢ়ীমাকে নানা অজুহাত দেখুৱাই তাক যাবলৈ বাধা দিছে। আইতাকৰ মনত ওপজা ভয় দূৰ কৰিবলৈ নাহৰে বিভিন্ন কথাৰে প্ৰবোধ দিছে।



আহোম ৰজা চুখামফা বা খোৰা ৰজাৰ দুগৰাকী কুঁৱৰী আছিল — বৰ মেচলৌ আৰু সৰু মেচলৌ। দুয়োগৰাকী কুঁৱৰীৰ লিগিৰী আছিল সোণাৰীৰ জীয়াৰী কাঞ্চন। কাঞ্চনৰ লগত নাহৰৰ প্ৰণয় আছিল। দুই কুঁৱৰী সৰু মেচলৌ আৰু বৰ মেচলৌৰ মৃত্যু ঘটাত ৰজাই লিগিৰী কাঞ্চনক বিয়া কৰায়। বহুদিনলৈ সন্তানহীন হৈ থকাত ৰাণী কাঞ্চনমতীয়ে নাহৰক তোলনীয়া কৰি ললে। কোঁৱৰ সন্মান লাভ কৰাৰ পাছত নাহৰে উত্তৰ কুল শাসন কৰিবলৈ লৈছিল আৰু আলিবাট সজা, পুখুৰী খন্দাৰ দৰে জন-কল্যাণমূলক কামো কৰিছিল —

কি মাছ মাৰিবৰ মালি<br>
দকৈ পুখৰী খনালে নাহৰে<br>
বন্ধালে সেন্দূৰী আলি।

নাহৰে কুঁৱৰীৰ পৃষ্ঠপোষকতা লাভ কৰি পদমৰ্যাদা বৃদ্ধি পোৱাত লাহে লাহে অত্যাচাৰী হ'বলৈ ধৰিলে। আটায়ে নাহৰক বেয়া পোৱা হ'ল। নাহৰৰ কাৰ্যত ডা-ডাঙৰীয়াসকল ৰুষ্ট হৈ পৰিল। বৰগোঁহাইয়ে ৰজাক গোচৰ দিয়াত ৰজাই নাহৰক যি শাস্তি প্ৰাপ্য সেই শাস্তি দিবৰ বাবে আজ্ঞা দিলে। এনে শাস্তিৰ আগতীয়াকৈ উমান পাই বা ৰজাৰোষত পৰি নাহৰ অজ্ঞাতবাসত আছিল। হয়তো নাহৰে ছদ্মবেশ ধাৰণ কৰি কুকুৰা বেপাৰী হৈ দিহিং নৈ পাৰ হৈ দূৰলৈ গুচি যাব খুজিছিল —

নাহৰ চেনামুৰা ওলায় ৰাতিপুৱা<br>
ছকুৰি কুকুৰাৰ ভাৰ,<br>
দিহিং নৈৰ পানী কৰে টলেবলে<br>
ঘাটৈয়ে নকৰে পাৰ।

কিন্তু নাহৰৰ ভাগ্য তাৰ অনুকূলে নাছিল। এফালে ডা-ডাঙৰীয়াৰ অভিযোগ; আনহাতে গুপ্ত প্ৰণয়ীৰূপে ৰজাৰ তেওঁ প্ৰতিদ্বন্দ্বী হৈছিল। এই কথাৰ উমান পাই ৰজাই নিশ্চয়কৈ সহ্য কৰিব পৰা নাছিল আৰু তাৰ পৰিণাম আছিল গা শিয়ঁৰি যোৱা। নাহৰক হত্যা কৰি পেলোৱাৰ দৰে ভয়ঙ্কৰ আদেশ প্ৰদান কৰিলে। নাহৰ নামচাঙৰপৰা আহোঁতে বৰদুৱাৰ মুখতে নাহৰক হত্যা কৰা হ'ল—

কাউৰীয়ে কৰিলে কোৰা,<br>
বৰগোহাঁই দেউতাই নাহৰক কটাই<br>
হোৱা ভাতক কৰিলে চুৰা।<br>
সৰিয়হ ববৰে বতৰ,<br>
বৰদুৱাৰ মুখতে নাহৰক কটালে<br>
কাৰনো লগালে জগৰ।

অকল হত্যা কৰাই নহয়, নাহৰৰ শৰীৰ কাউৰী-শগুণক খাবলৈ দিয়া হ'ল —

কাউৰী কাউৰী অজাতি কাউৰী<br>
কি খাই বোলালি ঠোঁট?<br>
বৰদুৱাৰ মুখতে নাহৰক কাটিলে<br>
তাকে খাই বোলালো ঠোঁট।

নাহৰৰ মৃত্যুত দুখুনী বুঢ়ীমাকৰ হৃদয় বিষাদেৰে ভৰি পৰিল। নাহৰক কি দোষত, কোনে শাস্তি দিলে তাৰ তেওঁ উত্তৰ বিচাৰিলে—

হেৰ বুঢ়ী পাখৰী মৰাণৰ জীয়ৰী<br>
নাহৰক কটালে কোনে?

জালি কোমোৰা যেন নাহৰ চেনামুৰা
কি জগৰত মৰালে প্ৰাণে?

নাহৰ ঘূৰি নাহিল। মৰমৰ বুঢ়ীমাকে নাহৰৰ অবৰ্তমানত চকুলো টুকিলে। এইখিনিয়েই 'নাহৰৰ গীত' নামৰ বুৰঞ্জী প্ৰসিদ্ধ মালিতাৰ মূলকথা।

নাহৰৰ গীত

**আত্মমূল্যায়নৰ প্ৰশ্ন-২**

১। নাহৰৰ গীত কোন সময়ৰ ৰচনা কাৰণ দৰ্শাই লিখক?

........................................................................................................................

........................................................................................................................

........................................................................................................................

২। নাহৰৰ ব্যক্তিগত জীৱনৰ বিষয়ে লিখক।

........................................................................................................................

........................................................................................................................

........................................................................................................................

৩। নাহৰক বধ কৰাৰ কাৰণ কি লিখক।

........................................................................................................................

........................................................................................................................

........................................................................................................................

### ১.৪.২.৩ 'নাহৰৰ গীত'ৰ পটভূমি আৰু অন্তৰ্নিহিত বিষয়বস্তু

'নাহৰৰ গীত' এটি আখ্যানমূলক গীত বা মালিতা। মালিতাৰ প্ৰথম চৰ্তটোৱেই হ'ল ইয়াত এটা কাহিনী বা আখ্যান থাকিব লাগে। সেইবাবে মালিতাক পদ বা ছন্দত ৰচনা কৰা কাহিনী বুলি কোৱা হয়। 'নাহৰৰ গীত' নামৰ মালিতাটোত এটা কাহিনী আছে। এই কাহিনীত নাহৰৰ জন্ম বৃত্তান্ত নেথাকিলেও জন্মৰ পিছতে নাহৰে মাক-দেউতাকক হেৰুৱাই মাউৰা হোৱা, বুঢ়ীমাকৰ তত্ত্বাৱধান আৰু মৰমত ডাঙৰ-দীঘল হোৱা, যৌৱন অৱস্থা পোৱাত জীৱিকা নিৰ্বাহৰ বাবে মহঙলৈ গৈ বেপাৰ কৰা আদিৰ কথা প্ৰথম পৰ্যায়ৰ আখ্যানভাগত বৰ্ণিত হৈছে। তাৰ পাছত নাহৰে ৰাণীৰ তোলনীয়া পুত্ৰ হোৱা, কোঁৱৰ হোৱাৰ পিছত জনকল্যানমূলক কাম কৰা, ক্ৰমে অত্যাচাৰী হোৱা, ডা-ডাঙৰীয়াসকলে নাহৰৰ বিৰুদ্ধে ৰজাক গোচৰ দিয়া আদি ঘটনাসমূহ সংযোগ হৈছে। লিগিৰী কাঞ্চনৰ লগত নাহৰৰ প্ৰেমৰ সম্পৰ্ক আছিল। সেই লিগিৰীকে ৰজাই বিয়া কৰায়। হয়তো এই কথা জানিব পাৰি কাঞ্চন আৰু নাহৰৰ সম্পৰ্কক সন্দেহৰ চকুৰে চাই ৰজাই নাহৰক আঁতৰাবলৈ মৃত্যুদণ্ড দিয়ে। এনে এটা সুগঢ়ী কাহিনী থকাৰ বাবে 'নাহৰৰ গীত'ক এটি আখ্যানমূলক গীত বা মালিতা বুলি নিঃসন্দেহে ক'ব পাৰি।

'নাহৰৰ গীত' এটি বুৰঞ্জীমূলক বা ঐতিহাসিক মালিতা। যিবোৰ গীত বুৰঞ্জীৰ কোনো ঘটনা, চৰিত্ৰ, পটভূমি আদিৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হয়, তেনেবোৰ আখ্যানমূলক গীতকে বুৰঞ্জীমূলক মালিতা বুলি কোৱা হয়। অসম বুৰঞ্জীৰ দেশ। অসমৰ প্ৰথম গৰাকী স্বৰ্গদেউ চুকাফাই সৌমাৰত পদাৰ্পন কৰি লগত অহা পণ্ডিতসকলক নিৰ্দেশ দিছিল — 'যি কৰে, যাক পায়, যি ঘটনা ঘটে পণ্ডিতে লিখি থ'ব।' এইজনা স্বৰ্গদেউৰ দিনৰ পৰা নিছিগা ধাৰে অলেখ বুৰঞ্জী পাছৰ কালছোৱাত লিখা হ'ল। ৰজাঘৰীয়া বিষয়াই বুৰঞ্জী লেখা কামটো তদাৰক কৰিছিল। স্বৰ্গদেউসকল শিঙৰী ঘৰত উঠাৰ উছৱত বুৰঞ্জী পঢ়ি শুনোৱা বিধান আছিল। বিয়াৰ চকলং অনুষ্ঠানত ৰজা-প্ৰজা সকলোৱে উপৰিপুযসকলৰ বুৰঞ্জী শুনা বাধ্যতামূলক আছিল। বুৰঞ্জীৰ এনে ব্যাপক চৰ্চা আৰু প্ৰচলনে বুৰঞ্জীভিত্তিক বহুতো সাধুকথা, কিংবদন্তী, লৌকিক গীত-মাতৰ জন্ম দিছিল। 'নাহৰৰ গীত' নামৰ মালিতাটো এনে এক বুৰঞ্জী পৰম্পৰাৰ সৃষ্টি। এই গীতটি অসম বুৰঞ্জীৰ চুকাম্ফা বা খোৰা ৰজাৰ দিনৰ (১৫৫২-১৬০৩) পটভূমিত ৰচিত হৈছে। খোৰা ৰজাৰ দুগৰাকী পত্নী আছিল— বৰ মেচলৌ আৰু সৰু মেচলৌ। দুয়োগৰাকী পত্নীৰ মৃত্যুৰ পাছত কাৰেঙৰ লিগিৰী কাঞ্চনক ৰজাই বিয়া কৰায়। কোনো সন্তানৰ মুখ নেদেখাৰ বাবে কাঞ্চনে নাহৰক তোলনীয়া পুত্ৰ হিচাপে গ্ৰহণ কৰে। নাহৰ অত্যাচাৰী হৈ উঠাত বা কাঞ্চনৰ লগত পূৰ্বৰ প্ৰণয়ৰ কথা জানিব পাৰি ৰজাই নাহৰক মৃত্যুদণ্ড দিয়ে। বুৰঞ্জীৰ এই পটভূমি,

ঘটনা আৰু চৰিত্ৰক লৈ গীতটি ৰচনা হোৱা বাবে 'নাহৰৰ গীত'ক এটি বুৰঞ্জীমূলক আখ্যান গীত বুলি কোৱা হয়।

'নাহৰৰ গীত' শীৰ্ষক মালিতাটোত কিছু পৰিমাণে সেই সময়ৰ ৰাজ্যখনৰ অৰ্থনৈতিক আৰু সামাজিক জীৱনৰ চিত্ৰও প্ৰকাশ পাইছে। নাহৰ যৌৱন পোৱাৰ লগে লগে সি মহঙলৈ গৈ বেহা-বেপাৰ কৰাৰ কথা চিন্তা কৰিছে। সেইসময়ত ডেকাসকলে যে নিজে উপাৰ্জন কৰিব বিচাৰিছিল সেই অৰ্থনৈতিক জীৱনৰ চিত্ৰখন 'নাহৰৰ গীত'ত সুন্দৰকৈ প্ৰকাশ পাইছে —



ভাতে ৰান্ধি দিয়া খাওঁ মই বুঢ়ী আই
পানী আনি দিয়া খাওঁ
লগৰ সমনীয়া যায় মহং বেহাবলৈ
ময়ো বেহাবলৈ যাওঁ।

মহঙলৈ কেৱল লোণৰ বেপাৰ কৰিবলৈ নহয়, কুকুৰা বেচিবলৈও নাহৰ যায়। প্ৰত্যেক দিনে বিভিন্ন ঠাইৰপৰা কুকুৰা গোটাই অৰ্থাৎ কিনি লৈ মহঙলৈ বিক্ৰী কৰিবলৈ যায় —

আজি কি গোটালে কালি কি গোটালে
ছকুৰি কুকুৰাৰ ভাৰ
ছকুৰি কুকুৰা লৈ নাহৰ চেনামুৰা
মহং বেহাবলৈ যায়।

কান্ধত কুকুৰাৰ ভাৰখন লৈ নাহৰে মহঙলৈ যোৱা ছবিখন গীতটি পঢ়ি গ'লে চকুৰ আগত ভাহি উঠে। এনে বৰ্ণনাৰ দ্বাৰা সেই সময়ত প্ৰচলিত থকা বেহা-বেপাৰৰ বিষয়ে ভালেমান কথাৰ সন্ধান পাব পাৰি।

সেই সময়ত মানুহে দূৰণিবটীয়া যাত্ৰাসমূহ নাৱেৰে কৰিছিল। সেই কথাও 'নাহৰৰ গীত'ত উল্লেখ আছে। মহং নাহৰৰ ঘৰৰপৰা ভালেমান দূৰত। নাৱেৰে দিহিং নৈ পাৰ হ'বলগীয়া হয়। ঘাটৈয়ে নাৱেৰে নৈখন পাৰ কৰাই দিয়ে। এই কথা গীতটিত বৰ্ণনা আছে, যদিও কিবা কাৰণত নাহৰক ঘাটৈয়ে পাৰ কৰাই দিবলৈ আমান্তি হৈছে। হয়তো ৰজা বা ডা-ডাঙৰীয়াৰ নিৰ্দেশ আছিল—

নাহৰ চেনামুৰা ওলায় ৰাতিপুৱা
ছকুৰি কুকুৰাৰ ভাৰ,
দিহিং নৈৰে পানী কৰে তলেবলে
ঘাটৈয়ে নকৰে পাৰ।

সেই সময়ত সাধাৰণ মানুহৰ অৰ্থনৈতিক অৱস্থা বৰ শোচনীয় আছিল। খোৱা, পিন্ধা-উৰা আদিত নানা অভাৱ-অনাটন আছিল। সাধাৰণ মানুহে ধাৰ বা ঋণ লৈ চলিছিল। বহুতে এনে ধাৰ নিজৰ জীৱন শুজিব নোৱাৰি পুতেকহঁতৰ মূৰত দি থৈ গৈছিল। 'নাহৰৰ গীত'ত তেনে এখন ছবি স্পষ্ট ৰূপত দেখিবলৈ পোৱা যায় —

খাবলৈ নাইকিয়া পিন্ধিবলৈ নাইকিয়া
ঘঁহিবলৈ নাইকিয়া তেল,
বাপেৰৰ দিনৰ ছকুৰি ধৰুৱা
নিতৌ পদূলি মূৰত মেল।

এনে এক আৰ্থিক সংকট নাহৰৰ জীৱনলৈ আহিছে। বাপেকে এৰি যোৱা ধাৰৰ বোজা সি মূৰ পাতি লব লগা হৈছে। সেইবাবেই বোধকৰোঁ নাহৰে মহঙলৈ গৈ বেপাৰ কৰিবলগীয়া হৈছে।

'নাহৰৰ গীত' মালিতাটিৰ আন এক উল্লেখনীয় দিশ হ'ল অন্তঃস্পৰ্শী মানৱীয় আৱেগ। গোটেই গীতটোৱেই মানৱীয় সম্পৰ্কৰ যেনিবা অতি আন্তৰিকাপূৰ্ণ বৰ্ণনা। মাউৰা ল'ৰাটো কিমান যে আদৰ যত্নেৰে ডাঙৰ দীঘল কৰিছে বুঢ়ীমাকে! প্ৰতিটো পদক্ষেপতে বুঢ়ীমাকে খবৰ ৰাখিছে নাহৰৰ—

ৰঙালী মদাৰৰ পাত,
এইনো মাজনিশা আহিলি নাহৰ ঐ
খালি কি নেখালি ভাত।

আইনো আই বুলি নাহৰে মাতিলে
বুঢ়ীমাকৰ মুখলৈ চাই,
কেলেই মাতিলি নাহৰ চেনামুৰা
চকুতো পঁইতা নাই।

কেৱল খোৱা-বোৱাৰ প্ৰতিয়ে বুঢ়ীমাকে নজৰ ৰখা নাই। ক'ৰবাত কিবা বিপদ-আপদ হ'ব পাৰে বুলি প্ৰতিটো মুহূৰ্ততে চিন্তা। মহং বেহাবলৈ যাওঁতে ক'ৰবাত কিজানি অথন্তৰ ঘটে সেইবাবে নাযাবৰ বাবে নানা অজুহাত দেখুৱাইছে।

তাৰেৰে চুৰিয়া লেচাই নেমাৰিবি
মাটিক নুবুলিবি লো,
কোনোবাই ক'ৰবাত কঁড়িয়াই মাৰিব
বাঁৰী দুখুনীৰ পো।

একেদৰে নাহৰৰ বাতৰি নেপাই বুঢ়ীমাকে যেনেদৰে চট্‌ফটাইছে তেনেদৰে নাহৰক মৃত্যুদণ্ড দিয়াত কাঞ্চনৰ হাত থকা বুলি ভাবি শাখিনী, জহনী, মৰঁতী বুলি তিৰস্কাৰ কৰিছে। গোটেই গীতটোতেই বুঢ়ীমাকৰ মৰম-স্নেহ, আদৰ-সাদৰৰ যোগেদি ঘাট মাউৰা নাহৰৰ প্ৰতি প্ৰকাশ পাইছে গভীৰ আন্তৰিকতা। এই আন্তৰিকতাই মালিতাটোক মানৱীয় আবেদনেৰে সিক্ত কৰি থৈছে।

**আত্মমূল্যায়নৰ প্ৰশ্ন-৩**

১। নাহৰৰ গীতক কিয় বুৰঞ্জীমূলক মালিতা বোলা হয় আলোচনা কৰক?

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

২। নাহৰৰ গীতত প্ৰতিফলিত সমাজৰ ছবি সম্পৰ্কে লিখক।

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

৩। নাহৰৰ গীতত প্ৰতিফলিত অৰ্থনৈতিক জীৱনৰ ছবি সম্পৰ্কে লিখক।

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

### ১.৪.২.৪ নাহৰৰ গীতৰ কাব্যিক সৌন্দৰ্য

'নাহৰৰ গীত' মালিতাটোৰ আন এক উল্লেখনীয় দিশ হ'ল ইয়াৰ কাব্যিক সৌন্দৰ্য। বেলাড বা মালিতাৰ এটি আখ্যান থাকে। এই আখ্যান ভাগৰ গঠন যেনেদৰে সৰল, তেনেদৰে ইয়াৰ উপস্থাপন ৰীতিও সৰল। সহজ -সৰল ছন্দত মালিতাসমূহ ৰচনা কৰা হয়। 'নাহৰৰ গীত' মালিতাটো ৰচিত হৈছে পুৰণি অসমীয়া দুলড়ী ছন্দত। পাঁচোটাকৈ সৰু সৰু খণ্ডত গীতটো ৰচনা কৰা হৈছে আৰু প্ৰত্যেকটো খণ্ডতেই দুলড়ী ছন্দ প্ৰয়োগ কৰা হৈছে। আখ্যান গীতত এটা কাহিনী বৰ্ণনা বা পৰিৱেশন কৰা হয়। সাধাৰণতে চহা ৰাইজে নিজ চকুৰে দেখা বিশেষ চৰিত্ৰ বা চৰিত্ৰটো জড়িত থকা ঘটনাক কেন্দ্ৰীয় বিষয়বস্তু হিচাপে লৈ তেওঁলোকে চৌপাশে দেখা প্ৰাকৃতিক উপমা-পটন্তৰৰ সহায়ত ঘটনাটো বা চৰিত্ৰটো বৰ্ণনা কৰিছিল। আখ্যান গীতৰ ৰচয়িতাসকলে শব্দৰ শুদ্ধ উচ্চাৰণক সমস্যা বুলি নেভাবিছিল। কাহিনীভাগ বৰ্ণাবলৈ তেওঁলোকে সমাজৰ সৰ্বসাধাৰণ স্তৰত ব্যৱহৃত হোৱা ভাব আৰু ভাষা ব্যৱহাৰ কৰিছিল। কৃত্ৰিমতা বৰ্জিত সেই ভাব-ভাষাৰ বাবেই লোকসাহিত্যৰ আকৰ্ষণ পৃথিৱীৰ সকলোবোৰ সমাজতে আটাইতকৈ বেছি। ভাবেই হওক বা ঘটনাই হওক, কোনো ভাঁজ নিদিয়াকৈ তেওঁলোকে কাহিনী বৰ্ণনা কৰিছিল। 'নাহৰৰ গীত' মালিতাটো কৰুণ ৰসেৰে সিক্ত হৈ আছে। দুখুনী বুঢ়ীমাকৰ একমাত্ৰ সমল কচুৰ পেঁপাৰ দৰে বাঢ়ি যোৱা নাহৰক ৰজাই দিয়া মৃত্যুদণ্ডৰ যোগেদি কৰুণ ৰসৰ উদ্ৰেগ ঘটিছে। বুঢ়ীমাকৰ বুকু শুদা কৰি চিৰদিনৰ বাবে আঁতৰি যোৱা নাহৰৰ মৃত্যুৰ ঘটনাই গোটেই

পৰিৱেশটোক কাৰুণ্যৰে ভৰাই তুলিছে। লগতে বুঢ়ীমাকৰ প্ৰতি পুটুৰৈৰ স্বতঃস্ফুৰ্তভাৱে সহানুভূতিৰ উদ্ৰেগ কৰিছে। পঁইতাভাত, কৰ্কৰাভাত, কচুৰ পেঁপা, চুৰিয়া, চেনামুৰা, চাপনী, মহং, বেহা আদি শব্দৰ ব্যৱহাৰে অন্য এক কাব্যিক আবেদনৰ সৃষ্টি কৰিছে। সেইবাবে কাব্যিক সৌন্দৰ্য বিচাৰ কৰি সত্যেন্দ্ৰনাথ শৰ্মাই মালিতা তথা লোকগীত সম্পৰ্কে মন্তব্য দি কৈছে — "অনাড়ম্বৰ সৰল ভাষা, ঘৰুৱা চিত্ৰ, ভাৱৰ মুকলি প্ৰকাশ, সৰল বিশ্বাস আৰু অলৌকিকতাৰ প্ৰভাৱ লোকগীতসমূহত লক্ষ্য কৰা যায়। গীতবোৰত ছন্দ, ভাব আৰু ভাষা শৃংখলিত নহয়, সাৱলীল আৰু উন্মুক্ত। চহা প্ৰাণৰ ই মুক্ত পৰিস্ফুৰণ আৰু আদিম তথা মৌলিক ভাবাবেগৰ অকৃত্ৰিম প্ৰকাশ।" এনেবোৰ কাৰণতে উলিয়াম মৰিছে এইবোৰক — "The most precious treasures of our own or any language" বুলি কৈছে। মূল কথা হ'ল বেলাড বা মালিতাসমূহ যিকোনো ভাষাৰে সৰ্বোত্তম সম্পদ।

### ১.৪.২.৪ সাৰাংশ

'নাহৰৰ গীত' এটি মালিতা বা আখ্যানমূলক গীত। ইংৰাজীত ইয়াক 'বেলাড' বুলি কোৱা হয়। এতিয়ালৈকে উদ্ধাৰ হোৱা বুৰঞ্জীমূলক মালিতাসমূহৰ ভিতৰত 'নাহৰৰ গীত'টোৱেই সকলোতকৈ প্ৰাচীন। চুখাম্‌ফা বা খোৰাৰজাৰ সৰু মেচলৌ আৰু বৰ মেচলৌ নামৰ দুগৰাকী কুঁৱৰী আৰু ৰজাৰ তোলনীয়া পুত্ৰ নাহৰক লৈ গীতটো ৰচিত হৈছে। এই নাহৰ চৰিত্ৰটোৱেই হৈছে মালিতাটোৰ কেন্দ্ৰীয় চৰিত্ৰ। জন্মৰ পিছতে মাক-দেউতাকক হেৰুৱাই মাউৰা হোৱা, বুঢ়ীমাকৰ মৰমত ডাঙৰ দীঘল হোৱা, ৰাণীৰ তোলনীয় পুত্ৰ হোৱা, কোঁৱৰ হোৱাৰ পাছত অত্যাচাৰী হোৱা, ডা-ডাঙৰীয়াসকলে নাহৰৰ বিৰুদ্ধে ৰজাৰ ওচৰত গোচৰ দিয়া আৰু শেষত মৃত্যুদণ্ড দিয়া ঘটনাসমূহ এই গীতটিত বৰ্ণনা কৰা হৈছে। 'নাহৰৰ গীত' এটি কৰুণ ৰসাত্মক গীত। গীতটিত মূল বিষয়বস্তুৰ উপৰিও আনুষঙ্গিকভাৱে সেই সময়ৰ ৰাজ্যখনৰ অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক জীৱনৰ কথাও প্ৰকাশ পাইছে। আৱেগ-আনুভূতিৰ অন্তঃস্পৰ্শী বৰ্ণনা, কাব্যিক সৌন্দৰ্য, অকৃত্ৰিম ভাবাৱেগৰ প্ৰকাশ 'নাহৰৰ গীত'ৰ অন্যতম বিশেষত্ব।

**আত্মমূল্যায়নৰ প্ৰশ্ন-৪**

১। নাহৰৰ গীতত কি ছন্দ ব্যৱহাৰ কৰা হৈছে?

..............................................................................................................

..............................................................................................................

..............................................................................................................

২। নাহৰৰ গীতত প্ৰয়োগ কৰা ভাষা সম্পৰ্কে লিখক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ১.৪.৩ শব্দটোকা

| | | |
|---|---|---|
| চেনামুৰা | — | চেনেহৰ, মৰমৰ |
| পঁইতা | — | পাছত খাবলৈ পানী দি থোৱা চেঁচা ভাত |
| বুঢ়ীমাক | — | আইতা, পিতৃ বা মাতৃৰ মাতৃ |
| দেৱা | — | দহা, চৰুত অধিক উত্তাপৰ বাবে হোৱা দহন |
| কৰ্কৰা | — | পাছত খাবলৈ পানী নিদিয়াকৈ থোৱা চেঁচা ভাত |
| মাউৰা | — | পিতৃ-মাতৃহীন |
| মহং | — | এখন ঠাইৰ নাম (বজাৰ) |
| বেহা | — | ব্যৱসায়, বেপাৰ-বাণিজ্য |
| দিহিং | — | এখন নদীৰ নাম |
| নামচাং | — | এখন ঠাইৰ নাম |

| | | |
|---|---|---|
| কচুৰ পেঁপা | — | কচু গছৰ কুমলীয়া পাত |
| চুৰিয়া | — | ধুতি, পৰুষৰ অধোবস্ত্ৰ |
| লেচাই | — | মাটিলৈকে ওলোমই পিন্ধা |
| কঁড়িয়াই | — | ধনুৰ কাঁড় |
| বাঁৰী | — | বিধৱা তিৰোতা, স্বামী মৰা তিৰোতা |
| দুখুনী | — | দুখেৰে ভৰা, দুখীয়া |
| চামদাং | — | লোণ বা নিমখ পোৰা এখন ঠাই |
| মাণিক | — | এবিধ মূল্যৱান পাথৰ বা মণি |
| মিচিমি | — | এটা জনগোষ্ঠী, মিচিমিয়ে বাস কৰা ঠাই |
| ঘকৰাই | — | নিৰ্দয়ভাৱে, থিয়ৈ থিয়ৈ |
| লেহেতী | — | এবিধ বাঁহ, দীঘল গাঁথিৰ বাঁহ |
| জকাই | — | জাকৈ, এবিধ মাছ ধৰা যতন |
| নগা | — | এটা জনগোষ্ঠী |
| ঘাটৈ | — | নাৱৰীয়া, নাৱেৰে যাত্ৰী পাৰাপাৰ কৰা ব্যক্তি |
| চাপনী | — | যিয়ে চপাই লয়, বিয়া নকৰোৱাকৈ অনা বা নিজ ইচ্ছাৰে আহি আবিয়ৈ পুৰুষৰ ঘৰত ভাৰ্যা হিচাপে থকা তিৰোতা, বিয়া নোহোৱাকৈ এজনৰ লগত চাপি থকা তিৰোতা। |
| জালি | — | শৰীৰৰ গঠন, গঢ় |
| আঁৰ | — | আবুৰ, আৱৰণ, গোপনীয় |
| শাখিনী | — | কুলক্ষণীয়া তিৰোতা |
| জহনী | — | কলেৰা ৰোগ, মহামাৰী |
| চুৰা | — | অপৱিত্ৰ, লেতেৰা |
| জগৰ | — | দায়-দোষ, অপৰাধ |
| কেলকেলা | — | আনৰ অসুবিধা সৃষ্টি হোৱাকৈ অনাহকত কৰা চিঞৰ-বাখৰ। |
| জলঙা | — | চাল বা বেৰৰ বিন্ধা |
| সৰু মেচলৌ | — | চুখাম্‌ফা বা খোৰা ৰজাৰ সৰু কুঁৱৰী (পত্নী) |
| বৰ মেচলৌ | — | চুখাম্‌ফা বা খোৰা ৰজাৰ ডাঙৰ কুঁৱৰী (পত্নী) |
| তোলনীয়া পো | — | আনৰ সন্তানক নিজৰ পুত্ৰ বুলি তুলি লোৱা |
| ছমহা | — | এটকাৰ চাৰিভাগৰ এভাগ |

## ১.৪.৪ অনুশীলনী

### ১.৪.৪.১ বোধজ্ঞান অনুশীলনী

১। মালিতা আৰু 'নাহৰৰ গীত' শীৰ্ষক বুৰঞ্জীমূলক মালিতাটোৰ ভিত্তিত তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়ক। প্ৰশ্নৰ বাবে তিনিটাকৈ বিকল্প দিয়া আছে, শুদ্ধ উত্তৰ বাছি ☑ চিন দিয়ক।

(ক) আখ্যানগীত বা মালিতা বুজাবলৈ ইংৰাজীত প্ৰচলন থকা শব্দটো হ'ল—

১। Myth

২। Ballad

৩। Lyric

(খ) *Ballads and Tales of Assam* নামৰ গ্ৰন্থখনৰ লেখক—

১। বিৰিঞ্চি কুমাৰ বৰুৱা

২। নবীন চন্দ্ৰ শৰ্মা

৩। প্ৰফুল্লদত্ত গোস্বামী

(গ) এতিয়ালৈকে উদ্ধাৰ হোৱা বুৰঞ্জীমূলক মালিতাৰ ভিতৰত প্ৰাচীন মালিতাটো হ'ল—

১। বৰফুকনৰ গীত

২। নাহৰৰ গীত

৩। জয়মতী কুঁৱৰীৰ গীত

(ঘ) 'বাৰমাহী গীত'ৰ প্ৰচলন আছে

১। নামনি আৰু পশ্চিম অসমত

২। উজনি অসমত

৩। মধ্য অসমত

(ঙ) নাহৰক মৃত্যুদণ্ড দিয়া ৰজাগৰাকী আছিল

১। চুকাফা

২। চুলিক্‌ফা

৩। চুখাক্‌ফা



**২। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ একোটা বাক্যত লেখক**

ক) খোৱা ৰজাৰ কুঁৱৰী দুগৰাকীৰ নাম কি আছিল?

..........................................................................................................

খ) কোন গৰাকী ৰজাই অসমৰ বুৰঞ্জী লেখাটো বাধ্যতামূলক কৰিছিল ?

..........................................................................................................

গ) জয়মতী কুঁৱৰীৰ স্বামীৰ নাম কি আছিল?

..........................................................................................................

ঘ) 'নাহৰৰ গীত' মালিতাটোত নাহৰৰ লগত কাৰ পূৰ্বৰে পৰা প্ৰীতি আছিল?

..........................................................................................................

ঙ) নাহৰক মৃত্যুদণ্ড দিয়া ঠাইখনৰ নাম কি আছিল?

..........................................................................................................

৩। তলৰ শাৰীবোৰ 'নাহৰৰ গীত' মালিতাটোৰ পৰা তুলি দিয়া হৈছে । তাৰ মাজৰ পৰা একোটা শব্দ উঠাই দিয়া হৈছে। গীতটোৰ অলমত খালী ঠাই পূৰণ কৰক।

ক) কেলেই মাতিলি নাহৰ চেনামুৱা
চৰুতো ———— নাই।

খ) লগৰ সমনীয়া যায় ———— বেহাবলৈ
ময়ো বেহাবলৈ যাওঁ।

গ) হেৰ বুঢ়ী——— মৰাণৰ জীয়ৰী
নাহৰক কটালে কোনে।

ঘ) বৰগোহাঁই দেউতাই নাহৰক কটাই
হোৱা ভাতক কৰিলে ——।

ঙ) কচুৰ —— যেন বাঢ়িলি নাহৰ ঐ
চাৰিবেলা চাৰিসাজ খাই।

## ১.৪.৪.২ বৈয়াকৰণিক অনুশীলন

১। তলৰ শব্দবোৰ 'নাহৰৰ গীত'ৰ পৰা উদ্ধৃত কৰা হৈছে। শব্দবোৰৰ প্ৰতিশব্দ বিচাৰি উলিয়াওক—

ক. আই ....................................

খ. সনমীয়া ....................................

গ. বেহা ....................................

ঘ. চৰু ....................................

ঙ. বাতৰি ....................................

চ. ছুকুৰি ....................................
ছ. প্ৰাণ ....................................
জ. ঈশ্বৰ ....................................
ঝ. বেলি ....................................
ঞ. মৈদাম ....................................
ট. নৈ ....................................
ঠ. ঘাটৈ ....................................
ড. পুৰুষ ....................................

২। 'নাহৰৰ গীত' পাঠটোৰ পৰা কেইটিমান শব্দ দিয়া হৈছে। শব্দবোৰৰ লিঙ্গ পৰিৱৰ্তন কৰা।

(ক) বুঢ়ীআই ..............................
(খ) কুঁৱৰী ..............................
(গ) ৰজা ..............................
(ঘ) বৰগোহাঁই ..............................
(ঙ) বুঢ়ী ..............................
(চ) পাখৰী ..............................
(ছ) জীয়ৰী ..............................
(জ) পুৰুষ ..............................
(ঝ) পো ..............................

## ১.৪.৪.৩ পঠন অনুশীলন

১। গোটেই গীতটো পঢ়ক আৰু ইয়াৰ কোনটো অংশ ভাল লাগিল বিচাৰি চাওক।

২। ভাল লগা অংশটো পুনৰ পঢ়ক, এইবাৰ কোনটো বা কোনকেইটা শাৰী বেছি ভাল লাগিল বিচাৰি উলিয়াওক।

৩। গীতটোত পোৱা নতুন আৰু ব্যতিক্ৰমধৰ্মী শব্দবোৰ মনত ৰাখক।

৪। গীতটোৰ নতুন আৰু ব্যতিক্ৰমধৰ্মী শব্দবোৰৰ বানান আৰু অৰ্থ মনত ৰাখক।

৫। অপ্ৰচলিত বা লুপ্ত হ'বলৈ ধৰা শব্দ যদি ব্যৱহাৰ হৈছে, সেই শব্দকেইটালৈ বিশেষভাৱে মন কৰক।

৬। গীতটোৰ মূলভাবটো পঢ়ক। লগতে গীতটোৰ বৰ্ণনাৰ সৈতে মূলভাবটো সঠিক হৈছে নে নাই বিচাৰ কৰক।

৭। অসমীয়া মালিতা বা আখ্যানমূলক গীতৰ বিষয়ে পঢ়ক, শ্ৰেণী বিভাজনৰ কথাখিনি মন কৰক।

১। 'নাহৰৰ গীত' নামৰ পাঠটো পঢ়ি তাৰ মূল বক্তব্য তথা আখ্যানভাগ মনত ৰাখিবলৈ চেষ্টা কৰক।

## ১.৪.৪.৪ লিখন অনুশীলনী

১। বেলাড বা আখ্যানমূলক গীতৰ বিষয়ে এটি সংজ্ঞা দিয়ক।

..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................

২। বেলাড বা মালিতাক কেনেদৰে শ্ৰেণী বিভাজন কৰিব পাৰি তাৰ এটি আভাস দিয়ক।

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

৩। 'নাহৰৰ গীত' শীৰ্ষক মালিতাটোৰ কাহিনীভাগ কেনে লাগিল মতামত ব্যক্ত কৰক।

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

৪। নাহৰক ৰজাই কিয় মৃত্যু দিলে তাৰ কাৰণ উল্লেখ কৰক।

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

৫। 'নাহৰৰ গীত' মালিতাটোত সেই সময়ৰ মানুহৰ অৰ্থনৈতিক অৱস্থাৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে বিচাৰ কৰক।

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

৬। মানৱীয় আবেদন আৰু মানুহৰ সুখ-দুখৰ বৰ্ণনা 'নাহৰৰ গীত'ত কেনেদেৰে প্ৰকাশ পাইছে আলোচনা কৰক।

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

৭। 'নাহৰৰ গীত' শীৰ্ষক মালিতাটোৰ কাব্যিক সৌন্দৰ্যৰ বিষয়ে মতামত আগবঢ়াওক।

..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................

৮। নাহৰৰ মৃত্যুত বুঢ়ীআয়ে পোৱা দুখ আৰু ক্ষোভ গীতটোত কেনেদৰে প্ৰকাশ পাইছে বিচাৰ কৰক।

..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................

৯। পাঠ্যক্ৰমৰ অন্তৰ্গত 'নাহৰৰ গীত' মালিতাটোত নাহৰ আৰু বুঢ়ীআইৰ সম্পৰ্কে কেনেদৰে ফুটাই তোলা হৈছে বিশ্লেষণ কৰক।

..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................

১০। 'নাহৰৰ গীত'ত প্ৰকৃতিজগতৰ পৰা কেনেদৰে উপাদান সংগ্ৰহ কৰা হৈছে তাৰ এটি আভাস দিয়ক।

..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................

ignou THE PEOPLE'S UNIVERSITY

## ১.৪.৫ উত্তৰ সংকেত

আগতে বোধজ্ঞান অনুশীলনী আৰু বৈয়াকণিক অনুশীলনীৰ যিবোৰ প্ৰশ্ন দিয়া হৈছিল এতিয়া তলত দিয়া উত্তৰৰ লগত মিলাই চাওক, আপোনাৰ যিবোৰ ভুল হৈছিল, এতিয়া সেইবোৰ শুধৰাই লওক।



### ১.৪.৫.১ বোধজ্ঞান অনুশীলনৰ শুদ্ধ উত্তৰ

১। ক (২)
খ (৩)
গ (২)
ঘ (১)
ঙ (৩)

২। (ক) খোৰা ৰজাৰ কুঁৱৰী দুগৰাকীৰ নাম আছিল বৰ মেচলৌ আৰু সৰু মেচলৌ।
(খ) আহোম ৰজা চুকাফাই বুৰঞ্জী লোখাটো বাধ্যতামূলক কৰিছিল।
(গ) জয়মতী কুঁৱৰীৰ স্বামীৰ নাম আছিল গদাপাণি কোঁৱৰ।
(ঘ) কাৰেঙৰ লিগিৰী কাঞ্চনৰ লগত নাহৰৰ পূৰ্বৰ পৰা প্ৰীতি আছিল
(ঙ)নাহৰক মৃত্যুদণ্ড দিয়া ঠাইখনৰ নাম আছিল বৰদুৱাৰ।

৩। (ক) পঁইতা
(খ) মহং
(গ) পাখৰী
(ঘ) চুৰা
(ঙ) পেঁপা

### ১.৪.৫.২ বৈয়াকৰণিক অনুশীলনৰ শুদ্ধ উত্তৰ

১। ক) মা
খ) লগৰীয়া
গ) বেপাৰ, ব্যৱসায়
ঘ) কেৰাহি
ঙ) খবৰ
চ) এশ বিছ
ছ) জীৱ
জ) ভগৱান
ঝ) সূৰ্য
ঞ) সমাধিস্থল
ট) নদী
ঠ) নাৱৰীয়া
ড) মতা

২। (ক) ককা, আতা
(খ)কোঁৱৰ
(গ) ৰাণী
(ঘ) বৰগোহাঁনী
(ঙ) বুঢ়া
(চ) পখৰা
(ছ) পুত্ৰ
(জ) নাৰী
(ঝ) জী, জীয়ৰী

## ১.৪.৬ অতিৰিক্ত পঠন উপদেশ



আপোনালোকে অসমীয়া মালিতা তথা 'নাহৰৰ গীত'ৰ বিষয়ে বিশদভাৱে জানিবলৈ তলত উল্লেখ কৰা কিতাপকেইখন পঢ়িব পাৰে।

১। *অসমীয়া আখ্যান-গীত সংগ্ৰহ*— ভৱপ্ৰসাদ চলিহা (সম্পাদনা)
২। *অসমীয়া লোক সাহিত্য*— প্ৰহ্লাদ কুমাৰ বৰুৱা (সম্পাদনা)
৩। *অসমৰ লোক কবিতা*— নিৰ্মলপ্ৰভা বৰদলৈ
৪। *Ballads and Tales of Assam*— প্ৰফুল্ল দত্ত গোস্বামী
৫। *লোক-গীতি সঞ্চয়ন*— হেমন্ত কুমাৰ শৰ্মা
৬। *অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা*— লীলা গগৈ